# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakhinath Bezbarah | |
| Title: বাঁহী | |
| Transliterated Title: Baanhi | |
| Translated Title: | |
| Place of Publication: Calcutta (Kolkata) | Publisher: Editor |
| Year: 1925 (1847 Sak) | Edition: |
| Size: 22½ cms - 722 pages | Genre: Magazine |
| Volumes: 15 (1, 2, 3, 4, 5, 6, 7, 8, 9, 10, 11, 12, 15th) | Condition of the original: Brittle. |
| Remarks: Illustrated | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|




পঞ্চদশ বছৰ — ১৮৪৭ শক
৯ম সংখ্যা — পুহ

"ন হি জ্ঞানেন সদৃশং পবিত্রমিহ বিদ্যতে ।"

## সঁফুৰা

আজি দহ বছৰৰ আগে' জীৱনৰ
অকাল বসন্ত-বায়ু লাগি ফুলা মোৰ
কবিতাৰ এধাফুলা ঢোপাকলিবোৰ
কালি যদি কোনোবাই চাইছে নিজৰ
তৃপিতিৰ হেতু, সেই আদিৰে এপৰা ;
আৰু যদি কেনেবাকে' চাওঁতে ইদৰে
মোৰ প্রিয়া-কল্পনাৰ প্রীতি-পৰাগেৰে
হইছে দুখনি হাত পৰিমলভৰা,—
সেইদেখি কেতিয়াবা ভাবে মনে মনে :
কোন সেই 'প্রিয়া' যাৰ কটাক্ষ নয়নে
দগ্ধ কৰে এই মুগ্ধ হিয়া গোপনে গোপনে !—
সিজনৰ বাবে 'কবি-যশ-প্রার্থী' জনে
যাচিছে যতনকৰি ইফাঁকি ৰভৰা,
সেই প্রিয়া-সম্ভ্রেৰ সাদৰ-সঁফুৰা ।

---

## সূচনা

যোৱা দহ বছৰৰ প্রেমৰ ৰচনা
যেতিয়া পোনতে লিখো,--অকাল যৌৱন—
তেৰবছৰীয়া মই ; প্রণয়-সূচনা
কৰিলে প্রাণত ক'ৰ পগলা পৱন' !
প্রকৃতিৰ সেউজীয়া শীতল শয্যাত
পৰি চাই চাই থাকি আকাশৰ ফালে,
অনাদি আকাশ-জোৰা ঘন নীলিমাত
মোৰ যেন কল্পনাৰ চকু মেল খালে ।
সি মধুৰ দিঠকৰ সপোন-মোৰত
নাচিলে চকুত যিটি সুন্দৰী' মহিমা,
তাৰে আভা আজি যেন দেখো চঊদিশে ;
সপোনে সচেতে দেখো সুন্দৰ বিশ্বত
সকলো সৌন্দর্য্য যেন তাৰেই গৰিমা,—
সেয়ে আজি নয়নত নাচে প্রিয়া-বেশে ।

শ্রীভিবেশ্বৰ নেওগ

---

# বর্ণ-নির্ব্বাসন

( ৮ম সংখ্যাৰ পিছৰপৰা )

তন্ত্র শাস্ত্রত বৰ্ণবিষয়ে নানাৰূপ অদ্ভুত কথা আছে, কিন্তু মাস্লিলে হে ধান, নামানিলে পতান ; এতেকে "তত্র মৌনং হি শোভনম্ ।"

বিলাসিনীং কাঞ্চন-পত্রিকায়াং
পাটীৰ পক্ষৈর্বিৰহী বিলিখ্য ।
তস্যাঃ কপোলে ব্যলিখৎ পবৰ্গং
তবৰ্গং মোষ্ঠে চৰণে টবৰ্গম্ ॥

প্ৰিয়াৰ বিৰহে চিৰবিৰহী কাতৰ,
চিত্তশান্তি হেতু স্বৰ্ণপটৰ ওপৰ,
প্ৰেয়সীৰ চিত্র আঁকি সুগন্ধ চন্দনে,
প বৰ্গ লিখিলা গণ্ডে পুলকিত মনে,
ওষ্ঠত ত বৰ্গ, পদে ট বৰ্গ লিখিলা,
( প্ৰিয়াৰ সমীপে চিত্র পঠিয়াই দিলা ॥ )

ইয়াৰ তাৎপৰ্য্য এয়ে যে ওষ্ঠ্যবৰ্ণ প বৰ্গদ্বাৰা প্ৰেয়সীৰ গণ্ডস্থলত ওষ্ঠৰ কাৰ্য্য, দন্ত্যবৰ্ণদ্বাৰা ওষ্ঠত দন্তক্ষত, আৰু দন্তক্ষত কৰাত প্ৰেয়সীৰ ক্ৰোধাশঙ্কাবশতঃ মূৰ্দ্ধণ্য ট বৰ্গদ্বাৰা চৰণত প্ৰণাম বুজাই বিৰহীয়ে ক্ষমা প্ৰাৰ্থনা কৰিছে। এতিয়া এইৰূপ ক্ষেত্ৰত ট বৰ্গৰ পৰিবৰ্ত্তে অসমীয়াত ত বৰ্গৰ আখৰ লিখি আৰু তাৰদ্বাৰা চৰণত দন্তক্ষত কৰা বুজাই অসমীয়া ডেকা বিৰহীৰ প্ৰেম-প্ৰকাশ অস্বাভাৱিক নহব নে ?

'ক'য়ে কমলিনী জীৱেৰ প্ৰথম শিক্ষে,

................................

'গ'য়ে গঙ্গা গোদাবৰী গোবিন্দ ভাবিনী ।

এইৰূপ পদ্যৰ দৰে বৰ্ণমালাৰ প্ৰত্যেক আখৰ বৰ্ণাই ৰচনা কৰা কিছুমান প্ৰাচীন অসমীয়া পদ্য আছে। ট বৰ্গাদি অক্ষৰ বৰ্জিত হলে উক্ত প্ৰাচীন বৰ্ণমালাত্মক পদ্য-সমূহৰ গতি কি হব ? মুঠৰ ওপৰত আমি বৰ্ণবিলাকক এৰিলেও বৰ্ণবিলাকে আমাক নেৰে।

'শ' কাৰৰ অৰ্থ যোগিনীতন্ত্ৰত এইদৰে আছে - "শঃ শৰাশ্চ কামৰূপী কামৰূপো, মহামতিঃ, সৌথানামা কুমাৰোঽস্থি শ্ৰীকণ্ঠো বৃষকেতনঃ ........ .. ..বামোকঃ পুণ্ডৰীকাক্ষা কান্তিঃ কল্যাণবাচকঃ ।" ইয়াৰপৰা বুজা যায়—কামৰূপী আৰু কামৰূপৰ আন নাম "শ ।" উক্ত 'কামৰূপী' আৰু 'কামৰূপৰ' আন অৰ্থ থাকিলে ইয়াত প্ৰসিদ্ধাৰ্থ ব্যৱহৃত হৈছে, সন্দেহ নাই। এই 'শ'ৰ লগত কামৰূপী আৰু কামৰূপৰ কিবা বিশিষ্ট অজ্ঞাত ৰহস্য-সম্পৰ্ক আছে যেন বোধ হয়। এতেকে এই 'কামৰূপী শ'ৰ বৰ্জন কেনেকৈ সঙ্গত হয় ?

(গ) যদি তথাপি ভাষা শিকাৰ পথ সুগম কৰা, লেখা-পঢ়াৰ পৰিশ্ৰম লঘুকৰা প্ৰভৃতি উদ্দেশ্যে দীৰ্ঘস্বৰ বৰ্জ্জনীয় হয়, তেনেহলে আৰু আগবাঢ়ি গৈ ভাল, অৰ্থাৎ সৰ্ব্বস্বৰময় অকাৰক মাত্র ৰাখি বাকীবোৰ স্বৰৰ অস্থি অশোকাষ্টমীত ব্ৰহ্মপুত্ৰত নিক্ষেপ কৰা যাওক। প্ৰত্যেক স্বৰৰে এজন এজন অধিষ্ঠাতা দেৱতা আছে— ইপিনে "সৰ্ব্ব দেৱময়ো বিষ্ণুঃ" "অকাৰো বিষ্ণুৰুদ্দিষ্টঃ"--গতিকে অকাৰ সৰ্ব্বস্বৰময়। এই একমাত্র অকাৰ দ্বাৰা যদি সকলো স্বৰ পোৱা যায় তেন্তে "অভেদোপলম্" শ্ৰুতিতো আছে "একং সদ্ বিপ্ৰা বহুধা বদন্তি" "একমেবাদ্বিতীয়ম্" ( একম্ + এব + অ + অদ্বিতীয়ম্ )। ইয়াৰ ব্যাখ্যা সংক্ষেপতে এই অকাৰ এক আৰু অত্যন্ত সাধু। সেই 'অ'কে বিপ্ৰবিলাকে বহু স্বৰৰূপে কৈ সৰ্ব্বসাধাৰণৰ মূৰত টাঙন মাৰি দিছে। 'অ' এটাহে স্বৰ, ইয়াক এৰি দ্বিতীয় স্বৰ নাই। এক মাত্ৰ অকাৰৰ আশ্ৰিত কেইটামান ব্যঞ্জন বৰ্ণদ্বাৰা কাব্য আদি ৰচনা হব পাৰে ! "অভ্যাসৰ নৰ কৰ্ণপথে কৰে শৰ"— গতিকে অভ্যাসকৰিলে যুৱক কবিসকলে অনায়াসে তেনে কাব্য আদি ৰচিব পাৰিব। এনে পদ্য আগৰে পৰা কিছুমান আছেও, যথাঃ—"দশৰথতনয় শৰবৰকৰতলধৰবৰ, খগচৰ নগধৰ ফনধৰ শয়ন জগমথ মদহৰ ভৱভয় শমন, পৰপদ লয়কৰ কমলজ নয়ন !" "বপৰ অগত পণৰ কৰ, খ ; ৰৱত গমন হব।" ইত্যাদি সৰ্ব্বজনবিদিত প্ৰমাণ। এতেকে



অকাৰৰ দ্বাৰাই কাম চলিব, "এক চন্দ্ৰস্তমো হন্তি নচ তাৰাগণৈৰপি।"

(ঘ) আৰু এটা কথা— আন ভাষা নহলেও সংস্কৃত আৰবী, ফাৰ্চী, আৰু ইংৰাজী ভাষা শিক্ষা আমাৰ প্ৰয়োজন নহয় নে ? অৱশ্যে সংস্কৃত Dead-language—মৃতভাষা অস্পৃশ্য। শকুন্তলা প্ৰভৃতি নাটকৰ ৰস-ভোগৰ কাৰণে অনুবাদ আছেই। গতিকে "পণ্ডিতে নিৰ্দ্ধনত্বম্" "শাস্ত্ৰাণ্যধীত্যাপি ভৱন্তি মূৰ্খাঃ," "অকাৰণং ব্যাকৰণং তৰ্কশাস্ত্ৰং নপড়নং, নিষ্ফলা চতুৰো বেদাঃ," "তত্ৰাপৰা ঋগবেদো যজুৰ্ব্বেদঃ সামবেদোথৰ্ব্ববেদঃ শিক্ষাকল্পো ব্যাকৰণং নিৰুক্তংছন্দো জ্যোতিষমিতি।" ইত্যাদি দ্বাৰা সংস্কৃত শিক্ষা নিষ্প্ৰয়োজন বুলি প্ৰমাণ দিব পাৰি। কিন্তু যি ভাষাৰ পৰা চতুৰ্ব্বৰ্গ ফলপ্ৰাপ্তিঃ সুখাদল্পধিয়ামপি" সেই "অথ পৰা যয়া তদক্ষৰমধিগম্যতে" (১) ইংৰাজী বিদ্যাৰ কাৰণে পূৰ্ব্বোক্ত বৰ্জন প্ৰস্তাবিত আখৰবিলাক লিখিবৰ আৰু শিকিবৰ প্ৰয়োজন নহয় ? যদি প্ৰয়োজন নাই, তেন্তে যিবোৰ ইংৰাজী শব্দত দীৰ্ঘস্বৰ মূৰ্দ্ধণ্যাদি বৰ্ণ আছে সেইবোৰ মাতোতে আৰু অসমীয়াত লিখোতে দন্ত্যাদি বৰ্ণত হে কৰিব লাগিব, যথা— বি, তি, দিপুতি ইনিস্পেক্তৰ, তাইম, লণ্ডন, স্কতলন্দ, কাৰ্পেত, কমিতি, কোত, প্লেত বুত, পকেত, ফতোগ্ৰাফ, তেলিগ্ৰাফ, তেক্স, তেবল, তিকেত, বিস্কিত, গেজেত ইত্যাদি। এনে এটা অসমীয়া-ইংৰাজী ভাষা কৰিব পাৰিলে উক্ত ভাষা শিকাৰ পথ একেবাৰে পৰিষ্কৃত ৰাজআলি হৈ যায়,--কৰিব জানো ?

পুনশ্চ—ইংৰাজীত এইবিলাক আখৰৰ যদি প্ৰকৃত উচ্চাৰণ কৰা উচিত হয়, তেনে অসমীয়াত লিখিবৰ সময়তো সেই সেই আখৰৰ দ্বাৰাই লিখিব লাগিব। এতেকে সংক্ষেপতে আখৰো লাগে, শিক্ষাৰো প্ৰয়োজন হয় ; অৰ্থাৎ বৰ্জন প্ৰস্তাবিত আখৰক বৰ্জিব নোৱাৰি, কথলক এৰিলেও কম্বলে আমাক নেৰে। আৰু যেতিয়ালৈকে বিশ্ববিদ্যালয়ত সংস্কৃত, আৰবী প্ৰভৃতি ভাষা অৱশ্যপাঠ্যৰূপে নিৰ্দ্দিষ্ট থাকিব, তেতিয়ালৈকে পূৰ্ব্বোক্ত আখৰসমূহৰ শিক্ষা আমাৰ অপৰিহাৰ্য্য ; এতেকে, অসমীয়া শিক্ষাৰ্থীয়ে বাল্যকালৰপৰাই যদি সৰল প্ৰণালীৰে লেখাৰ অভ্যাসকৰে, তেন্তে অভ্যাসবশতঃ সংস্কৃত আদি ভাষাতো তেনেকৈ শিকিব। বাল্যকালতে গ্ৰথিত অভ্যাস দুষ্পৰিহাৰ্য্য—Habit is the secend nature--"যন্নবেভাজনেলগ্নঃ সংস্কাৰো নান্যথাভবেৎ।" আজিকালিও ছাত্ৰবিলাকে অভ্যাসবশতঃ সংস্কৃত লিখোতেও ৰজা, তৰা, এক্ষাৰ লিখে। সৰল বৰ্ণবিন্যাস প্ৰচলিত হলে, অৱস্থা কিৰূপ ঘটিব তাক সহজে অনুমান কৰিব পাৰি। ফলতঃ শিক্ষা-পথত দুৰ্লঙ্ঘ্য বিন্ধ্য বা আল্পছ পৰ্ব্বত ঠিয় হব। বিদ্যাৰ্থীৰ মাজত কেইজন অগস্ত্য বা নেপোলিয়ন ওলাই কব পাৰিব— There shall be no Alps.—পৰ্ব্বত নাই, সুন্দৰ ৰাজআলি ?

( ঙ ) যদি কেৱল কামচলাৰ হে কথা হয়, তেন্তে মুঠে বৰ্ণ নহলেও আমাৰ কাম অচল নহয়। পৰ্ব্বতীয়া জাতিৰ কথা নকওঁ, আমাৰ মাজতো পুথি-পাজিৰ লগত সম্পৰ্ক নথকা অনেক আছে ; সেইবিলাকৰ কোনো কাম অচল হৈ থকা নাই, কিংবা কাব্যাদিৰ ৰসানুভৱ নথকাও নহয়। বৰঞ্চ শিক্ষিততকৈ নৰসৰ practical অভিজ্ঞতা সিবিলাকৰ বোধহয় অধিক হে। এতেকে কামচলাৰ পক্ষ ধৰিলে, বৰ্ণমালাৰ আদৌ প্ৰয়োজন দেখা নেযায়।

( ৮ ) সৰলতাৰ মহাপ্ৰস্থানঃ—

জটিল অৰ্থে উন্নতি, বিকাশ, সভ্যতা ; আৰু সৰলতাই অনুন্নতি, অপ্ৰকাশ, অসভ্যতা বুজায় নে ?

( ১ ) পৰিধান—আদিম জনক-জননী আডাম-ঈভৰ পৰিচ্ছদ কেনে সৰল! আমাৰ সনক সনাতন শৰ্ম্মাৰ পৰিচ্ছদো তদ্বৎ। হায়! সেই সৰল পৰিধানৰ দিন

(১) অথ (অনন্তৰ অৰ্থাৎ অপৰা বিদ্যাৰ নিষ্ফলত্ব কথনৰ পিছত) পৰা সৰ্ব্বশ্ৰেষ্ঠ। (ৰাজবিদ্যা হেতু ৰাজবিদ্যাৰ শ্ৰেষ্ঠত্ব বিষয়ে ভগবান শ্ৰীকৃষ্ণেও গীতাত কৈছে, "ৰাজবিদ্যা ৰাজগুহ্যং পবিত্ৰমিদমুত্তমম্।) যয়া ইংৰাজীবিদ্যয়া, তৎ ধৰ্ম্মাৰ্থ কামমোক্ষৰূপং, অক্ষৰং (সম্পূৰ্ণৰূপে) অধিগম্যতে (পোৱা যায়)। আধুনিক অনেকৰ অনুসৰণ কৰি এই ৰহস্যব্যাখ্যা কৰা হল, ক্ষমা কৰিব।

চিৰকালৰ নিমিত্তে আঁতৰিল! সৰু সৰু লৰাছোৱালী, কোনো পৰ্ব্বতীয়া সৰল জাতি আৰু নগ্নক্ষপণকৰ মাজত হে তেনে সৰল পৰিচ্ছদ অনধিক থাকিলে থাকিব পাৰে। যিহক কালক্ৰমে, পৰিচ্ছদ আগতকৈ জটিল হলেও আজিকালিৰ দৰে হোৱা নাছিল। দেখা যায়, বহুদিন পাছতো শঙ্কৰাচাৰ্য্যৰ সময়তো—"কোপিনবন্তঃ খলু ভাগ্যৱন্তঃ।" এই কোপিনৰ সৰলতা থাকিলেও মানুহৰ "নাই মামাৰ চাইতে কাণা মামাই ভাল" হলহেতেন কিন্তু বিধিৰ কেনে বিধান—কালৰ কেনে দোৰ্দ্দণ্ড প্ৰতাপ—মানুহৰ পৰিচ্ছদ ক্ৰমে ক্ৰমে জটিল, জটিলতৰ, জটিলতম হৈ পৰিছে। কাৰ অনুকৰণৰ ফলত? এই জটিলতম পৰিচ্ছদে আজিকালি ডাঙৰীয়াত্ব বা aristocracy, greatness-অৰ মানদণ্ড হৈ পৰা নাই জানো? 'কোপিন বন্তঃ' আজিকালি আৰু 'ভাগ্যৱন্তঃ' নহয়, বৰং হেটকোট্-বন্তঃ হে ভাগ্যৱন্তঃ। 'কোপিনবন্ত'ৰ প্ৰৱেশ সৰ্ব্বত্ৰ বন্ধ।

(২) খাদ্যৰ সৰলতাও আধুনিক সমাজৰপৰা খেদা খাইছে, আৰু জটিলতাই তাত ৰাজত্ব কৰিছে। কামৰণ, চৰ্ব্বণ, আৰু গিলন; অথবা ধৰণ আৰু গিলন; কেনে আশ্চৰ্য্য সৰল—কেনে অদ্ভুত বস্তু—কেনে আচৰিত পোন! এই সৰলতা কত কালপূৰ্ব্বৰপৰা চলি আহিছিল, নিৰ্ণয়কৰা টান। পণ্ডিত ডাৰউইনৰ মতে যিবিলাকে মানৱ জাতিৰ পূৰ্ব্বপুৰুষ, তেওঁবিলাকে এতিয়াকৈকে সেইসকল "ধৰণ আৰু গিলন পদ্ধতি পৰিহাৰ" কৰা নাই। সেইলোকৰ বংশধৰবিলাকে ভোজন-পদ্ধতিটোক কেনে জটিল কৰি লৈছে, দেখি বিস্মিত হব লাগে। বাল্মিকীৰ আশ্ৰমলৈ আহি বশিষ্ঠ শৰ্ম্মাই "সা কল্যানীয়া মড়মড়ায়িতা" কৰিলে, ইতো সিদিনাৰ কথা! কিন্তু এতিয়া কৰ্ষণ, বপন, সেচন, ৰক্ষণ, কৰ্ত্তন, আনয়ন, মাৰণ, আফলন, ফুকন, উৰণ, শোষণ, খুন্দন, চৰণ, চালন, পচন, ৰন্ধন, বণ্টন—ভোজন-গিলনৰ পূৰ্ব্বে অনট্ প্ৰত্যয়ৰ অন্তই নাইকিয়া হল! চাওক, কি বিষম জটিলতা! খাদ্য বিষয়ে 'গোপৰ্দ্দভৱৎ' সৰল পদ্ধতি কাৰবাৰ আছে জানো?

(৩) শৰীৰ—মানৱ দেহ কুঞ্চলিকাৰ তুল্য বা কদলী বৃক্ষৰ দৰে যদি সৰল হলহেতেন তেন্তে শৰীৰৰ বিদ্যাৰ্থীৰ পক্ষে শিক্ষাৰ পথ কেনে সহজ আৰু সৰলৰ হলহেতেন। Evolution বা ক্ৰমবিকাশ নিয়ম ইয়াৰ অনৰ্থৰ মূল। কোনো বৈজ্ঞানিকে নৰদেহৰ সৰলতা সম্পাদন কৰি ছাত্ৰৰ পৰিশ্ৰম লঘু কৰা হলে ভাল আছিল।

(৪) গানৰ সুৰ—কিন্নৰ আৰু গন্ধৰ্ব্বসকল বোধ হয় অশ্বমুগ অৰ্থাৎ গৰ্দ্দভ জাতীয় demigod আছিল, গতিকে এওঁলোকে গৰ্দ্দভৰ সুৰে সৰল গান কৰি ফুৰিছিল। আজিকালি পূৰ্ব্বৰ সেই সৰল সুৰৰ ঠাইত কিমান নতুন নতুন স্বৰে মেৰপাক খাই ধৰি গানক ইমান জটিল কৰিছে যে অনেকে গানৰ 'গ'কে নিচিনে। বৃষভৰ হাম্বা হাম্বা স্বৰ বা অশ্ব-গৰ্দ্দভৰ ধৈৱত হেষানাদ ৰাখি অন্য স্বৰক নিৰ্ব্বাসন দিলে সকলোৱে সৰল গান গাব পাৰিব; তেনে কৰিব জানো?

এইৰূপে, যিফালেই চায় সেইফালেই দেখিব জটিল—জটিল—মহাজটিল! সৰলতাৰ আধিপত্য সত্যযুগতে সমতীত হল। আজিকালি এই ঘোৰ কলিযুগত জটিলতাৰ আধিপত্য সমস্ত কছিয়া দেশেও গুচাব নোৱাৰে। এইৰূপ অৱস্থাত 'কঃ পন্থাঃ?'

স্থূলতঃ পথ বা সিদ্ধান্ত এই——

(১) আমাৰ ভাষাত যিবোৰ শব্দ পূৰ্ব্বৰপৰা আছে, বা লোৱা হব ধৰিছে, বা হব, সেই শব্দবিলাকৰ মূলৰ লগত যথাসম্ভৱ মিল ৰাখি উচ্চাৰণো কৰিব লাগে আৰু তেনেকৈ লিখিবও লাগে। গতিকে বৰ্ণবৰ্জ্জন কৰিব নোৱাৰি, বৰঞ্চ দুটা এটা নতুন বৰ্ণৰহে যোগহে প্ৰয়োজন হব।

(২) যি বৰ্ণৰ যেনে মূলগত উচ্চাৰণ তাক শিক্ষা কৰিবলৈ যত্নকৰা প্ৰয়োজন। বাল্যকালৰপৰা যত্ন কৰিলে পাছত সহজসাধ্য আৰু স্বাভাৱিক হৈ পৰিব। এনে কৰাত অসমীয়া ভাষাৰ অসমীয়াত্ব লুপ্ত নহয়; কাৰণ শব্দৰূপ, শব্দৰ আৰু ক্ৰিয়াৰ বিভক্তি প্ৰভৃতিৰ দ্বাৰাহে ভাষাৰ প্ৰকৃত পাৰ্থক্য। এই স্বতন্ত্ৰতা লুপ্ত নহয়।

(৩) অৱনতি যুগৰ বা প্ৰাকৃত জনব্যৱহৃত প্ৰাকৃত ভাষা অন্ততঃ উচ্চ সাহিত্য আদিত ব্যৱহাৰ নকৰি সাধিত শব্দহে প্ৰয়োগকৰা উচিত। প্ৰাকৃত ভাষাৰও চিৰদিনলৈ এটা স্থান থাকিব, সেই স্থান নাটক আদিত ব্যৱহৃত প্ৰাকৃত জনৰ ভাষা।



যিহক, কোন শব্দ, বিকৃত শব্দৰ নানাৰূপৰ ভিতৰত কোনৰূপ গ্ৰহণীয় ইত্যাদি বিষয়ে বহু আৰু বাৰংবাৰ আলোচনাকৰা কৰ্ত্তব্য। এই বিষয়ে আলোচনা সভা থাকিলে বা আলোচনাৰ সুবিধা কৰিলে ভাল হয়।

শ্ৰীযুক্ত শৰৎচন্দ্ৰ গোস্বামী দেৱলৈ আৰু তেখেতৰ পথানুসাৰীবিলাকলৈ আমাৰ গভীৰ শ্ৰদ্ধা, সমাদৰ আৰু স্নেহ আছে। নিতান্ত অনুৰোধ, গোস্বামীদেৱে আৰু তেওঁৰ তালৰ চেৰে চেৰে যিবিলাকে এতিয়া ছাপৰি মৰি এই বিষয়ে প্ৰসঙ্গ কৰি আছে, তেওঁলোকে যেন এই প্ৰতিবাদ আৰু তাৰ ভাষাৰ তৰলত্ব আদিৰ অৰ্থ মন্দভাৱে গ্ৰহণ নকৰে *

শ্ৰীলক্ষ্মীকান্ত মিশ্ৰ ভাগৱতী

---

# মহাৰাজ ৰাজেশ্বৰসিংহ স্বৰ্গদেৱ

## দশম আধ্যা

## বিবিধ ঘটনা

### নবাৱ কটকী

স্বৰ্গদেৱ ৰাজেশ্বৰসিংহ শিঙৰীঘৰ উঠাৰ পাঁচ বছৰমানৰ পাছত ৰবনবাবপৰা চাৰিটা ফুকন কটকীস্বৰূপে পত্ৰসন্দেশ লৈ স্বৰ্গদেৱৰ সৈতে দেখা-সম্ভাষা হবলৈ আহিছিল। বিদেশৰপৰা কটকী আহিলে তেওঁলোকক সম্ভাষণ জনাই অভ্যৰ্থনা জনোৱাৰ নিৰ্দ্দিষ্ট প্ৰথা আছিল, তাকে কটকী-তোলা বোলে। সেইমতে বুঢ়া চিৰিংফুকন, ভগী বুঢ়াগোঁহাই, চতাই-অলীয়া দোলৰক্ষা বৰগোঁহাই এই কিজনে উপযুক্ত ঠাইত নবাৱ কটকীক সম্ভাষণ জনালে। তেওঁলোকক মেজেঙ্গাত তুলি ম'হৰ মুৰ শিঙে সৈতে সিজাই তিনিওজনা আমীয়া বিষয়াই ভাত খুৱালে। তাৰ পাছত স্বৰ্গদেৱে নিজে গঁড়গাঁৱৰ চোলোঙত নবাৱ কটকীক তুলিলে। কটকী কিজনক ৰৰদুৱাৰৰ মুখৰ হাতীশালত থোৱা হৈছিল। কটকী-তোলাৰ দিনা, স্বৰ্গদেৱৰ বিশেষ আজ্ঞামতে তিনিজনা ডাঙৰীয়া, ৰৰুৱা, ফুকন, ৰাজখোৱা, চমুৱাফুকন, বৰুৱা, হাজৰিকা সকলোৱে নিজ নিজ যোগ্যতা অনুসাৰে পাগজেমা বস্ত্ৰ-অলঙ্কাৰ পিন্ধিলে; আৰু কাঁড়ীৰ শইকীয়া বৰা পাইক পৰ্য্যন্ত সকলোৱে ভাল ভাল বস্ত্ৰ পিন্ধি সভালৈ আহিছিল। ৰজাঘৰীয়া বিষয়াৰ সংখ্যা সৰহ দেখুৱাবলৈ স্বৰ্গদেৱে আজ্ঞা দিলে যে সভালৈ অহা মানুহবোৰে তিনিসাজকৈ বস্ত্ৰ ভিনে ভিনে সলাই পিন্ধি আহাযাত আৰু ওলোৱা-সোমোৱা কৰিব। নবাৱ কটকী কিজনা কিন্তু বৰ নোমটেঙৰ মানুহ আছিল, তেওঁলোকে কলে,—"হয়, স্বৰ্গদেৱৰ মানুহ বিস্তৰ, তথাপিচোন আলিৰ বনকে মৰা নাই।"

### বঙালী ৰাজীকৰ

আজিকালি বিদেশী মানুহে ভোদা অসমীয়াৰ আগত ফাকটি-ফুকুটা দেখুৱাই পইচা সৰকোৱাৰদৰে আগৰ দিনতো বিদেশৰপৰা নানা মানুহ আহি ৰজা আৰু প্ৰজাৰপৰা ছল-ফন্দ কৰি পইচা উলিয়াইছিল। কাৰণ তেতিয়া অসমৰ অৱস্থা জয়জয়-ময়ময়; ওচৰ-চুবুৰীয়া ৰাজ্যৰ অৱস্থা সিমান টনকিয়াল নাছিল। ৰাজেশ্বৰসিংহ স্বৰ্গদেৱে এযোৰা বঙালী ৰাজীকৰ অনাই নানান ৰং-তামোচা

---

* তেজপুৰ সাৰস্বত সভাত পঠিত।

কৰাইছিল। বজাদেৱে বংশৰৰপৰা সেই ৰং চাইছিল। এই যোৱা বাজীৰ ওস্তাদ এজনী তিৰোতা মানুহ আছিল, তাইৰ লগত আৰু জনীদিয়েক আছিল। বাঁহৰ চাং কৰি সিইঁতে বাজী দেখুৱাইছিল। বাজীৰ ভিতৰত চুণতীয়া আমৰ পুলিত আম লগোৱা আৰু ত্ৰিশূলৰ ওপৰত নচা-টোৱেই প্ৰধান আছিল। স্বৰ্গদেৱে এই বাজী দেখি পৰম আনন্দ পালে, আৰু বাজীকৰা কেজনীক এহেজাৰ ৰূপ বঁটা দিলে। সেইখিনি সময়ত ৰাজ্যৰ ঐশ্বৰ্য্য-সমৃদ্ধি ভৰপূৰ, এনে এটা সামান্য আমোদৰ কাৰণে স্বৰ্গদেৱে এহেজাৰ ৰূপ দান কৰিবলৈ কুণ্ঠাবোধ নকৰিছিল। কিন্তু কমলেশ্বৰসিংহ ৰজাৰ দিনত যেতিয়া ৰাজ্যৰ অৱস্থা বেয়া হৈ আহিল, তেতিয়া দেশৰ খৰচত নানা উপায়ে হাত টানি ধৰিব লগাত পৰিল। স্বৰ্গদেৱ কমলেশ্বৰসিংহই বঙালৰ পৰা এযোৰা বাজীকৰ অনাইছিল। সিহঁতে দেখুওৱা ৰং-তামোছাত আনন্দ পাই স্বৰ্গদেৱে সিহঁতক দিছিল মাপোন ৰূপ চাৰি শ টকা।

## ডফলাৰ উপদ্ৰৱ

অসম উপত্যকাৰ নীতি-কাষৰীয়া ডফলাইঁতে পৰ্ব্বতৰ পৰা নামি নামনীৰ নিৰ্জ্জু প্ৰজাৰ ওপৰত মাজে মাজে উপদ্ৰৱ কৰি আছিল। সিইঁতক একেবাৰে দমনকৰা একৰকমে অসম্ভৱেই আছিল। ১৬৮০ শকত সিইঁতে খিলাধাৰীৰ ওচৰ-চুবুৰীয়া ঠাইত আকৌ অত্যাচাৰ কৰেহি। এই উৎপাতৰ প্ৰতিশোধ লবৰ মনেৰে ডফলাইঁত ভৈয়ামলৈ অহা বাটবোৰ আমাৰ সেনাই কৌঠ দি মাৰি পেলালে। সমগলৈ ওলোৱা-সোমোৱাৰ মুৰ মৰাত ডফলাইঁতৰ সজাতিয়ে আগেয়ে আমাৰ ধৰি নিয়া মানুহখিনি ওল-সন্দেশে সৈতে স্বৰ্গদেৱৰ ঠাইত সোধালেগৈ। ডফলাইঁতৰ এই বোৰ ফন্দ হেন বুলি স্বৰ্গদেৱে সিইঁতৰ সজাতিক ধৰি বন্দী কৰাই থোৱালে। ইয়াতে ডফলাইঁতে আমাৰ কিছুমান মানুহ আৰু দুটা ৰেবিলৈ ধৰি লৈ যায়। এনেতে ডফলাইঁতৰ লগত আমাৰ সন্ধিস্থাপন কৰা হয়। এই সন্ধিমতে ডফলাইঁতে ডফলা দুৱাৰৰ ওচৰচুবুৰীয়া মানুহৰপৰা বছৰি খৰমূৰ ধান এপুৰাকৈ আৰু তিনি-শ একুৰিকৈ কঁড়ি লব পৰা হল। ডফলাইঁতে আকৌ আগৰ নিচিনাকৈ কাকো একো অপঘাত নকৰো বুলি গাত ললে।

## মিকিৰৰ বিৰুদ্ধে যুদ্ধযাত্ৰা

১৬৮৭ শকৰ শাওণ মাহত স্বৰ্গদেৱে চাপানগাৰ বাটেদি মিকিৰৰ বিৰুদ্ধে জলমবটাৰ ন্যায়সোধা ফুকনক সৈন্যসামন্ত দি পঠালে। তেওঁ তৰেদি গৈ মিকিৰক আক্ৰমণ কৰিবৰ কথা আছিল। পানীয়েদি গৈ মিকিৰৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ স্বৰ্গদেৱে সন্দিকৈৰ দৈয়ঙীয়া ৰাজখোৱাক পঠিয়ালে। কিছুদিনৰ মূৰত দুয়ো সেনাপতি সৈন্য-সামন্ত সৈতে 'নাবেনামৰ' পৰ্ব্বত পালেগৈ, আৰু তেওঁলোকৰ আজ্ঞামতে আমাৰ সৈন্যই মিকিৰৰ ঘৰবাৰী আৰু ভৰাল পোৰা হল। মিকিৰৰ গাওঁ লুৰি দা বাটি কোৰ যাঠি ছাগলী আদি নানা বস্তু পোৱা গল। তাৰ পাছত স্বৰ্গদেৱৰ সৈন্য আহি ৰহাচকীত বাহৰ কৰিলেহি। সেই ৰহাতে মিকিৰইঁতে জুমবান্ধি ওল-সন্দেশস্বৰূপে বহুত বাহানি লৈ আহি সন্ধি আৰু শান্তিৰ কাৰণে ন্যায়-সোধা ফুকনক ভেটিলেহি। ফুকনে টাঙনী ৰাজখোৱাৰে পৰামৰ্শ কৰি স্বৰ্গদেৱলৈ মিকিৰে ৰবিৰ খোজা বাতৰি জনাই পঠালে। এই কথা শুনি স্বৰ্গদেৱে ন্যায়সোধা ফুকনক আৰু টাঙনী ৰাজখোৱালৈ আদেশ দি পঠালে যে মিকিৰক বঁটা-প্ৰসাদ দিব লাগে, আৰু নিজ নিজ গাৱঁত সংস্থাপন কৰিব লাগে।

## কচাৰী ৰজাৰ স্বৰ্গদেৱ বৰণ

মিকিৰৰ বিৰুদ্ধে ৰণ কৰিবলৈ যোৱা ফুকন, ৰাজখোৱা, সেনাপতিসকলক স্বৰ্গদেৱে কটকীৰ দ্বাৰা জনাই পঠালে যে কচাৰী ৰজা সন্ধিকাৰীক উজনীলৈ পঠিয়াব লাগে। অসমৰ কটকীয়ে কচাৰী ৰজাক এই কথা কোৱাত ৰজাই কটকীক বন্দী কৰি উজনীলৈ যাবলৈ অনিচ্ছা প্ৰকাশ কৰিলে। এই বাতৰি শুনি স্বৰ্গদেৱে বৰ অসন্তোষ পালে; ৰজাই তিনিজনা ডাঙৰীয়া, কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা আৰু অন্যান্য বৰুৱা-ফুকনক মাতি মেলত বহি ইয়াৰ প্ৰতিকাৰ-বিধানৰ উপায় আলোচনা কৰিলে; কাৰণ কচাৰী ৰজাই ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ দিনৰেপৰা বিশেষভাৱে আহোম ৰজাৰ শৰণাগত হৈ আহিছে। সেইজনা স্বৰ্গদেৱৰ দিনত কচাৰী ৰজা তাম্ৰধ্বজৰ ৰাজ্য জয়ন্তাই চামিল কৰি লবৰ মনস্থ কৰি তাম্ৰধ্বজক বন্দী কৰে। স্বৰ্গদেৱে চৰাবধা কৰাতো জয়ন্তাৰ ৰজা ৰামসিংহে তাম্ৰধ্বজক এৰি নিদিলে। ইয়াতে প্ৰতাপী ৰুদ্ৰসিংহ স্বৰ্গদেৱে জয়ন্তাৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰি জয়ন্তীপুৰ দখল কৰিলে। তাৰ পাছত বিশ্বনাথত দৰবাৰ পাতি স্বৰ্গদেৱে তাম্ৰধ্বজক নিজৰ শৰণাগত কৰাই পুনৰ কচাৰী ৰাজ্যত সংস্থাপন কৰে। তাম্ৰধ্বজৰ মৃত্যুৰ পাছত তেওঁৰ ন-বছৰীয়া পুত্ৰ শূৰদৰ্প নাৰায়ণক স্বৰ্গদেৱে কটকী পঠাই কচাৰী ৰজাৰ সিংহাসনত বহুৱায়। এইদৰে তাম্ৰধ্বজৰ দিনৰে পৰা কছাৰী ৰজাই আহোম স্বৰ্গদেৱক বছৰি কৰ দিয়াৰ আৰু বছৰি এবাৰ স্বৰ্গদেৱক দেখা-সম্ভাষা কৰাৰ নিয়ম চলি আহিছিল। এই বিষয়ে কমলেশ্বৰসিংহৰ দিনত কচাৰী কৃষ্ণচন্দ্ৰ নাৰায়ণে ভদৰী বৰবৰুৱালৈ দিয়া চিঠিত লিখিছিল,—"যখন গাব শত্ৰু মধ্য হইতে শ্ৰীৰুদ্ৰসিংহ স্বৰ্গদেৱে ৰাজা তাম্ৰধ্বজকে উদ্ধাৰ কৰিয়া শ্ৰীশ্ৰীবিশ্বনাথ ক্ষেত্ৰে দক্ষিণ উকতে শিবসিংহ মহাৰাজাক বৈসায়া পিতাপুত্ৰ সম্বন্ধ সত্যধৰ্ম্ম কৰিয়াছল, তদবধি উভয়দেশেৰ অভেদানুবৎ ছিলু, প্ৰীতিপূৰ্ব্বক মতে গঙ্গাস্ৰোত চলি গৈছেন।"

সেই গঙ্গাস্ৰোত সদৃশ প্ৰীতি লঙ্ঘনকৰাৰ বাবে স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহই পাত্ৰমন্ত্ৰীৰ উপদেশ লৈ ১৬৮৭ শকৰ আহিন মাহত সন্ধিকাৰীৰ বিৰুদ্ধে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাক চোলাধৰা ফুকন, তামুলী দলৈৰ নাতিয়েক, ফুকন, ৰাজখোৱা, হাজৰিকা, আৰু শইকীয়াৰ দলে এক বাহিনী সৈন্য কচাৰী ৰাজ্যলৈ পঠালে। বৰবৰুৱা সৈন্য-সামন্ত লৈ ৰহাচকি পাই তাতে বাহৰ কৰি থাকিল, আৰু সেনাপতিসকলেৰে সমালোচন হৈ কচাৰী ৰজা সন্ধিকাৰীলৈ কটকী পঠাবলৈ থিৰ কৰিলে। সৈন্য-সেনা লৈ বৰবৰুৱা যোৱা বাৰ্ত্তা পাই কচাৰী ৰজাই অসমৰ কটকীক সম্ভাষণ জনালে, আৰু তিনিজনা কোঁৱৰে সৈতে বৰবৰুৱাৰ শৰণাপন্ন হলহি। স্বৰ্গদেৱৰ সহায় পাবৰ অভিপ্ৰায়েৰে মণিপুৰৰ ৰজা জয়সিংহ কৰ্ত্তা মহাৰাজো বৰবৰুৱাৰ সৈতে দেখাসম্ভাষা হল। আঘোণ মাহত বৰবৰুৱাই এই দুই ৰজাক লৈ উজনীলৈ যাত্ৰা কৰিলে। সন্ধিকাৰীয়ে স্বৰ্গদেৱক চাৰিটা হাতীদাঁত, আঠোটা হাতী, দুখন কাপোৰ আৰু ভালেমান বস্ত্ৰ উপহাৰ দিলে। স্বৰ্গদেৱেও বৰবৰুৱাৰ পুতেক চন্দ্ৰহাস ডেকাবৰুৱাক আজ্ঞা দি জাওনা আদি কৰোৱালে, আৰু কচাৰী ৰজা সন্ধিকাৰীক সোণৰূপ কলহ বঁটা প্ৰসাদ দি নিজ ৰাজ্যলৈ ওভোতাই পঠিয়ালে। বিনাযুদ্ধে চতুৰ্দ্দিকৈ দাতিপৰীয়া ৰজাক স্বৰ্গদেৱৰ শৰণাপন্ন কৰাৰ আপাহত স্বৰ্গদেৱ ৰাজেশ্বৰসিংহই কীৰ্ত্তিমন্ত বৰবৰুৱাৰ গেন্ধেলা নাম গুচাই কীৰ্ত্তিচন্দ্ৰ থলে।

## জয়ন্তীয়া ৰজা

ৰুদ্ৰসিংহ স্বৰ্গদেৱে জয়ন্তা ৰজা ৰামসিংহক বন্দী কৰি নিজ ৰাহৰলৈ লৈ যায়। তাতে ৰামসিংহৰ মৃত্যু হয়, আৰু তেওঁৰ উত্তৰাধিকাৰী জয়নাৰায়ণো স্বৰ্গদেৱৰ বন্দী হয়। জয়নাৰায়ণে স্বৰ্গদেৱক নিজৰ দুগৰাকী কন্যা যৌতুক দিয়ে আৰু মুক্তিলাভ কৰে। তেতিয়াৰেপৰা জয়ন্তাৰ ৰজাসকলে প্ৰকাৰান্তৰে আহোম স্বৰ্গদেৱসকলৰ প্ৰাধান্য স্বীকাৰ কৰি আহিছিল। ১৬৯০ শকত জয়ন্তাৰ ৰজা বৰগোঁহাঁয় সৈন্য-সামন্ত সহিতে অসমৰ সীমান্তত দেখা দিলেহি। এই কথা কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই ৰাজেশ্বৰসিংহ স্বৰ্গদেৱক এই বুলি জনালে,—"জয়ন্তাৰ ৰজা আমাৰ ৰাজ্যৰ পোনে অহাৰ অভিপ্ৰায় কি তাক সুধিবলৈ কটকী পঠোৱা ভাল। আৰু ৰজাক ধৰি আনিবলৈ বৰুৱা ফুকন জনচেৰেককো পঠিয়াব লাগে।" বৰবৰুৱাৰ প্ৰস্তাৱত স্বৰ্গদেৱে সম্মতি দেখুৱালে। কিন্তু স্বৰ্গদেৱে তিনিজনা ডাঙৰীয়া বৰুৱা ফুকনে সৈতে এই কথা আলচোতে বিষয়াসকলে কলে,—"জয়ন্তা ৰজাৰ তালৈ কটকী পঠোৱাৰ সকাম নাই। ৰজা যদি আহিল ভাল, যদি নাহিল তেনেহলে আমাৰ কুযশ হব।" এনেতে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই স্বৰ্গদেৱক জনালে,—"ৰাক, সেই দায় মোৰ। স্বৰ্গদেৱে আজ্ঞা কৰিলে, স্বৰ্গদেৱৰ পুণ্যপ্ৰতাপৰ বলে মই জয়ন্তা ৰজাক আনি দিব পাৰো।" ৰজাদেৱে বৰবৰুৱাৰ কথাতে হয় বুলিলে। কামদেৱে কটকীক আগকৰি পঠিয়াই, ১৬৯০ শকৰ চতৰ ১২ তাৰিখ বুধবাৰে বৰবৰুৱা আৰু পুতেক উমা চোলাধৰা ফুকনে জয়ন্তা মাৰিবলৈ গজপুৰৰপৰা

মহাচক্ৰিবৰুৱাকলৈ যাত্ৰা কৰিলে। বতৰা পাই, অসম আৰু জয়ন্তাৰ ঠায়ে ঠায়ে ৰবৰুৱাই বৰহিলৈ পাতিলে। এই কথা শুনি জয়ন্তা ৰজাই ভয় পাই বিভঙ্গ হৈ নিজ দেশলৈ উভতি গল।

## আলি, দ'ল, পুখুৰী, আদি নিৰ্ম্মাণ

স্বৰ্গদেৱ ৰাজেশ্বৰসিংহৰ দিনত একপ্ৰকাৰ ৰণ-বিগ্ৰহৰপৰা অব্যাহতি পাই দেশ সুস্থিৰ আৰু সমৃদ্ধিশালী হোৱাত স্বৰ্গদেৱে তলত নাম দিয়া আলি, দ'ল, পুখুৰী আদি নিৰ্ম্মাণকৰাবলৈ সুযোগ পাইছিল। এইবোৰ কাৰ্য্যত ৰাজভঁৰালৰ ধন বেছি ভগন নহৈছিল, কাৰণ সেই কালৰ নিয়মমতে এক গোটৰ এক পাইকে ৰজাঘৰীয়া বন কৰি দিব লাগিছিল; যুদ্ধ-বিগ্ৰহ নোহোৱাত ৰজাঘৰীয়া পাইকক আনি, দ'ল-পুখুৰী আদিৰ নিৰ্ম্মাণ কাৰ্য্যত লগাব পৰা গৈছিল। প্ৰতিগোটৰ ঘৰত বহিথকা দুটা বা তিনটা পাইকে ৰজাঘৰীয়া বনকৰা পাইকৰ মাটিবাৰী চাহ-কৰি দিব লাগিছিল। শিৱসিংহৰ দিনৰেপৰা ৰাজেশ্বৰসিংহৰ দিনলৈকে প্ৰায়বোৰ মন্দিৰৰ নিৰ্ম্মাণকাৰ্য্য তৰুণদুৱৰাৰ পৰিয়ালৰ সংকুৰন আৰু বিষয়াসকলে তদাৰক কৰিছিল। তেওঁলোকৰ নাম সেই মঠ-মন্দিৰৰ লগতে যুগমীয়া হৈ আছে।

(১) বহিগোৱা বৰফুকনৰ আলি। (২) ডেকা বৰবৰুৱাৰ আলি। (৩) পুখুৰী কাঠকটীয়া বৰুৱাৰ আলি। (৪) গড়গাঁৱৰ তলাতল ঘৰ। (৫) ৰংপুৰৰ তলাতল ঘৰ। (৬) জুটপীয়া ৰঘটো ৰংঘৰৰ ওচৰত দ'লঘৰৰ দৰে সৰু পকী ৰংঘৰ। (৭) নীলাচলৰ কেদাৰনাথৰ মঠ, ১৬৭৩ শক। (৮) প্ৰমত্তসিংহৰ দিনত আৰম্ভকৰি ৰাজেশ্বৰসিংহৰ দিনত সম্পূৰ্ণ হোৱা ৰুদ্ৰেশ্বৰ দেৱালয়ৰ মন্দিৰ দুৱাৰ, ১৬৭৪ শক। (৯) গুৱাহাটীৰ বশিষ্ঠৰ সভামণ্ডপৰ পশ্চিম দুৱাৰ, ১৬৭৪ শক। (১০) নৱগ্ৰহ বা চিত্ৰাচলৰ মন্দিৰ আৰু পুখুৰী, ১৬৭৪ শক। (১১) মণি-কৰ্ণিকেশ্বৰৰ দ'ল, ১৬৭৭ শক। (১২) হাজোৰ কেদাৰৰ মন্দিৰৰ গড়, ১৬৮০ শক। (১৩) নীলাচলৰ দুৰ্গা মন্দিৰ, ১৬৮১ শক। (১৪) কামৰূপ সিদ্ধেশ্বৰ দেৱালয় মন্দিৰ, ১৬৮৪ শক। (১৫) দৰঙ্গৰ বাসুদেৱৰ মন্দিৰ, দক্ষিণপাট, ১৬৮৬ শক। (১৬) নগাঁৱৰ বাসুদেৱৰ মন্দিৰ দক্ষিণপাট, ১৬৮৬ শক। (১৭) বশিষ্ঠাশ্ৰমৰ মন্দিৰ, ১৬৮৬ শক। (১৮) নেমেকীটিং বা মেৰেগাঁৱৰ দ'ল আৰু পুখুৰী, ১৬৯০ শক।

## ৰামকৃষ্ণ ওঁৱালীবৰুৱা

যাদ তামুলীৰ পুতেক ৰামকৃষ্ণ ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ দিনৰ এজন পৰম সাহসিক আৰু দেশ-প্ৰেমিক পুৰুষ আছিল। কিন্তু দুৰ্ভাগ্যবশতঃ তেওঁ বুৰঞ্জীৰ উপেক্ষিত। তেওঁৰ কথা কোনো এখন বুৰঞ্জীত ধাৰাবাহিকৰূপে পোৱা নাযায়। কেইখানো বুৰঞ্জীত উল্লিখিত কেইবাটাও ঘটনাৰপৰা ৰামকৃষ্ণৰ অসীম সাহসিকতা দেশপ্ৰেম, প্ৰভুভক্তি আৰু উপস্থিতবুদ্ধিৰ পৰিচয় পোৱা যায়।

কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাক চক্ৰান্তকাৰীসকলে হত্যাকৰিবলৈ গাত দাবে কুবিয়াওঁতে, সেই সময়ত ৰামকৃষ্ণই নিজৰ জীৱনলৈ কটাক্ষ নকৰি কেবাটাও দুৰ্দ্দান্ত হত্যাকাৰীৰ হাতৰপৰা বৰবৰুৱাক ৰক্ষা কৰে। বৰবৰুৱাৰ এনে দুৰ্যোগ আৰু আগন্তুক বিপদ দেখি ৰামকৃষ্ণই তত্ৰালিকে তেওঁক সাৱটমাৰি ধৰে। তেনে কৰাত নাজিৰাহটীয়া ৰতিকান্ত আদি চোৰে বৰবৰুৱাক আধাকটা অৱস্থাতে এৰিবলৈ বাধ্য হল।

ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ মৃত্যুৰ পাছত লক্ষ্মীসিংহ স্বৰ্গদেৱ ৰাজপাটত বহাত মোৱামৰীয়াই অৰাতিয়া হৈ বিদ্ৰোহকৰি ৰংপুৰ ললৈ যাত্ৰা কৰিলে। একো উপায় নাপাই স্বৰ্গদেৱে পাত্ৰমন্ত্ৰী কুঁৱৰী-জীয়ৰী সকলৰে সৈতে ৰংপুৰ এৰি কাটমতী বা চিন্তামণি গড়তে আশ্ৰয় ললেগৈ। কীৰ্ত্তিচন্দ্ৰ বৰুৱাই কলীয়াবৰলৈ ভটিয়াই গৈ সৈন্য-সামন্ত যোগাৰ কৰি পুনৰ ৰাজ্য উদ্ধাৰ কৰিবলৈ স্বৰ্গদেৱক পৰামৰ্শ দিলে। কিন্তু ভটিয়াবলৈ হলে নাও-নাৱৰীয়া আৱশ্যক। সেইবোৰ ডোমৰ হাতত। তাতে অধিকাংশ ডোম মোৱামৰীয়া মহন্তৰ শিষ্য। গতিকে নাও-নাৱৰী বিচাৰোতে বৰবৰুৱা কৃতকাৰ্য্য নহল। ৰামকৃষ্ণ কিন্তু এলাপেচা বিধৰ মানুহ নাছিল। নাও-নাৱৰী নাপাই স্বৰ্গদেৱ পাত্ৰমন্ত্ৰী বিমোৰ হৈ থাকোঁতে ৰামকৃষ্ণই আহি জনালেহি,—"মই আঠেকুৰি টকা ধৰলৈ নাওখনমিয়েক যোগাৰ কৰিছোঁ, সেই নাও আহিব লাগিছে।" ৰামকৃষ্ণৰ এই কথা শুনি স্বৰ্গদেৱ আকৌ



হল। ইয়াৰ কিছু পাছতে মৰাণে আহি স্বৰ্গদেৱক বন্দী কৰিলে, আৰু কীৰ্ত্তিচন্দ্ৰ পাছলৈ বৰবৰুৱাক সপুত্ৰে বধ কৰিলে। মৰাণৰ বৰবৰুৱা ৰাঘই ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ বৰকুঁৱৰী ক্ষত্ৰিয় সতী কুৰঙ্গনয়নীক বলেৰে ভাৰ্য্যাৰূপে গ্ৰহণকৰিলে, আৰু বৰুৱা ফুকন আদি ভাল ভাল ঘৰৰ এশজনী গাভৰু ধৰি আনি ৰাঘমৰাণ এশ ভাৰ্য্যাৰ স্বামী হল। মৰাণৰ হাতত লক্ষ্মীসিংহ স্বৰ্গদেৱে মৰ্ম্মান্তিক লাঞ্ছনা-অপমান ভোগকৰিলে। এইদৰে স্বৰ্গদেৱ, পাত্ৰমন্ত্ৰী আৰু গাভৰুসকলৰ অপমান আৰু নিৰ্য্যাতন, আৰু দেশৰ স্বাধীনতা লোপত ক্ষুব্ধ হৈ মৰাণক মাৰিবলৈ যি ষড়যন্ত্ৰ কৰা হয় তাৰ মূলত ৰামকৃষ্ণ প্ৰধান আছিল। ৰংপুৰৰ কাৰেঙত ৰাঘ বৰবৰুৱা আৰু ৰমাকান্ত ৰজা ইমান সাৱধানে থকা স্বত্বেও ৰামকৃষ্ণই কুৰঙ্গনয়নীৰ লগতে সঙ্গোপনে দেখাসাক্ষাৎ হৈ মৰাণবধৰ সকলো ষড়যন্ত্ৰ কৰিবলৈ ধৰিলে। এই ষড়যন্ত্ৰত আনো কেবাজন অসমীয়া বিষয়া আৰু মগলু মানুহ ৰামকৃষ্ণৰ সহায়কাৰী আছিল। ষড়যন্ত্ৰকাৰীসকলৰ ভিতৰত এইসকল প্ৰধান আছিল,—যাদ তামুলীৰ পুতেক ৰামকৃষ্ণ, দোলবন্ধা বৰগোঁহাইৰ পুতেক বাইলুং গোঁহাই, কুঁৱৈগীয়া বুঢ়াগোঁহাই ফৈদীয়া হাজৰিকা, মৰাণপাতৰৰ ফৈদৰ হাজৰিকা, ৰকতিয়ালৰ ফৈদৰ ভদ্ৰসেনৰ দুই ভায়েক, আৰে দুজনা দলায়েক, লাহনৰ ফৈদীয়া নেওগ-গোঁহাইৰ ঘৰৰ ডেকা, লাইসন্দিকৈ ফৈদীয়া ৰাঘগুৰু, বুঢ়াগোঁহাইপৰীয়া দেওবিলীয়া পাচনি, ৰামনাথ, দফলা দুৱৰীয়া ঘৰৰ মোহন, বৰগোঁহাই বিলতীয়া কেকেৰু হাজৰিকা, জাতত কলিতা, কহন, আপইতা, আৰু ডাঙৰীয়া কেইঘৰৰ পো-ভাই কিছু আৰু বহুতো কিছু। এওঁলোকে ভোগবাৰীত একেলগ হৈ এৰা-এৰি নকৰিবলৈ আৰু বিশ্বাস নেভাঙিবলৈ গুৰুঘৰলৈ চাই শপত কৰিলে।

ৰামকৃষ্ণই কুৰঙ্গনয়নীক এটা সঙ্কেত শিকালে, সেই সঙ্কেত পোৱা মাত্ৰে কুৰঙ্গনয়নীয়ে ৰাঘৰ গাত কোৰ মাৰিবলৈ অঙ্গীকাৰ কৰিলে। মৰাণৰ হাতত বন্দী হৈ থকা লক্ষ্মীসিংহ স্বৰ্গদেৱকো গোপনে এই ষড়যন্ত্ৰৰ কথা জনোৱা হল। বহাগৰ বিহুৰদিনা ৰাঘ আৰু নাহৰ প্ৰমুখ্যে মৰাণৰ আগত হুচৰী-গীত আৰম্ভ হল। সেই ছদ্মবেশী অস্ত্ৰধাৰী হুচৰীগাওঁতাসকলৰ মাজত সৰ্ব্বপ্ৰধান আছিল ৰামকৃষ্ণ, ৰামনাথ আৰু বৰগোঁহাইৰ ভাগৰ ডুঞাৰ ঘৰৰ থলিকৰৰ নৰা পাছলৈ চোলাধৰা ফুকনৰ বাব লৈ কলিতা-ফুকন হোৱাজন। পূৰ্ব্বৰ কথামতে ৰামকৃষ্ণই সঙ্কেত দিলে। সেই সঙ্কেতমতে ৰাইজৰ আগত আঠুলৈ ভেটে কুৰঙ্গনয়নীয়ে ৰাঘমৰাণৰ কান্ধনীত তৰোৱালেৰে ঘা মাৰিলে। ৰাঘ হামখুৰি খাই পৰিল, এনেতে ৰামকৃষ্ণ হুচৰীৰ মাজৰপৰা আহি ৰাঘক তৰোৱালেৰে কুবিয়াই মাৰিলে। এইদৰে ৰামকৃষ্ণ বীৰে দেশৰ স্বাধীনতা উদ্ধাৰকৰাত আগৰণুৱা হৈছিল। সেইসময়তে ৰামকৃষ্ণৰ মানুহে নাহৰখোৱা মৰাণ, ৰমাকান্ত আৰু নাহৰৰ দুই ভাৰ্য্যা ৰাধা আৰু ৰুক্মিণীক বধকৰে।

ইয়াৰ পৰিণামে লক্ষ্মীসিংহ স্বৰ্গদেৱে পুনৰ সিংহাসন লাভকৰে। মৰাণ মৰাত আপাহ পাই স্বৰ্গদেৱে ৰামকৃষ্ণক ওঁৱালী বৰুৱা, ৰামনাথক চাৰিঙীয়া বৰুৱা আৰু কলিতাক চোলাধৰা ফুকন পাতিলে। ইতিপূৰ্ব্বে এই চোলাধৰা ফুকনৰ বাব অতি বিশ্বাসী আহোমকহে দিয়া হৈছিল। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ পুতেক চন্দ্ৰহাস. পোনতে চোলাধৰা ফুকন আছিল। কলিতাৰ সাহসিত আৰু ৰাজভক্তি দেখি তিনিজনা ডাঙৰীয়া বৰুৱা-ফুকনসকলে স্বৰ্গদেৱলৈ জনাই পঠালে,—"কলিতা ফুকন যাক বোলে, ই হিন্দু নৰা। ই যি যি কাৰ্য্য কৰিছে ভাল আহোম অনেক পুৰুষে স্বৰ্গদেৱৰ খাই পিন্ধি থকাতো এনে কাৰ্য্য কৰিব পৰা নাই। কলিতা ফুকনে স্বৰ্গদেৱৰ তেনে কাৰ্য্য কৰিছে। এতেকে আমাৰ লগৰ এটা। এতেকে চোলাধৰা ভাণ্ডাৰ খন আৰু দিবলৈ আমি প্ৰাৰ্থনা কৰিছোঁ।" কিন্তু কলিতাই চোলাধৰা ফুকনৰ বাব পাই আৰু ৰজাৰ প্ৰধান খাটনিয়াৰ হৈ অনেক অকাৰ্য্য কৰিলে। ইয়াতে পাত্ৰমন্ত্ৰীসকলে স্বৰ্গদেৱক খাটিলে যেন কলিতা ফুকনক ৰাজচৰাত নাৰাখি তামোলবাৰীলৈ খেদি দিয়া হয়। ৰজা আৰু বিষয়া অসন্তুষ্ট হোৱা গম পাই, আৰু তেওঁৰ বাঢ়ি অহা প্ৰতিপত্তি লঘু হোৱাৰ আগন্তুক দেখি কলিতা ফুকনে দিনে-ৰাতি ঘৰত নাম গোৱাই সবাহ কৰিছিল।

ৰামকৃষ্ণ কলিতা ফুকনৰ সঙ্কটৰ বন্ধু আছিল, তাহানি

নিজৰ জীৱনৰ পোনে কেৰেপ নকৰি দুয়ো মৰাণৰপৰা দেশ উদ্ধাৰ কৰিছিল। এনে আপদকালৰ মিত্ৰ কলিতা ফুকনৰ মান টুপি অহাত ৰামকৃষ্ণই বৰ দুখ কৰিলে। কলিতা ফুকনৰ নামগোন্ধা সভাত ৰামকৃষ্ণই যোগ দিলে। ৰামকৃষ্ণৰ জীৱনৰ শেষ পৰিণামৰ বিষয়ে আমাৰ অজ্ঞাত বুৰঞ্জীলিখকে কয়— "দিনে-ৰাতিয়ে কলিতা ফুকনে ঘৰত নাম গাই সবাহ কৰিছিল। তাতে যাদৰ পুতেক ৰামকৃষ্ণায়ে মাটীকঠাল খাই পেটত ধৰি দুপৰমৰা ৰাতি মৰিল। তিনিপৰ মৰাত ফুকনে মানুহ দি তাৰ ঘৰলৈ দি পঠালে, ৰাতিয়ে খৰিও দিলে, পুৱাহে সকলোৱে জানিলে।"

এনে কৃতী পুৰুষৰ এই ধৰণৰ অপ্ৰসিদ্ধ মৃত্যু পৃথিৱীৰ বুৰঞ্জীত বিৰল নহয়!

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

---

# পাউকাৰৰ পৰাচিত

(চুটি গল্প)

নাম আছিল তেওঁৰ মিষ্টাৰ পাউকাৰ। এসময়ত তেওঁ আছিল এজন আসামৰ জয়পুৰ অঞ্চলৰ মোকালজান চাহ-বাগিচাৰ মেনেজাৰ, অৰ্থাৎ তাৰ হৰ্ত্তা-কৰ্ত্তা-বিধাতা আৰু ইচ্ছা হলে একেগোৰে ডেম্-নিগাৰইতৰ 'পিলাই' ফালি দিব পৰা বীৰপুৰুষ।

তেওঁৰ জন্ম হেনো 'খাছ' বিলাতত; অৱশ্যে কোন শহৰ কি মাহত, কোন তাৰিখে, কোন বাৰে, কেতিয়া কোন লগ্নত, ক'ত কেনে অৱস্থাত তেওঁৰ জন্ম হৈছিল, তেখেতৰ পিতাক কোন, পদবী কি, কোন কুলত তেখেত অনুগ্ৰহকৰি জনম লৈ সেই কুল পোহৰাইছিল, সেই বিষয়ে আমি একো নাজানো, বুৰঞ্জীও নিমাত। ইচ্ছা হলে "পোত্তনি তত্বাত্তিক্ত"সকলে চেষ্টাকৰি চাব পাৰে— আমোচা কৰবাত ইয়াৰ ভুং পায়েই।

ইয়াকে মাত্ৰ জানিব পাৰিছো, সৰুৰেপৰা তেওঁ 'খয়ৰাতী এতিম খানাত' (অনাথৰ-আশ্ৰমত) খাই-বৈ আছিল; খয়ৰাতী পাঠশালাত ৩টা চাৰিটা বি-এল-এ-ৱে পঢ়িছিল, আৰু নিতো নতুন একেবাৰে মৌলিক একোটাইত দুষ্টালি কৰি আশ্ৰম-তত্বাৱধায়কসকলৰ মাধমাৰ খাই আৰু বেছি উপদ্ৰৱী হবলৈ দৃঢ় চিত্তেৰে সাজু হৈছিল।

নিশ্চিন্তমনে 'দান খয়ৰাত' পাবলৈ পাই মিষ্টাৰ পাউকাৰ দিনকদিনে পাওৰুটিৰ দৰে ওফন্দি আহিবলৈ ধৰিলে, লাহে লাহে ২৪ ২৫ বছৰ বয়সত ভৰি দিলেগৈ। বিদ্যাৰ ফালে 'ব্যে' হলেও ডাড়িয়ে-গোফে খণ্ডে-বাগে দুষ্টালিয়ে-ডগাবাজিয়ে একেবাৰে "খাস্থি কলন্দৰ— আক্কেল মে বন্দৰ" হৈ উঠিল। ঠিক এনে সময়তে ভাৰতৰ কথা তেওঁৰ "কাণের ভিতর দিয়া মরমে পশিল তার পরাণ করিল আনচান্।"

শুনিবলৈ পালে—'ভাৰত' বুলি হেনো ঠাই এডোখৰ এছিয়াৰ কোনোবা এচুকত আছে, আৰু তাৰ ব্লডি বাসিন্দাবোৰ হেনো ডেম্ ব্লেক! এঙেঠুৰা কলা!! সংখ্যাত অলেখ অগণন— কিন্তু কি হব—সিহঁত এটাইবোৰ কাপুৰুষ, কানীয়া — 'পিলাইৱালা'; মুখৰ ভাত কাউৰীয়ে খালেও ছুঃ বুলিবলৈ শকতিনথকা পিতমৰা! পত্ত এজাক। ছুবই নোৱাৰি— একেবাৰে চেঁচুকৰ দামড়েউকা। হেই ঔ' বুলি চৰণ-পদ্মেৰে যেই পৰশিলা, একেবাৰে দীঘল হৈ পৰি গল। 'পিলাই' ফাটি দাঁত নিকটাই গল! কিন্তু ঠাইখন হলে—সপোনৰ অপ্সৰীস্থানো তাৰ আগত নেওচা যক! খোৱা-বোৱা পিন্ধা-উৰা ধন-সোণ হীৰা-মাণিক কোনে 'পোছে' তাত? কিমান খাবা খোৰা— কিমান লবা লোৱা; অন্ত নহয়, সীমা নাই, শেষ নাই। এমাহ থাকি তাৰ পৰা 'মস্ত' এটা লৰ্ডৰ আপোককাক হৈ আহিব পাৰি। ইত্যাদি ইত্যাদি শুনি বুকুখন তেওঁৰ ঢিপ্লিং ঢিপ্লিং কৰিবলৈ ধৰিলে, মুখৰ লালটিৰে বুক-পেট বুৰি গল, খোৰাবৰণীয়া খোপা চকু চটা দেওলাই পৰিল,



জিভা লকলকাবলৈ ধৰিলে, আৰু শ্ৰীমুখেদি মধুময় বাণী ওলাল—'Me mist gu India' (I must go to India) 'হাম যায়েগা, লুটেগা, ইণ্ডিয়াকা বিলকুল্ দৌলৎ লুট লায়েগা, "Deer dey" (Do or die) বুলি সাগৰৰ বুকুত জাপ দিলে, অৰ্থাৎ জাহাজত উঠি কলা মানুহৰ দেশলৈ শুভ-যাত্ৰা কৰিলে।

ভাৰতলৈ আহি কিছুদিন অ'ত-ত'ত ছকা-হকা দি খাই ঘূৰি ফুৰি নিজৰ গঞ্জাসকলক খাটি-মেলি অৱশেষত বঙ্গদেশৰ নীলকুঠি এটাত সোমাল। ঈশ্বৰৰ পানী মেলি বেগ চোৱা বোগটো বৰ বেছি; তেওঁৰ ইচ্ছাত লাহে লাহে গৈ পাউকাৰৰ সেই নীলকুঠিৰ মেনেজাৰ হৈ উঠিল। তেতিয়া জানিবা তেওঁক, নেগুৰ কাটি বাঘক চোঙত হে মেলিলে।

বাপেকৰ মুখ দেখিবলৈ নোপোৱা, নিজৰ মাকে গলগ্ৰহ বুলি দলিয়াই পেলোৱা এই মিষ্টাৰ পাউকাৰে তেওঁৰ কেচুৱা কালৰেপৰা ২৫ বছৰীয়াটোলৈকে যি দুখন হাতেৰে পৰৰ কৃপা আৰু ভিক্ষাগ্ৰহণ কৰি বৰ্ত্তিছিল আৰু জীৱনধাৰণ কৰিছিল, সেই দুখন হাতেৰেই এতিয়া ভাৰতৰ নিৰীহ লোকা দীন-দৰিদ্ৰবিলাকৰ ওপৰত নানানৰকমে অত্যাচাৰ উপদ্ৰৱ কৰি তাৰ পিশাচ প্ৰকৃতি ফুটাই তুলিলে। মৰা-কটা আদি অত্যাচাৰ উৎপীড়নেৰে সেই সময়ত গোটেই ভাৰত আনকি বিধাতাৰ আসন পৰ্য্যন্ত কঁপাই দিছিল। নীলকৰবিলাকৰ সেই অমানুষিক অত্যাচাৰৰ কথা লিখি অন্ত কৰিব পৰা কলমশাস্ত্ৰ এজন আজিলৈকে জন্মা নাই বুলি বিজ্ঞানসম্মত প্ৰমাণ হৈ গৈছে!

মিষ্টাৰ পাউকাৰে সেই নীলকুঠিত ৰংছাহাব হৈ মতলীয়ালি উম্বত'লি কৰি নিজ প্ৰভুত্ব প্ৰকাশকৰি থকা কালত মুক্তকেশী বুলি বঙালী তিকতা এজনী তেওঁৰ ৰক্ষিতা স্বৰূপে আছিল। অকল মুক্তকেশীয়েই নহয়, মুক্তকেশী, বন্ধকেশী, এলোকেশী আদি বহুতো ভাত-কাপোৰহীনা দুৰ্দ্দশাগ্ৰস্তা, অনাহাৰ, অৰ্দ্ধাহাৰক্লিষ্টা ধাঁকৰী আজলী তিৰুতাক ছলে-বলে-কৌশলে আৱশ্যক হলে মাৰ-কিল কৰি ধৰি আনি দুই-চাৰিদিন 'মেম' বনাই ৰাখি পাছত কুকুৰৰ দৰে হেই হেই কৰি খেদাই দিয়া ধৰ্ম্ম আছিল আমাৰ মিষ্টাৰ পাউকাৰৰ আৰু সেই সময়ৰ পাউকাৰৰ নিচিনা বহুতো য়ুৰোপীয় মহামতিৰ।

এই মুক্তকেশীকো সেইদৰে অলপদিন ৰাখি আনবোৰৰ দৰে নিৰুপায় নিৰাশ্ৰয় কৰি খেদাই দিলে। তাইৰ গৰ্ভতথকা নিজ সন্তানকণলৈও পাষণ্ডৰ দয়া নহল। তাইৰ ভাত এমুঠি—কাপোৰ এডুখৰিৰো একো দিহা কৰি নিদিলে। তাইৰ কুল, মান, সমাজ, আত্মীয়-কুটুমক তাই আগেয়েই হেৰুৱালে; এইবাৰহে তাইৰ সকলো গল; আনকি পেটৰ ভাতমুঠিৰ কাৰণে পুৱা-গধূলি কুৰিপৰ কুৰিঘৰত কান্দি-কাটি মাগিব ফুৰিবলগীয়াত পৰিল।

এইদৰে অনাহাৰে অৰ্দ্ধাহাৰে কিছুদিন যোৱাৰ পাছত তাইৰ লৰা এটি জন্ম হল। হতাশ-বিমোৰ মুক্তৰ তপ্ত বুকুত আকৌ কিঞ্চিৎ আশাৰ সঞ্চাৰ হল। কেইদিনমানৰ পাছত এদিন সুযোগ চাই কেচুৱাকণক ধুৱাই-মেলি খাৰ-পানীৰে ধোৱা এলেন্ধুৱা ফটা শাৰী এডোখৰেৰে মেৰাই লৈ "জগন্মাতা সৰ্ব্বমঙ্গলাক" মনে মনে চিন্তি মেনেজাৰ ছাহাবৰ বঙলা পালেগৈ; আশা—পেটৰ পোৱালিটিক দেখি কিঞ্চিৎ কৃপা-কৰুণা হলেও হব পাৰে। বঙলাৰ ভিতৰলৈ সোমাবলৈ সাহ হোৱা নাই, বঙলালৈ উঠা জখলাডালৰ তলতে ভয়-চিন্তাত কঁপি কঁপি কৰুণ চকুৰে ভিতৰৰ ফালে চাই আছে, আৰু মনে মনে সত্য নাৰায়ণৰ নামে পাঁচ পইছাৰ "চিৰ্ণি" আগ বঢ়াইছে। ঠিক এনেতে মত্ত মাতঙ্গগমনেৰে ৰংছাহাব ওলাই আহি সপুৰুত্ত সপুত্ৰা মুক্তক দেখি খঙত লাজত মগহু ঘূৰি গল; কিন্তু আত্মগোপনত পাৰ্গত শঠ কপট পাউকাৰে মনৰ কথা মনতে থৈ কুটিল হাঁহি মাৰি তাইক ওপৰলৈ উঠিবলৈ হুকুম দি ভিতৰলৈ সোমাই গল। আহা! মুক্তৰ হিয়া আশা-আনন্দত নাচি উঠিল, জানোচা ঈশ্বৰে আজি চকুমেলি চায়েই। ছাহাবৰ কৰুণা-কণা ভিক্ষা পাব,—তাই নেপালেও পেটৰ পোণাকণেতো পাব। ইয়াকে ভাবি খপথপকৈ জখলা বগাই বঙলাৰ বাৰান্দাত সজাই-থোৱা চকি এখনত বহি ললেগৈ। জখলা-বগোৱা অভ্যাস

তাইৰ পূৰ্ব্বৰে আছিল, এতিয়া পুনৰ কপাল মুকলি হোৱা দেখি অধৈৰ্য্য হৈ পৰিল। চকিত তাই পূৰ্ব্বাধিকাৰ পুনৰ প্ৰাপ্তিৰ পৰ্য্যন্ত যহা নাছিল, সেই হেৰোৱা মাণিকৰ পুনৰউদ্ধাৰত আশাৰ আবেগ আৰু আনন্দৰ প্ৰবলতাত ইমান অধিৰ অধৈৰ্য্য হৈ পৰিছিল যে তাইৰ অনাগাৰ অবতনত শুকাই-খীণাই থৰী-যেন হোৱা শৰীৰ কঁপিবলৈ ধৰিলে, প্ৰত্যেক অস্থিবোৰ তাইৰ জৰস আৰু শিথিল হৈ পৰিল, চকুৰে ধোঁৱাঁ-কোঁৱা দেখিলে, কাণত সহস্ৰ বীণাৰ ঝংকাৰ শুনিবলৈ ধৰিলে ; সেইহে তাই ৰণচণ্ডৰে ওচৰৰ চকি এখনত বহি পৰিল ; ঠিক এনে সময়ত ছাহাবৰ হাতত থোৱা কোবোৱা বেত এডাল লৈ সাক্ষাতে ছয়তানৰ দৰে আবিৰ্ভূত হৈ চিৰঅভাগী জনম-দুখুনী মুক্তৰ মূৰৰপৰা ভৰিলৈকে পতাপত পতাপত মাৰ সোধাবলৈ ধৰিলে। তাই বহিথকা চকিখন তেজেৰে ৰাঙলি হৈ পৰিল, আৰু তাইৰ কপালৰ তেজ এজোলোকা পৰি ছাহাব মহাশয়ৰ ক'লা ডগধা এমিউনিশ্যন্ বুটযোৰ শোণিতৰঞ্জিত কৰি তাইৰ অন্তৰৰ অন্তৰতম প্ৰদেশৰ গভীৰ কৃতজ্ঞতা জনালে। তাইৰ মুখত মাত নাই, দেহৰ কোনো গোটেই শৰীৰ তাইৰ ছিৰা-ছিৰ ; নাকে-কাণে গালে-মুখে, হাতে-ভৰিয়ে, বুকুৱে-পিঠিয়ে সহস্ৰমুখে তেজৰ সোঁত বৈছে, তথাপি— তথাপি মুক্তৰ মুখত মাত নাই, চকুত পানী নাই ; আই বসুমতীৰ দৰে সহনশীলা, ধীৰ স্থিৰ গম্ভীৰ। ইমানতো কিন্তু বীৰবৰৰ বীৰত্বৰ অন্ত নাই, কোবৰ ওপৰত কোব, গোবৰ ওপৰত গোব, অবিৰল অবিৰামভাৱে চলিবই লাগিছে। অকল মুক্তই নহয়, কবলৈ কলিজা ফাটি যায়, কেনেবাকৈ কিবা হয় বুলি ভয়ে বিপদতো নিজৰ প্ৰাণলৈ আওকাণকৰি মুক্তই বুকুত সুমাই চেপা মাৰি লৈ থকা পানীকেচুৱা কণৰো কুসুম-কোমল পিঠিত দয়াৰ অৱতাৰ, ক্ষমাৰ আধাৰ মহাপ্ৰভু যীশুখ্ৰীষ্টৰ পৰম ভক্ত মহামতি পাউকাৰে সেই বেতেৰে খৃষ্টাবলম্বীসকলৰ পবিত্ৰ ক্ৰছ চিন আঁকি দি মনুষ্যত্বৰ পৰিচয় দিছিল। এই ঘটনা হওঁতে বঙলাত বহুতো মানুহ আছিল, সকলোবোৰেই ভাৰতবাসী কলা-আদমি ; তাৰে কিছুমান মুক্তৰ দৰে ছাহাবৰ ৰক্ষিতা বঙালী তিকতা, আনবোৰ খানছামা, বেহেৰা, চাপৰাছি, আৰ্ডালী আদি বঙলাৰ চাকৰ-নাকৰ। সিহঁতে আদিৰে-পৰা এই ঘটনা দেখি আছিল ; কিন্তু নিৰৱ নিৰ্ব্বিকাৰ সিহঁতৰ স্বদেশী স্বজাতী স্বধৰ্ম্মী সহায় সাৰথিহীনা বিধৱা দুখিনী এজনীক বিদেশী বিধৰ্ম্মী এটাই এনেদৰে অমানুষিক অত্যাচাৰ কৰাতো মুখৰ মাত একেবাৰেৰে হকাবধা দিবলৈ কাৰো সাহ নহল, প্ৰাণহীন পুতলাৰ দৰে নিমাত নিৰৱ হৈ চৰেই থাকিল,—মাত মাতিলে জানোচা ছাহাবৰ ক্ৰোধাগ্নিত সিহঁতো ছাই হৈ উৰি যায়! হায়! ভাৰবাসী ... ... ... ... ; নকওঁ ; তইতৰ অৱস্থা দেখি পুতৌহে হয়।

সিহঁতৰ ভিতৰৰ এগৰাকী তিকতাই, তাইও মুক্তৰ দৰে ৰক্ষিতা এজনী, অৱশেষত মৰসাহ দি লৰি আহি মুক্তক হাতত ধৰি বঙলাৰ তললৈ নমাই নি থবলৈ যাবলৈ কলে। মুক্তইও কেঁকাই-গেঁথাই কোনোপ্ৰকাৰে ঘৰৰ ফালে খোজ লৈছিল ; তাকে দেখি বীৰ ইংৰাজৰ বীৰতেজ এইবাৰ দুগুণে উজ্জ্বাৰখাই উঠিল। পেচকী নামে তেওঁৰ ভালুক যেন ভয়ঙ্কৰ কলী কুকুৰজনী মুক্তৰ ওপৰত ফেটাই দিলে। মুক্ত এই বঙলাত "মেম ছাহাব" (!) থকা কালত 'পেচকী' কুকুৰে সদায় মুক্তৰ হাতৰ পৰা টষ্ট, বিস্কুট, ৰষ্ট ফাউল, মটন পিছ জপিয়াই জপিয়াই খোৱা অভ্যাস আছিল ; এতিয়াও প্ৰভুৰ আজ্ঞাপাই প্ৰভুভক্ত কুকুৰে একেজাপে গৈ মুক্তৰ কোলাৰ কেচুৱাটিকে মঙহডোখৰ বুলি গালতে কামোৰ লোধাই মঙহ একামোৰ লৈ আহিল। "কেঁক" হে মাথোন কৰিলে—লৰাৰ আৰু মাত নোলাল। এইবাৰ বাসুকীৰ গা লৰিল, পৰম সহনশীলা আই বসুমতী কঁপি উঠিল—'বা বা গো, গেলাম গো! ৰক্ষা কৰ, ৰক্ষা কৰ ; সৰ্ব্বভয়হৰা ত্ৰিলোক তাৰিণী মা!"— বুলি কোলাৰ কেচুৱা কোলাতে লৈ ধঁাচকৰে পৰি মুক্ত তাতে মূৰ্চ্ছা গল।

অন্তৰত অলপ মনুষ্যত্বৰ বীজ থকা কোনোবা এজন ভাৰতীয় উকিলৰ সাহায্য পাই সেইদিনাই মুক্তই অত্যাচাৰ অপমানৰ আৰু লৰাৰ খোৰাকীৰ বাবে স্থানীয় আদালতত ছাহাবৰ বিৰুদ্ধে গোচৰ জনালে। কিন্তু কি হব? পাই



কাৰ্শলা ডালত উঠিল।' আদালতৰ ছমন পায়েই বীৰবৰ পাউকাৰে নিজৰ ভালি-টোপোলা তাতে এৰি কেৱল নগদ টকা-সিকা আৰু কোম্পানীৰ হাতে ঢুকি পোৱা তহবিল-খিনিও চপাই-কোচাই লৈ সাগৰৰ সিপাৰলৈ জাপ দিলে অৰ্থাৎ ঘৰৰ লৰা ঘৰলৈ গল। আৰু তেওঁক পায় কোনে?

ইয়াৰ পাছত আমি আৰু ভালেমান দিন তেওঁলোকৰ বুজ-বাতৰি নাপাওঁ। এইদৰে প্ৰায় কুৰি বছৰ গল। এদিন অকস্মাত জানিব পাৰিলো ৬।৭ বছৰমান হল, আৰিকাটিৰ হাতত পৰি কুলীৰ চালানত আহি মুক্তই পুতেকৰে সৈতে আসাম জয়পুৰ অঞ্চলৰ মোকালজান চাহ-বাগিচাত কুলীয়নী কাম কৰি আছে। তাইৰ পুতেকৰ নাম পট্কা, বয়স ২০।২১ বছৰ। হাত-ভৰিবোৰ শকত আৰত, দশে-প্ৰস্থে নিয়মীয়া, চুলিবোৰ ধপ্তুৱা মূৰৰ ধপাতৰ ধোঁৱাত বিবৰ্ণ হোৱা ডাড়ি-গোঁফৰদৰে বিবৰ্ণ, আৰু গাতীৰ নোমবদৰে ঠিয় শকত আৰু কৰ্কশ ; নাকটো ফোঁপোলা ; অতি পৰিশ্ৰম, দুৰ্ভাৱনা দুঃচিন্তাত আৰু খোৱা-বোৱাৰ অভাৱজনক শোক-কষ্টত গাৰ বৰণ বিবৰণ আৰু মুখখন ৰদে-কোবোৱা, গালত সেই কুকুৰে কামোৰা চিন। মুক্তৰো সেই অৱস্থা, আগৰ সেই কোমল লাৱণ্য শ্ৰী নাই! চাওঁতাল ভুৰী আদি কুলীৰ লগত খাই-বৈ থাকি-মেলি আকৃতি-প্ৰকৃতিত ঠিক তাৰে কুলী হৈ পৰিছে। পুতেক পাট্কাই ছাহাবৰ বঙলাত বেহেৰাৰ কাম কৰে, মুক্তই পাতছিঙা, পাতল কোৰমৰা, আদি বাগিচাৰ কাম কৰে।

ইয়াৰ অলপ দিনৰ পাছত সেই বাগিচাৰ বৰছাহাবজন এবছৰৰ ছুটিত বিলাতলৈ গল আৰু তেওঁৰ ঠাইত আন এজন ছাহাব আহিল। এদিন এই নতুন ছাহাব কামজাৰিলৈ ওলাই যাওঁতে মুক্তই দূৰৈৰপৰা তেওঁক দেখি একেবাৰে বিমোৰ বিবুদ্ধি হল, তাইৰ মনত আকাশী সৰগ ভাগি পৰিল। সেই মুখ, সেই চকু, সেই নাক, সেই কাণ, সেই চুলি, সেই গোফ, দাঁত দুপাৰিৰে চেপামাৰি ধৰি সেই পাইপ-খোৱাৰ ভঙ্গী, সেই মতলীয়া গচগতি, সকলো ঠিক ; কেৱল বয়স অলপ বাঢ়িছে। কি কৰিব? কলৈ যাব? মুক্তৰ গাত ৰং নাইকিয়া হল। ছাহাবে বাগানত পাক এটা মাৰি আন এফালে সুহুৰি বজাই গুচি গল। তাৰ ক্ষন্তেক পাছতে বুকুৰ বিষৰ 'অজুহাত' কৰি মুক্ত বহালৈ গুচি গল। সন্ধ্যাৰ পাছত দীঘলকৈ ওৰণী টানি এন্ধাৰত গা ঢাকি মুক্ত ডাক্তৰ বাবুৰ তালৈ গৈ তেওঁক সকলো কথা ভাঙি ছিঙি কৈ উপায় সুধিলে। বাগিচা ডাক্তৰ বাবুজন বঙালী ভদ্ৰলোক, লৰা তিকতা লৈ ইয়াতে বহুত দিন কাম কৰি আছে। মুক্তৰ পূৰ্ব্ব ঘটনাবোৰ তেওঁৰ জনা আছিল, এতিয়া পুনৰ শুনি সকলো কথা এবাৰ ভাবি-চিন্তি চাই নৰিয়াৰ ছুটি দি নিজৰ ঘৰতে লুকাই ৰাখিলে আৰু পুতেকক লৈ সিমান সোণকালে পাৰে পলাই যাবলৈ বুদ্ধি দিলে।

যাক দেখি মুক্তৰ ইমান চিন্তা-ভয় আৰু ডাক্তৰ বাবুৰ লগত যুক্তি-পৰামৰ্শ, তেওঁ আমাৰ সেই পুৰণি বন্ধু মিষ্টাৰ পাউকাৰ ; এতিয়া ইয়াত মিষ্টাৰ টি, ডব্লু ইউ, পাৰ্কাৰ (T. W. Parker) ছদ্মনামে ছদ্মবেশে মেনেজাৰৰূপে অৱতীৰ্ণ হৈছেহি, আৰু তেওঁৰ সেই পূৰ্ব্ব-জীৱনৰ পুনৰাভিনয়ত মহা উদ্যম-উৎসাহৰে লাগি গৈছে। নিৰীহ কুলীৰ ওপৰত সেই আগৰদৰে মাৰ-কিল গালি-গালাজ আদি অত্যাচাৰ উপদ্ৰৱ চলাই নিজ জাতিৰ আৰু ধৰ্ম্মৰ জয়-পতাকা উৰাইছেহি। এনে অভাৱনীয়ৰূপে তেওঁৰ লগত দেখা হোৱাত ভয়তে মুক্তৰ হাত-ভৰি পেটতে লুকাল। তেতিয়াই পুতেকক আনি সকলো কথা কৈ শেষত কলে—"চলৰে পট্কা, পালাই। নাই হলে ঐ থালভৰা নেধুৱাৰ হাতে তোৰ আৰ হামাৰ জান যাবেক।"

পট্কা—"ঠিকেই নাকি মা, ঐটাই হামাৰ বাপ লাগে? তুই ঠিক্ চিনছিছ তো?"

মুক্ত:—"আৰে কি বলছিছ তুই? হামি তাকে নাই চিনিব! ওৰ লম্বাটা হামাৰ এই ঠিনে লিখা আছে যে লিখা আছে। ও যখন হাম্‌কে মেম কৰে ৰাখছিলেক ঐ তখন কাৰ লক্ষা, আৰ যখন ও তোকে আৰ হাম্‌কে মাৰে মাৰে আধাজান কৰকে তাড়াই দিলেক নহয়, সেই তখন কাৰ লক্ষা, এই ছুনোটা হামাৰ ছাতিতে লিখা আছেক, ঐ ... ... বেটাকে হামি ভুলব? ঠিক চিনেছি। চল এখন ছুনোটাই জলদি মলদি পালাই, নাইত ওৰ হাতে হামদেৰ জান বাঁচাবেক নাই।"

পট্‌কা—"আচ্ছা মাই পালাব, ঠিকেই পালাবৰে পালাব। হামাৰ একটা কাম আছে, এটা কৰেলি ছবুৰ কৰ, তাৰ পৰ ছ মা বেটাই হাম্‌ৰা এখন যাইগাই পালাব ছালাৰ ছায়েব হামদেৰ কখনও না ধৰতে পাৰবেক। এখন তুই চুপ কৰে এইখানে ছাপাই থাক।"

এই কথা-বতৰাৰ পাছত কেইদিনমান উল্লেখযোগ্য একো ঘটনা হোৱা নাছিল। পটকাই আগৰদৰে বঙলাত কাম কৰিয়ে আছে, মুক্তই নৰিয়া ছুটি লৈ ঘৰৰ ভিতৰতে লুকাই সোমাই আছে অতি সাৱধান আৰু সতর্কভাৱে।

এইদৰে দহ বাৰ দিন গল। এদিন ছাহাবে বন্দুক গুলি ঠিক কৰি লৈ চিকাৰলৈ যাবলৈ ওলাল, লগত ললে সেই পটকা বেহেৰাক। মোকালঙ্গান বাগিচাৰ সীমা পাৰ হৈ জয়পুৰ বজাৰেদি আহি ছৰ্কাৰী ঘাটৰ নাৱত উঠি দিহিং নৈ পাৰ হৈ টিপাম ধাঁকিয়াল গাৱঁৰ মাজেদি সোমাই একেবাৰে ছৰ্কাৰী পতিত জঙ্গলৰ মাজ সোমাল। বাঁহ-বেত আৰু আন আন ঘন গছ-গছনিয়ে ঘন ডাল-পাতেৰে আবৰি ঠাইডোখৰ জেকা-চেচুকীয়া কৰি থৈছে। সূৰ্য্য-ডাঙৰীয়াৰ তাত প্ৰৱেশ-অধিকাৰ নাই বুলিলেই হয়, কদাচিত হে ডাল-পাতৰ ফুকডাই তেওঁৰ ৰশ্মিৰাশিৰ একোণে লুকাই-চুৰকৈ ভুমুকি মাৰি সেই থলবাসীক সূৰ্য্য-দেৱতাৰ অস্তিত্বৰ পৰিচয় দিয়ে। বনৰীয়া হাতী বাঘ-ভালুকৰ লীলাভূমি এই ঠাই; পৰ্ঘ্‌মা, হাইঠা, কুকুৰা, ডৰিক আদি ইয়াত বহুত; তাৰ লোভতেই হে আজি আমাৰ পাউ-কাৰ, ওৰফে T. W. Parker, ওৰফে মোকালঙ্গান বাগিচাৰ বৰছাহাব, সশৰীৰে সসস্ত্ৰে—সহাস্যচৰে ইয়াত উপস্থিত।

বহুত শ্ৰম-চেষ্টাত কিছুমান চৰাইৰ ইহলীলা সাঙ কৰি বীৰবৰ পাউকাৰে ঘৰলৈ উভটিবৰ মনকৰি বন্দুকটো বেহেৰাৰ হাতত দি পেণ্টৰ জেপত দুইখন হাত সুমাই, মুখত শকত-আৱত দীঘল চুৰত এডাল গুঁজি ফোঁ-ফোঁকৈ ধোঁৱা উৰাই ভোঁ-ভোঁকৈ গৈ আছে, আৰু তেওঁৰ পাছে পাছে বন্দুকটো কান্ধত লৈ তাতে মৰা চৰাইবোৰ আৰু কাৰ্টিজৰ টোপোলাটো ওলোমাই লৈ বেহেৰা বপুৰিয়ে বেগ দিছেহে হয়, ছাহাবৰ লগধৰিব পৰা নাই, ক্ৰমশঃ পাছহে পৰিছে।

গধূলি হৈছেহি। দিনৰ দিনটো ভয়ে ভয়ে আপি-ছত কাম কৰিও ছাহাবৰ আৰু বৰবাবুৰ ছুটা কথা শুনি কোনোমতে দৈনিক কামখিনি সোপা-গোঁজা মাৰি শেষ কৰি এতিয়া ছুটিৰ পৰত দুখে-বেজাৰে ভোকে-ভাগৰে অৱস-ক্লান্ত হৈ হাতভ-ৰিবোৰ অলপ জাৰি-জোকাৰি পোনাই ছুটিৰ ঘণ্টালৈ কাণঠিয়কৈ বহি থকা পৰত নকৈ বিয়া কৰি অনা প্ৰিয়তমাৰ ৰূপহ লাজুকী মুখখনি মনত পৰাত অমোলা বাবুৰ মুখখনি আনন্দত ৰঙা পৰি যোৱাৰ দৰে সূৰ্য্য দেৱতায়ো আজিৰ দৈনিক হাজিৰা পূৰাই ঘৰমুৱা হবৰ পৰত কিহৰ আশা-আনন্দত জানো পকা থেকেৰাটো যেন ৰঙা হৈ পৰিছে। আন্ধাৰ হাবিতলীয়া ঠাইৰ অন্ধকাৰ ডাঠ হৈ গোট মৰা দি মাৰিছে। অলপ আঁতৰৰে একোকে ভালকৈ দেখা নাযায়, ছাঁটোকে বাঘটো যেন দেখি উচাপ খাই উঠিব লগাত পৰে। ঠিক এনেতে পাছৰপৰা পট্‌কা বেহে-ৰাই হঠাত মাত লগালে—"ছাহাব!" ভয়-বেজাৰত নে উৎসাহ-আনন্দত কব নোৱাৰো, মাতটো তাৰ কঠোৰ, কৰ্কশ আৰু অস্বাভাৱিক যেন শুনা গল। সি কিবা বনৰীয়া জন্তুৰ মুখত পৰি চিয়ঁৰিছে বুলি ছাহাবে উভতি তাৰ ফালে লৰ দিলে। ওচৰ পাই দেখে,—ইকি কথা! চৰাইৰ টোপোলা, কাৰ্টিজৰ 'বেগ' দূৰত পেলাই ছাহাবৰ ফালে বন্দুক টোঁৱাই সাক্ষাত যমৰ দৰে সি ঠিয় দি আছে। মুখত কথা নাই, চকুয়ে তাৰ জুই বৰষিছে, নাকেদি ফোঁচ-ফোঁচ শব্দে ঘনঘন নিশ্বাস পৰিছে, ভৰি দুখন থৰথৰকৈ কঁপিবলৈ ধৰিছে, মূৰৰ চুলিবোৰ একে-বাৰে ঠিয় হৈ পৰিছে, তাৰ প্ৰত্যেক অঙ্গ-প্ৰত্যঙ্গ, প্ৰত্যেক ভাব-ভঙ্গীত এটা উত্তেজনা আৰু পৈশাচিক ভাব ফুটি ওলাইছে। ছাহাবে দেখি অতি আচৰিত হৈ সুধিলে:—

"কি হল বেহেৰা, কিয় এনে কৰিছ?"

বেহেৰা:— "কিয় এনে কৰিছোঁ! কুকুৰ, সুধিছ আকৌ কিয় এনে কৰিছো? পাপি! নৰক!!"



বেহেৰা:— "কি কৈছ তই ডেম! জোতাৰে দাত ভাঙিম তোৰ, জনা নাই!"

বেহেৰা:— "সেই দিন আৰু নাই তোৰ "চুয়ৰ"? তোৰ 'ডেম্' আৰু জোতাৰে দাঁতভঙা দিন আৰু নাই; এতিয়া তোৰ নিজৰ পাপ-প্ৰাণ ৰক্ষা কৰ। তোৰ আজি মোৰ হাতত মৃত্যু, তোৰ মৃত্যু-বান মোৰ হাতত।"

ছাহাব:— (খঙত আৰু ভয়ত বিততহৈ) "হাঃ হাঃ হাঃ!! নেটিভ নিগাৰ কালা আদমীৰ হাতত সুসভ্য বীৰ ইংৰাজৰ মৃত্যু! 'পাগল' হৈছ তই ৰাস্কেল! পাগলামি এৰ, নহলে একে গোৰে তোৰ 'পিলাই' ফালি দিম।"

বেহেৰা:— এতিয়াও সেই অহঙ্কাৰ যোৱা নাই গৰ্ব্বিত! বেছ, চা তেনে কাক কোনে বধে; ল' তোৰ যীশুৰ নাম ল' পাপি! আৰু সময় নাপাবি। তোৰ অন্তিম কাল উপস্থিত, অনুতাপ কৰ নৰকি, ইষ্টদেৱতাৰ নাম ল।" (বন্দুক টোঁৱায়)

ছাহাব:—"ইকি! ইকি!! কি কৰ তই? সঁচাকৈয়ে তই মোক মাৰিবি?"

বেহেৰা:— "সঁচা-মিছাৰ প্ৰমাণ এই মুহূৰ্ত্ততে পাবি মূৰ্খ, পলম নাই। খবৰদাৰ, লৰচৰ নকৰিবি; তাতে থিৰ হৈ ঠিয় দি থাক, এখোজ লৰিলেই চাৰি-একে গুলীতে তোৰ মূৰৰ খোলা উৰাই দিম।" (বন্দুকৰ ঘোৰাত হাত দিয়ে)

ছাহাব:— "বাৰু মই থিৰে আছোঁ;— কিন্তু কিয় কিয় তই এনে কৰিছ? তোৰে-মোৰে তো একো হাই-কাজিয়া নাই, মই তোৰ কেতিয়াও কোনো দোষ কৰা নাই; মই এই নতুনকৈ বিলাতৰ পৰা আহিছোঁ, তোৰ লগত মোৰ জনা-শুনাই নাই। তই মোক অনাহকত কিয় এইদৰে হত্যা কৰিব খুজিছ? কিয় এনে নিষ্ঠুৰ হৈছ?"

"নিষ্ঠুৰ নহম নিলাজ? কাৰ ঔৰসৰ মই? কাৰ শোণিত মোৰ ধমনীত বৈছে, কাৰ তেজ-মাংসৰে মোৰ শৰীৰ গঠিত? মোৰ আকৃতি দেখিও প্ৰকৃতি ধৰিব পৰা নাই তই অন্ধ!" (বন্দুক পোনাই থাকে)

ছাহাব:— "কি কৈছ তই, মই একো বুজিব পৰা নাই।"

বেহেৰা:— "তই নতুনকৈ বিলাতৰ পৰা আহিছ তই মোৰ একো দোষ কৰা নাই! মুক্ত অভাগী দুখুনী—হিন্দু বালবিধৱা মুক্তকেশীক—ছলে-বলে কৌশলে 'জোৰ-জবৰদস্তিৰে' ধৰি আনি সতীত্ব নাশকৰি সগৰ্ভাৱস্থাত পথৰ ভিখাৰী কৰি খেদাই দিও তোৰ হেঁপাহ নপলাল, তেওঁক আৰু তেওঁৰ সাদিনীয়া কেচুৱাটিক, তোৰ নিজৰ অক্ষম পানীকেচুৱা সন্তানক—অধমৰ বেতৰ কোৰত তেজেৰে ৰাঙলী কৰিও তোৰ পিশাচ প্ৰবৃত্তিৰ তৃপ্তি নহল, সিহঁতৰ ওপৰত কুকুৰ লগাই দিছিলি, কুকুৰ! তাৰ চিন এতিয়াও মোৰ গালত আছে চা; ময়েই তোৰ সেই পৰিত্যক্ত অনাথ অক্ষম উৎপীড়িত সন্তান, সেই চিৰ-অভাগী বাঁৰী দুখিনী মুক্তই মোৰ আই।"

ছাহাব:— "মই এ—কে. বু—জি—ব প—ৰা নাই।"

বেহেৰা:— "বুজিব পৰা নাই, মিছলীয়া, পাপি! এই বন্দুক গুলীয়ে যেতিয়া তোৰ কলিজাৰ তেজ পিব, তেতিয়া-তেতিয়া তই হাড়ে হাড়ে বুজিবি। প্ৰস্তুত হ, বুজাই দিও।" (বন্দুকৰ ঘোৰা টানিব খোজে)

ছাহাব:—(ৰব বলেৰে কোনোপ্ৰকাৰে শুকান হাঁহি এটা ওঁঠলৈ আনি) বুজিছো বুজিছো, এতিয়া বুজিব বুজিব পাৰিছো; মুক্ত আহা হা! মুক্ত মোৰ বৰ মৰ-মৰ মেম আছিল, তুমি তেওঁৰ লৰা, তুমি মোৰ লৰা—তাকে নোকোৱা কেলেই? বলা "বাপ" বলা, মই তোমাক ভাল কাম-কাজ দি খুব ভালকৈ ৰাখিম।"

বেহেৰা— "ক্ষান্ত হ পাষণ্ড, ভণ্ডামি কৰি আৰু পাপ নবঢ়াবি। এতিয়া বুজিছ? বুজিবিতো! আৰু বুজিবি ৰ" (বন্দুক মাৰিব খোজে)

ছাহাব:—"ৰক্ষা কৰ ৰক্ষা, কৰ; নামাৰিবি, মই যে পিতাৰ—জন্ম-দাতা, মই যে তোৰ 'বাপ,'—"

বেহেৰা:—"বাপ? 'বাহৰে' মোৰ 'বাপ!' 'বাপ,' ময়ে তোৰ 'বেটা', 'বাপকা বেটা—ছিপাহীকা ঘোৰা' প্ৰস্তুত হ—"

ছাহাব:—'বেটা বেটা', ৰক্ষাকৰ, ৰক্ষাকৰ—মই তোৰ 'বাপ—বাপ—বাপ—বাপ!"

বেহেৰা :—( গুলিকৰে ) গুকগুম্‌গুম্‌।

ছাগৰ :—"বা—প"

• • •

এই ঘটনা ঘটিবৰ আজি বহুদিন হল, তথাপি মিষ্টাৰ পাউকাৰ এতিয়াও জয়পুৰত বিদ্যমান। তেওঁৰ প্ৰকৃতি হুবহু আগৰ দৰেই থাকিল, আকৃতি এতিয়া লৰিছে,—মেকুৰীতকৈ ডাঙৰ আৰু কুকুৰনেচীয়া বাঘতকৈ অলপ সৰু; দেখিবলৈ প্ৰায় তেনেকুৱাই, বৰণ কিঞ্চিৎ ক'লাচানেকীয়া; হিংসা প্ৰবৃত্তি তেওঁ এতিয়াও এৰা নাই, আগৰদৰে এতিয়াও দুৰ্ব্বলৰ ওপৰত 'জোৰ-জুলুম' চলাই মাৰি ফালি-ছিৰি খোৱা কাৰ্য্যেৰে তেওঁৰ পূৰ্ব্বৰ সেই খ্যাতি অটুট ৰাখিছে। তেওঁ এতিয়া পাওকৰা নামে জনাজাত। এতিয়াও মিষ্টাৰ পাউকাৰে পাওকৰা হৈ তেওঁৰ সেই অন্তিম বাণী আওঁৰাই ফুৰিছে—"বাপ! বাপ!! বাপ!!!"

শ্ৰীমহম্মদ পজিৰুদ্দিন আহ্মদ

---

# জীৱন-গীত

সুহদি শৈশৱ নিমিষতে গল,
চুমাবে দিয়া বিদায়।
সুহদি যৌৱন অথিৰ অথিৰ,
হিয়াকো লগে চলায়॥

সুৰদি জিৰণি, অতি'ক সুৰদি
যদিহে কামতে যায়,
আমিও এদিন যাবই লাগিব,
যামহে লই বিদায়॥

"যদু"

---

# বঙ্গিলী

## অসমীয়া মান-কুঁৱৰী

মূল পুথি :—

(i) "বৰফুকনৰ গীত" :—শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা, এম্‌এ, বিএল, অধ্যাপক।

(ii) A short Account of the Moamaria Sect. } Capt Hanny.

(iii) Journal of residence in Burman Empire } Capt cax.

(iiii) বুৰঞ্জী-পুথি ..............................চিংকৌ গাম।

ৰাজনৈতিক অৱস্থাৰ পাক-চক্ৰত পৰি, অসম-দুৰৱস্থাৰ আদ্যা-পেলাওঁতা বদনচন্দ্ৰ বৰফুকনে কলকতালৈ গৈ ব্ৰহ্মা ৰজাৰ উকীলৰ লগত পৰামৰ্শ কৰি, ব্ৰহ্মা ৰজাৰ ত'ত অসম-জয় কৰিবলৈ মান-সেনা ভিক্ষা কৰাত, এগৰাকী 'অসম-ৰজাৰ জীয়ৰী, মান-ৰজাৰ কুঁৱৰী হৈ' বৰকৈ থাটি-খুটি বৰফুকনক প্ৰায় ৪০০০ হেজাৰমান সেনা দিয়ায়। এই সৈন্য-সেনাকে লৈ, স্বাৰ্থ, দম্ভ আৰু পৰশ্ৰীকাতৰতাৰ ওপৰত বৰফুকনে বৰবিহ দি অইন মাৰিবলৈ যাওঁতেহে কিবাতো-কৰোতে-কিবাটো হলগৈ! যি গৰাকী কুঁৱৰীৰ খাটনি আৰু সহায়ৰ বলত দুৰৱস্থাৰ পট পৰিবৰ্ত্তন হল, স্বাধীনতাৰ বিজয়-নিচান হলি পৰিল, বহ-গাওঁৰে পৰিপূৰ্ণ দেশ-গুচ বাহতল হল, সেই গৰাকী কুঁৱৰী কেনেকৈ, কি সূত্ৰেনো অসমৰপৰা গৈ ব্ৰহ্মা ৰজাৰ ৰাজঅন্তঃপুৰত লাগী-কুঁৱৰী হলগৈ তাৰ বিষয়ে অলপ বাহুল্যকৈ জানি থোৱাটো নিতান্ত বাঞ্ছনীয়।



মোৱামৰীয়া আৰু মটকৰ উৎপাতত ঠাবৰিব নোৱাৰি স্বৰ্গদেৱ গৌৰীনাথসিংহ পলাইগৈ গুৱাহাটীলৈ। অসমৰ

ওপৰৰ কথা

ৰাজপাট শূন্য হল; ঠায়ে-ঠায়ে একোজনে নপতা-ফুকন সাজি স্বয়ম্ভূৰূপে নিজৰ-নিজৰ ক্ষমতা চলাবলৈ ধৰিলে। মোৱামৰীয়াৰ ডফলা, বহতীয়া, বুঢ়াফুকন আৰু তেওঁৰ পুতেক অগ্নিকুমাৰ অসম-ৰজাৰ ৰাজধানী ৰংপুৰত ৰজা হৈ নিষ্কণ্টকৰূপে বহি ললে। বৰটীয়াই ছলকৈ অগ্নিকুমাৰক উত্তৰপাৰলৈ পঠিয়াই ভৰতসিংহ নাম লৈ আহোম-ৰাজপাটত বহি-ৰজা হল। ভাটীফালৰপৰা যেনেকৈ ইংৰাজক সাৰথি লৈ স্বৰ্গদেৱে উৎপতীয়া মোৱামৰীয়াক মৰাণক খেদি আনিলে, উজনীফালৰপৰাও তেনেকৈ খামটী আৰু চিংফৌৱে সিবিলাকক খেদি আনি ন আৰু বুঢ়ীদিহিঙৰ মাজতে কচু-কটা দিলে। ছয়োফালৰপৰা হেঁচা পাই বৰটীয়া জাপৰী ভেঁটীলৈ পলাই গল; তাতো থাকিব নোৱাৰি বিচ-গামৰ গাইঁত চোৰাংকৈ সোমাই বলগৈ। তাতে, পূৰ্ব্বে ইংৰাজ-সেনাৰ দাবাই খেদা-খোৱা মৰাণ কিছুমানেৰে সৈতে গোটখাই পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ ক্ষমতা চূৰ্ণকৰি পুনৰ মটক ৰাজ্য পাতিবলৈ আলচ কৰি ১৭১৮ শকত বৰটীয়াই অসমদেশৰ এখন মানচিত্ৰ দি ৰামনাথ বৰবৰুৱা নামেৰে এজনক ধৰ্ম্ম-ৰজাৰ ওচৰলৈ সৈন্য-সাহায্য খুজি পঠিয়ালে। মনোৰম অসম দেশ অধিকাৰ কৰিবলৈ বৰ্ম্মা-ৰজা নিজে কাচি-পাৰি ওলাল, কিন্তু ৰাজমন্ত্ৰী আৰু ইংৰাজ প্ৰতিনিধিৰ অনুৰোধত সেইবাৰলৈ ব্ৰহ্মা ৰজাই অসম-আক্ৰমণ কৰাৰ আশা পৰিত্যাগ কৰিলে।

ৰামনাথ বৰবৰুৱা বৰ্ম্মা দেশলৈ যোৱাৰ সময়তেই চিংফৌৰ গাথেন থুৱে পাটকাই পৰ্ব্বতৰ নামনিত থকা

ৰামনাথ বৰবৰুৱা

খামতীবোৰক খেদি পঠিয়ালে, আৰু খামতীয়েও শদিয়াত উপদ্ৰৱ কৰিবলৈ ধৰিলে। চন্দ্ৰ কাপ্তান গোঁহাইৰ নিৰ্দ্দেশমতে বিলতীয়া ৰবাই সিইতৰ মুখিয়াল কেপেজাথাম বুঢ়া ৰজাক ধৰি যোৰহাটলৈ পঠিয়ালে। কিন্তু খামতীৰ ভাস্ত গোঁহাই, বধুৱা গোঁহাই প্ৰভৃতি খামতী পলাই নাগিনীপানীত থাকিল। তাৰপৰা তলে তলে তেওঁবিলাকে পাতি লোৱা ৰজা সোকা গোঁহাইৰ সৈতে পৰামৰ্শ কৰি ব্ৰহ্মা ৰজালৈ কটকী পঠিয়াই কামিনীফুকনৰ বাপেকৰ অধীনত কিছুমান মান-সেনা অনায়। সিহঁত আহি মৰাণৰ কাকতল পৰ্য্যন্ত গচকি যায়হি।

ইফালে আকৌ চিংফৌইতে পৰ্ব্বতীইতক খেদি টেঙ্গাপানীত থিতাপী লোৱাৰ পিছত বিচানঙ্গ (ডেকা গাম)

চিংফৌ আক্ৰমণ

দোৱনীয়া মৰাণেৰে সৈতে যোগ হৈ ব্ৰহ্মাৰাজ্যৰপৰা মান-সেনা আনি কেইখনমান গাওঁ লুটপাট কৰে। এই কথা শুনি, বুঢ়াগোঁহাইৰ ফালৰ অসমীয়াগৰিয়া ৰবাই চিংফৌ মাৰিবলৈ গল। সিফালে ব্ৰহ্মাদেশ ইফালে অসম দেশ শান্তি-সুখত সুঠিল হৈ আছিল, মানত মৰাণে পাই অসমৰ সৌন্দৰ্য্যত মুগ্ধ মান ৰজাক তিনিবাৰকৈ অসমজয় কৰিবলৈ দিলে ডিল বঢ়াই। কিন্তু পানীৰ তলৰ কাঁইট চিনি পাওঁতা পূৰ্ণানন্দ বুঢ়াগোঁহায়ে আক্ৰোশৰ গুৰ ক'ত বুজিব পাৰি মৰাণৰ মুখিয়ালজনক বৰ সেনাপাত পাতি উজনি খণ্ডত অধিকাৰ কৰি থলে, আৰু ভৱিষ্যতলৈ মান অনাৰ জঁত-কূটৰ খাই চিংফৌৰ বিচানঙ্গক এগৰাকী অসমীয়া গাভৰু সালকুতাকৈ দি মিত্ৰতা স্থাপন কৰিবলৈ মনস্থ কৰিলে। বুঢ়াগোঁহাইৰ প্ৰস্তাৱত সকলো সভাসদ মান্তি হোৱাত চিংফৌ ৰজালৈ দিব পৰা কন্যাৰ বিচাৰ হল।

চুৰৰাবংশত ৰবম নামেৰে এজন বৰুৱা আছে। প্ৰকৃততে এওঁ বৰুৱা বিষয়াসন ৰজাঘৰৰপৰা পোৱা নহয়।

বঙ্গিলী

মানুহজন বয়সীয়াল, কথা-বতৰাতো পৈণত চিন্তাৰ আভাস পোৱা গৈছিল; সেইগুণে, তেওঁক সকলো বুঢ়া-মেথাই বৰুৱা বুলি সম্বোধন কৰিছিল। এই ৰবম বৰুৱাৰে ঘৰতে তেওঁৰ এগৰাকী আবিয়ৈ পেহীয়েক আছিল। তেওঁৰ নাম বঙ্গিলী। বুঢ়া গোঁহায়ে চিংফৌৰ বিচানঙ্গলৈ সালকুতাকৈ বন্দীয়ে-বেটীয়ে এই বঙ্গিলী আইদেওক দি দিলে। বঙ্গিলী সচাসচিকৈয়ে বঙ্গিলী আছিল:—"পাঁচিলেৰী আঙুলী, কেতেকী কৰ্কাণ গা, পূৰ্ণচন্দ্ৰ মুখ," পোদোৰ-পোদোৰ হাত-ভৰি, পূৰঠ গাল আৰু সাপৰ নেগুৰ যেন চুলিতাৰে বঙ্গিলীক ফুলি ধৰিছিল। বিচানঙ্গে বঙ্গিলী উপহাৰ পাই অসম দেশ আক্ৰমণ কৰাৰ ভাব পৰিত্যাগ

কৰি নিজৰ দেশলৈ গুচি গল। পূৰ্ণানন্দ বুঢ়াগোহাঁয়েও ইপিনে-সিপিনে কাৰবাৰীসকলোকে ৰখাই নিৰ্ব্বিবাদে ৰাজ্য চলাবলৈ ধৰিলে।

ৰাজ্য-সংক্ৰান্ত সকলো কামতে লাগিথকা, টানে-আপদে ৰক্ষাকৰোঁতা মানৰজালৈকে আকৌ বিচানঙ্গ

**মানৱেশত ৰঙ্গিলী**

সেই অসমীয়া গাভৰু গৰাকীক, পূৰ্ব্বে চিংফোৱে ধৰি নিয়া বান্দীজনীদিয়েক সৈতে অসম-ৰজাৰ কুৰঁৰী বুলি মহিষী কৰি তুলি দিবলৈ অভিপ্ৰায় কৰিলে। অভিপ্ৰায়ৰ উদ্দেশ্য—'যাতে পূৰ্ব্বৰ মিত্ৰতাও ৰহে, ভৱিষ্যতেও মান-ৰজাৰসৈতে সন্ধি-সম্বন্ধ দৃঢ়ভাৱে থাকে।' চিংফোৰ বিচানঙ্গে এনে এটি সুন্দৰ প্ৰস্তাৱ কৰি মান-ৰজাৰ তালৈ কটকী পঠিয়াই জনালে বোলে অসম-ৰজাৰ কুৰঁৰী এগৰাকী আভা নগৰীৰ অধিপতিলৈ উপহাৰস্বৰূপ পঠিয়া হৈছে, ৰজাই গ্ৰহণকৰিলে বিচানঙ্গ চিৰকাললৈ কৃতজ্ঞ থাকিব। এই সন্দেশ বাৰ্তা লৈ চিংফৌ-কটকী ইং ১৭৯৭ চনৰ ১৭ জুন তাৰিখে আভা নগৰ পাইগৈ। "অসম-ৰজাৰ কুৰঁৰী আহিব" এনে সমাচাৰ শুনি ব্ৰহ্মৰজাই নগৰত আদেশ প্ৰচাৰকৰিলে বোলে ৰাজআলিৰ কাষত থকা সকলো মানুহে চাকি-বন্তি জ্বলাই, ফল-ফুল, গছ-লতা আঁৰি ঘৰ-বাৰীবোৰ সজাব লাগে। দোকান-পোহাৰবোৰত দ্ৰব্য বস্তু ভৰাই নোখৰলৈ ধুনীয়া কৰি থব লাগে আৰু আবেলিলৈ পাক্কাম উংঘী পানীয়েদি অসম-ৰাজ-কন্যাক আগবঢ়াই আনিবলৈ যাব লাগে।

ইফালে চিংফো-মানুহে আনন্দ-উল্লাসেৰে ৰঙ্গিলী গাভৰুক লৈ আহি মোগং পোৱালেহি; তাতে শ্যানদেশীয় মোগং-অধিপতি খানৰা মৌ-চ্চাসে ৰূপহ ৰঙ্গিলীক হৰিব খুজি কেইদিনমান আগবাঢ়িব নোৱাৰাকৈ আটক কৰি ৰাখিলে। পক্কাম উংঘী উজাই পাইগৈমানে খানৰাৰ হাত সাৰি গাভৰুক নিয়া মানুহজাক মোগঙৰপৰা ৰাও হল। "অসমীয়া কুৰঁৰী কেতিয়া পাইহি কেতিয়া পাইহি" বুলি ৰজাৰ মনত উগুল থুগুল লাগি আছিল। আভা নগৰী পোৱাৰ বিলম্ব হোৱাৰ কাৰণ সুধি সুধি ৰজাৰ তৎ নোহোৱা হৈছিল। ২২ জুন তাৰিখে অসমীয়া কুৰঁৰী আভানগৰী পোৱা কথা আছিল, কিন্তু তেতিয়াও নোপোৱাত ৰজাই, তৃতীয় উংঘীক (ৰণুৱামন্ত্ৰী) নগৰৰ বাহিৰ হৈ চাবলৈ কলে। কিন্তু উংঘীয়ে ৰাজ-কন্যা অহাৰ একো গমকে নাপালে। প্ৰজাবোৰে ঘৰ-বাৰীবোৰ সজোৱাত গহৰি কৰাবাবে উংঘীয়ে বহুতক ধৰি শাস্তি দিলে। ২৩ জুন তাৰিখে ৰাতি পুৱাই উংঘীক ৰজাঘৰলৈ মতাই নি আবেলি তিনি ৰজালৈকে ৰখাই থৈছিল। সেইদিনালৈকে "আসাম-ৰাজ-কুৰঁৰী" সেইখিনি পোৱাগৈ নাই। ২৪ তাৰিখৰদিনা ৰাতিপুৱা অসমীয়া গাভৰু সেইখিনি পালেগৈ। তেওঁক আদৰিবলৈ নৈৰ পাৰতে এটি ঘৰ সাজি থৈছিল। তাতে ৰজাক সাক্ষাৎ কৰিবলৈ ক্ষণ নিমিলালৈকে ৰঙ্গিলী গাভৰু মানুহে-জনুহে, হয়-হস্তীয়ে ৰৈ আছিল।

সেই ঘৰ পোৱাৰ তৃতীয়দিনা "অসম-কুৰঁৰী"ক মান-কাৰেঙলৈ সুমুৱাৰ কথা। সেইদিনা নাগৰিকসকলে সমাদৰেৰে "অসমীয়া কুৰঁৰীক" আদৰি আনিব। সেই গুণে, ৰজাই ক'তো ছিদ্ৰ নথকাকৈ নগৰৰ আলি-পদূলি, হাট-ঘাট, দোকান-পোহাৰ সজোৱাইছে-পৰোৱাইছে; ইংৰাজ প্ৰতিনিধিকো ২৫ তাৰিখে, তেওঁৰ পদূলি সুশোভিত কৰিব লাগে বুলি আজ্ঞা কৰিছে। "অসমীয়া কুৰঁৰী" সেইখিনিৰপৰা মানুহৰ নিদানে বিৰ-দিও-বাট-পাবলৈ নোহোৱা হল। ৰজাৰঘৰপৰা অসংখ্য ভাৰ-ভেটি, আৰু নানান তৰহৰ উপহাৰ বস্তু, আহি আছিল গৈ আছিল। সেইবোৰকে সোণৰ থালত ভৰাই অনা মানুহেৰে আলি-বাট উদুলি-মুদুলি হৈছিল। ২৫ তাৰিখে দুপৰীয়া বৰ কুৰঁৰীৰ প্ৰধান আলধৰাই অসমীয়া জীয়াৰীক আদৰ-সম্ভাষণ জনাই ৰজাৰ আগত তেওঁ গঢ়-পিত, স্বভাৱ চৰিত্ৰৰ বিষয়ে জনাবলৈ ঘূৰি যাওঁতে কেপ্টেইন কক্সৰ আগত অসমীয়া ছোৱালীৰ দেহ-ৰূপৰ কথা কৈ গৈছিল।

২৬ জুন তাৰিখে "একুৰি ষোলজন ডুলীয়াই ভাৰ লৈ অনা ৰমকজমক ভমস্কাৰ দোলাত উঠি লগত অনেক ডাওৰীয়ানীকো জিলমিল দোলাত তোলাই, গায়নে-বায়নে পেঁপা-মুৰলীৰে, হিলৈদাৰী যাঠীয়ালে সৈতে অসম ৰজাৰ জীয়ৰীক আগবঢ়াই নিবলৈ বৰকুৰঁৰী আহিছিল। আই-দেওক লৈ ৰাজকাৰেঙলৈ যি যি বাটেদি সেই দল গৈছিল সেই বাটবোৰৰ কাষত থকা ঘৰবোৰৰ আগচালিবোৰ বাঁহৰ চাৰি আৰু কাঠেৰে এনেকৈ চোৱাইছিল যে সেইবোৰ ডুতৰপীয়া হৈ আলিবাটৰফালে মুকলি হৈ ওলমি-ওলমি পৰিছিল; তাকো আকৌ জালি-কটা কাপোৰে সজাই-পৰাই জকমক কৰি তুলিছিল আৰু দোকান-পোহাৰবোৰতো দ্ৰব্য-বস্তুবোৰ থোক-তোল, থোকতোলাকৈ শাৰী শাৰীকৈ সজাই থৈছিল। অসম ৰজাৰ জীৰ লগত গোৱা মানুহক সেইবোৰ আধামূলীয়াকৈ বেচিবলৈ আদেশ হৈছিল।

"চাৰিআলিৰ মূৰে-মূৰে একোটাকৈ তোপ পুতি থোৱা হৈছিল। আলিবাটৰ দুয়ো কাষে কল-কুঁহিয়াৰৰ গছ শাৰী-শাৰীকৈ পোতাই দিছিল। আলি গোটেইটো মেটৰে সাৰি মচি নিমজকৈ ৰাখিছিল। সেইদিনা পুৱা ৭৷ মান বজাত সকলোটি ছত্ৰপাতি ৰাজকাৰেঙৰফালে যাবলৈ সাজু হল। ছত্ৰপাতি যোৱাৰ ক্ৰম এই :— আটাইতকৈ আগত যাঠীয়াল, তাৰ পাছতে হিলৈদাৰী, তাৰ পাছত গায়ন-বায়ন, ৰাজছত্ৰ-চামৰ, ৰাজ-মাৱৰ সোণ-ৰৰণীয়া সমাৰোহ, ৰাজমাৱৰ সোণখটোৱা বিয়াগোম দোলা, সেই দোলাৰ কাষে-কাষে ভাল কাপোৰ-কানি পিন্ধি আঠুকাঢ়ি যোৱা দুজনী দীপ্‌লিপ্‌ গাভৰু, আৰু আগত হাতযোৰকৈ সেৱকাৰি যোৱা দুজনী গাভৰু। সোণোৱালী ছত্ৰধাৰীয়ে দোলাৰ চৌপাশে আগুৰি গৈছিল। ৰাজমাৱৰ দোলাৰ পাছত এজাক অশ্বাৰোহী সৈন্য, তাৰ পিছতে যাঠীয়াল আৰু হিলৈদাৰী, তাৰ পিছত অসম ৰজাৰ জীয়ৰীৰ লগত নিয়া হাতীদাঁত, কেঁকৰা-মণি, অসমীয়া ঢাল-তৰোৱাল, ৰূপা পেটাৰী, শোৱা চাৰি-পাটী আদি যৌতুকত দিয়া বস্তুনিয়া মানুহ, সৰ্ব্বশেষত বগাপাগুৰী মৰা আৰু হলোচোলা পিন্ধা অসমীয়া পুৰোহিত। এওঁবিলাকৰ পাছতে বৰ্ম্মা ৰজাৰ দুজন প্ৰধান বিষয়া আৰু ইতৰস্থ বিষয়াবিলাক, তাৰ পিছত বগাকাপোৰ পিন্ধা ৰূপৰ কালি পেপা আৰু তাল বজাই যোৱা মাইকী মানুহবোৰ। এইবোৰৰ পাছতে অসম-ৰাজকন্যাৰ পতাসোণীয়া সমাৰোহ। বৰ্ম্মা ৰজাৰ বৰকুৰঁৰীৰ দৰে এওঁকো আগে-পাছে আঠুকাঢ়ি যোৱা তযোৰা গাভৰুৱে সোণখটোৱা দোলাত তুলি লৈ গৈছিল। বৰ্ম্মা ৰজাৰ ভাবী কুৰঁৰী অসমীয়া কন্যাই যাতে



ভিতৰৰপৰা সকলোকে দেখে অথচ বাহিৰৰপৰা তেওঁক কোনেও নেদেখে এনেভাৱে তেওঁ উঠা দোলাত চীন দেশৰ ফুলবচা ফিকিৰীয়া কাপোৰৰ আৱৰণ তৰি দিয়া হৈছিল। এই দোলাৰ পাছতে বৰ্ম্মদেশীয় প্ৰজাক থোৱা ৰণুৱা, তাৰ পাছত লা-লিগিৰাবেসৈতে ৰজাৰ কুঁৱৰী টোলৰ ডা-ডাঙৰীয়ানী উঠি অহা ২০ খন দোলা আৰু ৰজাৰ সমূহ হিলৈদাৰী আৰু যাঠীয়াল, এনে বাহুকবলীয়া সমাৰোহ, জাকজমক পয়োভৰ আৰু বৰ্ম্মা দেশত নোহোৱা-নোপজা আদৰ-অভ্যৰ্থনাৰে অসম ৰজাৰ জীয়ৰীক সাদৰেৰে আগবঢ়াই নি আভা নগৰৰ ৰাজকাৰেঙৰ অন্তঃপুৰ পোৱালেগৈ। ব্ৰহ্মা ৰজাই অসমীয়া তিৰুতাৰ অপৰূপ সৌন্দৰ্য্যতি মুগ্ধ হৈ অসম ৰাজকন্যাক তেওঁৰ প্ৰধান মহিষী পাতি ললে। লাহে-লাহে ৰঙ্গিলীয়ে ৰজাৰ মনত এনেকৈ বংলগাবলৈ ধৰিলে যে ৰজাই বাকীবিলাক কুৰঁৰীক এলাগী কৰি পেলালে। অসমীয়া কুৰঁৰীয়ে ৰজাক ইমানদৰে ভোল নিয়াইছিল যে তেওঁ দহ বুলিলেই দহ পছি বুলিলেই পছি হৈছিল।

কিন্তু হলে কি হব! আঁতডালকে ডগাল কৰিবপৰা সতিনী কুৰঁৰীবিলাকে তেওঁৰ খোজেপতি অপৰাধ উলিয়াবলৈ ধৰিলে। সৰ্ব্বগুণী কুৰঁৰীৰ গাত ক'তো একণো চেকা নেপাই তেওঁৰ লগত অনা যৌতুকৰ বস্তুবোৰকে লৈ তেওঁবিলাকে এনহে-তেনহে বুলি কুকথা ৰটিবলৈ ধৰিলে বোলে ৰজাই কৰবাৰ শাখিনী আনিহে চপালেহি। ৰজাৰ জীয়ৰী হোৱা হলে কত বস্ত্ৰ-বস্তু, আ-অলঙ্কাৰ বসন-ভূষণ, লগুৱা-লিকচৌ আহিলহেঁতেন তাৰ সীমা-সংখ্যা নহলহেঁতেন। এতিয়া 'এওঁৰ লগত যি যৌতুক আহিছে নিচেই কম, ৰাজযোগ্য অলঙ্কাৰ আদি একোৱেই নাই, এতেকে এওঁ ৰজাৰ জী নহয়' বুলি সকলোৱে অসমীয়া কুৰঁৰীক নিন্দা, ইতিকিং কৰি হাঁহি ফুৰিছিল। প্ৰকৃততে আমাৰ কুৰঁৰীৰ লগত যিমান বস্তু-সম্ভাৰ যাব লাগিছিল সিমান নগৈছিল। সেইদেখি ৰঙ্গিলী আইদেউৰ কেউপিনে জয়জয় মযময় হৈছিল যদিও এইৰূপ সুখে নটাত মনত বৰ দুখ হৈছিল। তেওঁ যে ৰজাৰ জী এই কথাৰ প্ৰমাণ দিবলৈকো ওচৰত অজহী-বজহী কেও নাছিল।

সেইগুণে ৰাজপাটত যদিও অসমীয়া কুৱঁৰীয়ে প্ৰায়েই মন মাৰি দুখআমোদাই দিন নিয়াই আছিল।

তেনেতে কলিকতাৰপৰা মান ৰজাৰ উকীলেৰে সৈতে বদন বৰফুকন ৰাওক মান দেশলৈ। বৰফুকনে ঐৰাৱতী নৈৰ বালিত আঁৰকাপোৰ তৰি ভাত খাবলৈ ধৰিছে, এনেতে ব্ৰহ্মা ৰজাৰ অসমীয়া বান্দী কেইজনীমান আহি তাত উপস্থিত। সিহঁতে বালিভাত খোৱা মানুহবোৰৰ কথা-বতৰা আৰু পিন্ধা-উৰাৰ গঢ়-গতি দেখি অসমীয়া মানুহ বুলি অনুমানকৰি আঁৰকাপোৰৰ ওচৰ চাপিল। লাহে-লাহে বৰফুকনৰ মানুহৰ লগত কথা-বতৰা হৈ সিহঁতে বুজিব পাৰিলে যে ব্ৰহ্মা ৰজাৰ অসমীয়া কুৱঁৰী গৰাকী তেওঁৰে ভনীয়েক। বৰফুকনেও বৰ দুখ বেজাৰ কৰি সেই লিগিৰীহঁতৰ হাতত কুৱঁৰীলৈ চাবিটা বহুমূলীয়া আঙঠী পঠিয়াই দিলে। সিহঁতে সেই আঙঠি দি আদ্যো-পান্ত বিৱৰণ কুৱঁৰীক কলত কুৱঁৰীয়ে ৰজাত কৈ বৰফুকনক নৈঘাটৰপৰা নিবলৈ লিগিৰা-মানুহ পঠিয়াই দিলে। বৰফুকনে ৰাজ-অলঙ্কাৰ পিন্ধি-উৰি মান ৰজাৰ কাষলৈ গল। কুৱঁৰীক তাতে দেখা পাই দুয়ো চিনাকী হৈ 'দুইবো ডিঙিত ধৰি দুয়ো' কান্দিবলৈ ধৰিলে। কুৱঁৰীয়ে চকুপানী টুকি টুকি আগৰ বৃত্তান্ত সোধাকে কলে। বৰফুকনেও বৰ বেজাৰকৰি তেওঁক নিজৰ ভনীয়েক বুলি লগত নিয়া আটাইবোৰ অলঙ্কাৰ-পাতি দি দিলে। তেতিয়াহে সকলো "এলাগী কুৱঁৰী"য়ে অসমীয়া কুৱঁৰীক ৰজাৰ জী বুলি বুজ পালে। বৰফুকনেও যেতিয়া ৰাইজে ৰাজ্যিত পানী খাই পালেংপিৰাত বহি 'পানীত পৰি হও কেটী, গোম সাপ, দা, তৰোৱালৰ নাও নকও' বুলি নিজৰ বীৰত্বৰ চিনাকী দিলে তেতিয়া ব্ৰহ্মা ৰজাই স্বয়ং সিংহাসনৰ পৰা নামি আহি হাতত ধৰি বৰফুকনক সম্ভাষা কৰিলে।

তেতিয়া 'মান ৰজাৰ জিজ্ঞাসামতে' বৰফুকনে আপোন প্ৰয়োজন কথা ক'লে যোলে আমাৰ দেশত 'ৰজা নাইকিয়া অকল বুঢ়া গোহাঁই' মন্ত্ৰীয়েহে দেশখন খাই আছে, সামৰণি। 'আমাৰ' দেশত ৰজা পূৰ্ব্বে আপোনাৰেই ভাই-বংশ। পূৰ্ব্বে যেতিয়াই তেতিয়াই মুংকঙৰপৰা সহায় পাইছিল। এতিয়া মুংকঙো আপোনাৰে হল; আৰু আপুনি মিত্ৰিৰো, এতেকে কিছু সৈন্য পদাতি আপোনাত খুজি নিবৰ জন্যে আমাৰ খেদা খোৱা ৰজাই মোক পঠাই দিছে।" এই কথা শুনি ব্ৰহ্মা ৰজাই ভ্ৰুকুৰি বগামহ মাৰ লেখ-জোখ নোহোৱাকৈ হাঁহ-পাৰ-ছাগলী বলি দিয়াই দেও পূজা কৰাই চাবিটা দেও মাৰি কলে— "পুতেকৰ মাংস বুঢ়া গোহাঁইক খুৱাম।" এই বুলি বৰফুকনৰ লগত চাবি হেজাৰ মানৰ সেনা দিবলৈ পূৰ দুৱাৰত থকা মিঙিলৈ আজ্ঞা দিলে। সেই সেন্যক লৈ আহি বদন বৰ ফুকনে অসমত "মানৰ দিনৰ" বুৰঞ্জী অধ্যায় সৃষ্টি কৰিলে। 'অসম ৰজাৰ জীয়ৰী, মানৰজাৰ কুঁৱৰী বঙ্গিলীয়ে ইয়াৰ শুৰি পোনাই নিদিয়া হলে ঘটনাৰ সোঁত কিজানি আইন পিনেই বলেছেন্তেন।

শ্ৰীবেণুধৰ শৰ্ম্মা

---

# আসাম বুঞ্জীৰ টোকাৰ বিষয়ে যৎকিঞ্চিৎ

শ্ৰদ্ধেয় অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞাদেৱে বহু কষ্ট স্বীকাৰ কৰি আসাম বুৰঞ্জীৰ টোকা স্বৰূপে যি প্ৰবন্ধ-ৰাশি "বাঁহী"ত প্ৰকাশকৰিছে তাৰ বাবে আমি তেখেতৰ ওচৰত চিৰকৃতজ্ঞ; অধ্যাপকদেৱে অনুগ্ৰহকৰি এইদৰে ব্যক্তকৰিলে আমাৰ জাতীয় বুৰঞ্জী বহুত চহকী হব তাত কোনো সন্দেহ নাই।

ভূঞাদেৱৰ এই সুমহৎ কামটিত আমিও যি পাৰো সহায় কৰিবৰ ইচ্ছা কৰি এই বিষয়ে আমাৰ যি দুই-চাৰিআষাৰ আছে তাক প্ৰকাশকৰিলো।

আমাৰ বিবেচনাৰে অনেক ঠাইত তেখেতে 'আন্দাজ' কৰি একোটি শব্দ ব্যৱহাৰ কৰি গৈছে; এনেকুৱা ভুলে বুৰঞ্জীত বৰ ডাঙৰ গণ্ডগোল লগায়। যেনে, তেখেতে 'মৰাণ' আৰু 'মোৱামৰীয়া' এই দুটা শব্দ নজনা মানুহবদৰে ব্যৱহাৰ কৰিছে। মৰাণ আৰু মোৱামৰীয়া একে নহয়; মৰাণ হৈছে আহোমৰ এটা আনুসঙ্গিক জাতি, আৰু মোৱামৰীয়া (প্ৰকৃততে মায়ামৰা) এটি বৈষ্ণৱ সম্প্ৰদায়। আৰু কিছুমান ভুল আমাৰ চকুত পৰে, সেই ভুলৰ কাৰণে ভূঞাদেৱক প্ৰশ্নকৰা অৱশ্যে অন্যায়; কাৰণ তেখেতে "যথা দৃষ্টং তথা লিখিতং"। কিন্তু যেখেতে বুৰঞ্জী দুটি যি সত্য বাহিৰ কৰিছে, আৰু যিবিলাক ব্যক্তিগত মন্তব্য প্ৰকাশকৰিছে আমি তাক গ্ৰহণকৰিব নোৱাৰি দুখিত হলো। আৰু এইবোৰ কথা প্ৰতিবাদ নহলে কিছুদিনৰ পাছত ই বুৰঞ্জীৰ সত্যত পৰিণত হব; তেতিয়া হলে আমাৰ মতে আসাম বুৰঞ্জী আচল সত্যৰ পৰা বহুত আঁতৰি পৰিব। সেয়ে হলে আমাৰ বুৰঞ্জী বুৰঞ্জী নুচি উপন্যাসত পৰিণত হব।

আচল কথা কোৱাৰ আগতে পাতনিস্বৰূপে অলপ নকলে আমাৰ বক্তব্যৰ আঁতি-গুৰি পোৱা টান গতিকে যৎকিঞ্চিৎ কোৱাযক।

আসামত যিমানবিলাক বুৰঞ্জী আছে সেই বুৰঞ্জীবিলাক লিখকৰ ইচ্ছাঅনুসাৰে লিখা তাত ভুলধৰোতা কোনো নাছিল; কাৰণ তেওঁ এখন সাঁচিপতীয়া বুৰঞ্জী লিখি মোঁৱা-চাঙত তুলি থৈ দিছে, তাৰ খবৰ কৰে কোনে? কেতিয়াবা ৰজাৰ আগত দেখুৱাবৰ দৰকাৰ হয় বুলি ৰজা আৰু ডাঙৰ বিষয়াসকলৰ গুণ-কীৰ্ত্তন কৰি থোৱা থাকে। বুৰঞ্জী লিখা লোকৰ এটা স্বাভাৱিক দোষ আছে; কোনো এটা কথা হয়তো তেওঁলোকে বঢ়াই কয় নতু বহুত কমাই বৰ্ণনা কৰিব। কলিকতাৰ অন্ধকূপহত্যাৰ বিষয়ে যিবোৰ বাদ-প্ৰতিবাদ চলিছিল যোধকৰো "বাঁহী"ৰ বহুত পাঠকে জানে। মোৱামৰীয়া বিদ্ৰোহৰ সময়ৰপৰা আসাম বুৰঞ্জী লিখকসকলে বহুত লাগতিয়াল কথা লুকুৱালে আৰু বহুত মিছাকথা বুৰঞ্জীত লিখি থৈ গৈছে। বিপ্লৱবাদী আহোম-সকলক সকলোৰে অপ্ৰিয় কৰিবৰ অৰ্থে বহুত অদ্ভুত অদ্ভুত কথাও লিখি গৈছে বুলি শুনা যায়। এনে ধৰণৰ বুৰঞ্জীৰ সত্য গ্ৰহণকৰিবলৈ হলে আমি যুক্তিলৈ বিশেষকৈ চকু-ৰাখিব লাগিব; নহলে সাঁচিপতীয়া পুথিৰ কথাকে শিলৰ ৰেখা বুলি ধৰিলে আসামৰ বুৰঞ্জী হাতিউঠা উপন্যাস এখনহে হব।

আসাম বুৰঞ্জীৰ পাঠকমাত্ৰে জানে, আৰম্ভৰপৰা শেহলৈকে আহোম ৰাজ্যখনত কতৰকম ষৰুৱা কন্দল আছিল: কত উপযুক্ত ৰাজকুমাৰক ৰজা হব নোৱাৰাকৈ ঘুণ লগাই নগৰৰপৰা খেদাই পঠিয়াইছিল; কত ভায়েকে ককায়েক ৰজাৰ বিপক্ষে ষড়যন্ত্ৰ কৰি ফুৰিছিল; বুঢ়াগোহাঁই বৰগোহাঁই, বৰপত্ৰগোহাঁই, বৰফুকন, পানীফুকন, ডেকাফুকন, ফুকন বৰুৱা ভঙা হৈছিল আৰু পতা হৈছিল। কেতিয়াবা বছৰত ৩।৪ বাৰকৈ এই বিষয়াসকলক ভঙা-পতা হৈছিল। ভঙা বিষয়াবিলাকক ৰাজদ্ৰোহ আচৰণকৰে বুলি সন্দেহকৰি ৰাজনগৰৰপৰা বহুত দূৰলৈ খেদাই পঠিয়াইছিল। এইদৰে পদচ্যুত হোৱা আৰু খেদাখোৱা আহোম ডাঙৰীয়াসকলৰ আহোম ৰাজ্যৰ ওপৰত এটা স্বাভাৱিক বিতৃষ্ণা জন্মিবলৈ ধৰিলে সিমান। ৰাজকুমাৰ, কোঁৱৰ বিষয়াসকলক ৰজাই তাড়ি খেদাই পঠিয়াবলৈ ধৰিলে, তেওঁলোকৰ দল সিমান বলৱান হৈ উঠিল। তলে-পুতলা প্ৰতিহিংসা-পৰায়ণ এই আহোমসকলৰ প্ৰতিশোধ-পিপাসা দিনকদিনে বাঢ়িবলৈ ধৰিলে; তেওঁ-লোক ৰাজ্যধ্বংস কৰিবলৈ দৃঢ়প্ৰতিজ্ঞা হল, অতি গোপনে দলগঠন কৰি, ষড়যন্ত্ৰ জাল সৃষ্টিকৰি বিদ্ৰোহৰ পতাকা উৰাবলৈ উন্মুক্ত হবলৈ ধৰিলে। কি বিচক্ষণ কৌশলৰে এই বিদ্ৰোহৰ আয়োজনকৰা হৈছিল শুনিলে স্তম্ভিত হব লাগে। আনপিনে এই বিপ্লৱবাদী সকলেই ষড়যন্ত্ৰকৰি শাক্ত ৰাণী ফুলেশ্বৰী কুঁৱৰীৰ হতুৱাই গোসানী-নমনা মহন্তসকলক নিমন্ত্ৰণকৰাই বলেৰে গোঁসানী-প্ৰসাদ কঁতিয়াই খুৱালে আৰু কপালত বলিকটা মহৰ তেজেৰে ফোঁট দিয়ালে। আনপাকে আকৌ, সেই সময়ৰ প্ৰতাপী মায়ামৰা মহন্তক এই অপমানৰ প্ৰতি-শোধ লবলৈ ৰবৰকৈ উচটাবলৈ ধৰিলে। এই কামত প্ৰভূক প্ৰাণপণে সহায়কৰিবলৈ সন্মন কৰি এই আহোম-সকলে প্ৰতিজ্ঞা স্বৰূপে তেখেতক গুৰু শৰণ কৰিলে। কাৰণ মায়ামৰা মহন্তৰ উজনিত বহুত মৰাণ আৰু চুটিয়া শিষ্য আছিল, এই যুক্ত প্ৰভুৰ প্ৰথম দিনা যদি কোনো

ৰকমে আগ কৰি দিব পাৰি তেন্তে তেখেতৰ শিষ্যবিলাক নিশ্চয় পোৱা যাব। এইদৰে আহোমৰ অন্তৰ বিপ্লৱৰ আয়োজন হল।

লক্ষ্মীসিংহ স্বৰ্গদেৱৰ দিনত, ৰংপুৰৰ গৰুবিহুৰ দিনা দিনৰ বাৰ বজাত বিদ্রোহৰ নিছান হাতত লৈ প্ৰথমে ৰজাৰ শিঙৰি ঘৰত জুই দি বিদ্ৰোহ আৰম্ভ কৰে; ইয়াৰপৰা অনায়াসে অনুমান কৰিব পাৰি সেই সময়ত কিমান আহোম ৰজাৰ ফলীয়া আছিল আৰু কিমান বিপ্লৱবাদী আছিল। সেই মুহূৰ্ত্তত সেই সময়ৰ ৰাজবিষয়াসকলে চিঞৰি উঠিল—মোৱামৰীয়া মটকে ৰাজ্যত বিদ্ৰোহ আৰম্ভ কৰিছে মোৱামৰীয়া মটক বুলি এটা জাতি আসামত নাই। মায়ামৰা বুলি এটি মহাপুৰুষীয়া সম্প্ৰদায় আছে। এই মায়ামৰা সম্প্ৰদায়কে বিষয়াসকলে লাজ আৰু খঙত মোৱা-মৰীয়া বুলি নিন্দাব্যঞ্জকভাৱে ব্যৱহাৰ কৰিছিল, মটক এটা নিন্দাবাচক শব্দ, ইয়াৰ অৰ্থ দুৰ্দ্দান্ত; কথা-বতৰা-শুনা ময়-মতলীয়া আৰু বৰ শকত মানুহ, অৰ্থাৎ মোটোহা মানুহ।

বিপ্লৱকাৰী আহোমসকলক মোৱাৰীয়া মটক বুলি ঘোষণা কৰাৰ মানৱ প্ৰকৃতিৰ এটা স্বভাৱসিদ্ধ গুণ আছে। ধৰক, আপোনাৰ অফিচত বৰ কেৰাণী কামটো খালি হৈছে, হওঁতে আপুনিয়েই সেই বাব পাব লাগে, পিছে বৰ চাহাবে আপোনাক ভাল নেপায়। আপোনাক সেই কাম নিদি যদি আপোনাৰ তলতীয়া এজনক দিয়ে তেন্তে আপোনাৰ পক্ষেই অসহনীয় বেদনা নহবনে? কিন্তু ছিলেটৰপৰা যদি আপোনাৰ তলতীয়া জনতকৈও তলৰ এজন আনি আপোনাৰ ওপৰত দিয়েহি তেতিয়া কিন্তু আপোনাৰ বেজাৰটো কম হব। কাৰণ ছিলেটৰ পৰা এজন আনি দিলেহি। বিবিলাক বিষয়াক অকৰ্ম্মণ্য বুলি বিষয়া ভাঙি ৰাজনগৰৰপৰা খেদি পঠিয়াইছিল, সেই বিষয়াবিলাকে গোটখাই যদি বিদ্ৰোহ কৰিবলৈ হল আৰু তেওঁলোকক জিনিব নোৱৰা হৈছে, তেন্তে সেই সময়ৰ বুঢ়াগোঁহাই, বৰগোঁহাই আদি ৰাজবিষয়াসকলৰ সন্মান বয় কত? গতিকে মোৱামৰীয়া মটক বুলি এটা কাল্পনিক জাতি সৃষ্টি কৰিলে তেওঁ তেওঁবিলাকৰ অলপ বোধহয় বেছ বোলে বিদ্রোহ কৰিছে? কৰবাৰ মোৱামৰীয়া মটকে। কাৰণ মোৱামৰীয়া মটক বুলি স্বৰ্গদেৱক জনালে স্বৰ্গদেৱৰ মনত তেওঁ অলপ সান্ত্বনাৰ কাৰণ হব। কিয়নো মোৱামৰীয়া মটক বুলিলে কৰবাৰপৰা অহা কিবা মানুহ কিছুমান যেন লাগে। আহোমেই বিদ্ৰোহ কৰিছে বুলি ৰজাই গম পালে, ৰজা চক্‌খাই উঠিব তাৰ ফল স্বৰূপে বিদ্যমান বিষয়াসকলৰহে হয়তো সাল-সলনি ঘটিব পাৰে।

তেওঁবিলাকে অৰ্থাৎ সেই সময়ৰ বুঢ়াগোঁহাই বৰ গোহাঁই বৰবৰুৱা, বৰফুকন, আদি বিষয়াসকলে বিদ্ৰোহৰ কাৰণ লিপি থৈ গৈছে শুনক – ৰাঘৱ মৰাণ বুলি এটা খৰি ভাৰিয়ে বৰবৰুৱা কিৰ্ত্তিচন্দ্ৰৰ খৰিযোগনীয়া আছিল, সি এদিন খৰি অনাত পলম হোৱাত বৰ বৰুৱাই তাক কোবালে, সি মায়ামৰা মহন্তৰ শিষ্য আছিল। এই খৰি ভাৰী ৰাঘৱক কোবোৱা বাবেই মোৱামৰীয়াই বিদ্ৰোহ কৰে, অৰ্থাৎ মোৱা মৰীয়া মটক ইমান বদমাচ নাহৰখোৱা বুলি কোনোবা এজন মৰাণৰ মূৰ্ৰ্কিক ছমটা লগোৱা বাবেও বোলে বিদ্ৰোহ হয়; আৰু মায়ামৰা মহন্তক অপমান কৰাৰ বাবে মোৱামৰীয়াইতে দেশ ছাৰখাৰ কৰিলে বোলে। নিজৰ নাক কাটি সতীনীৰ যাত্ৰা ভঙ্গ কৰা বুলি এটা কথা আছে, আমাৰ এই আসাম বুৰঞ্জী লিখক কিগৰাকী এই বিধৰ নহয় নে? এটা খৰি ভাৰীক কোবোৱা বাবে এজন মূৰ্ৰ্কিক মৰাণক ছমটা লগোৱা বাবে আৰু এজন মহন্তক অপমান কৰাৰ বাবেই যদি বিদ্ৰোহৰ দাবা লজলি ৰাজ্য ধ্বংস হবলৈ হয়, তেন্তে, দেখি ঐ, এইখনহে আহোম ৰাজ্য আছিল। ইপিনে আকৌ তুমিয়েই মোগল বিজেতা বুলি গৌৰৱ কৰা! যদি কোনোবাই বুৰঞ্জীত লিখা কথা মিছা হব নোৱাৰে বুলি কয় অৰ্থাৎ খৰি ভাৰীক কোবোৱাত নাচৰ খোৱাক ছমটা লগোৱাতেই মোৱামৰীয়া মটকে বিদ্ৰোহ কৰিছিল বুলি কব খোজে, তেন্তে আমি তেওঁক সোধো— আসাম বুৰঞ্জীখন বুৰঞ্জী নে Milton অৰ Paradise Lost লগৰ কিবা এখনহে?

তথাপি বুৰঞ্জী লিখকে কি ৰূপে বিদ্ৰোহৰ তথ্য-নগা একো উৱাদিহ নেপাইছিল, পাইছে যদিও আচল কথা লিখিলে আনক ভাঙৰ কৰি দেখুৱা হব। গতিকে কিছু-



মান অতি উপকৰা কথাকে বিদ্ৰোহৰ কাৰণ বুলি কৈ গৈছে; কিন্তু সেইবাবে তেওঁলোকে বিজেতা আহোমৰ বীৰত্বত কলঙ্ক সানি গল।

ইয়াৰ পাছত আমি এতিয়া অধ্যাপক ভূঞাদেৱৰ কথাখিনি আলোচনা কৰি চাওঁ।

"যদিহে স্বৰ্গদেৱৰ কীৰ্ত্তিচন্দ্ৰ বৰ বৰুৱাক মাৰিবলৈ ভিতৰি মত দিছিল তেন্তে তেওঁ তাৰ নিমিত্তে বৰ বৰু-

১৫শ বাহী ২য় সংখ্যা ১০৮ পৃঃ ৱাই এইদৰে শাস্তি দিয়াত স্বৰ্গদেৱে হকা-বধা নকৰাটো কিমান সমীচিন হৈছে আমি কব নোৱাৰো। তেও অন্ততঃ দোষীবিলাকক ৰক্ষা কৰিব লাগিছিল, কাৰণ সিহঁত স্বৰ্গদেৱৰ আদেশ মতেহে কাম কৰিছিল।

এই বিষয়ত আমিও ভূঞাদেৱৰে সৈতে বেছি মত-ভেদ নহওঁ। পিছে এটা কথা, ৰাজ কৰ্ত্তব্য বৰ কঠোৰ কৰ্ত্তব্য, সৰ্ব্বসাধাৰণৰ কৰ্ত্তব্য দৰে ই নহয়;

আমি

ঘটনাসূত্ৰচত্ত কেতিয়াবা ৰজাই নিজৰ অনিষ্ট সাধনা কৰিও কৰ্ত্তব্য কৰিব লগাত পৰে। নহলে প্ৰজাৰ শান্তিত ব্যাঘাত জন্মে। বৰবৰুৱাই দোষীবিলাকক শাস্তি দিয়াত হকাবধা কৰাৰপৰা দেশত বহুত অশান্তি হবৰ সম্ভৱনা আছিল গতিকে নিদিলে। স্বৰ্গদেৱে ভিতৰি মত দিছিল যদিও, আমি কওঁ ৰজাৰ উদ্দেশ্য হৈছে কোনো ৰকমেই ৰাজ্যৰ দুষ্ট মানুহবোৰ ধৰা পেলাই শাস্তি দিয়া। এই খিনিতে আৰু এষাৰি কথা কব পাৰি যদি আপোনা-লোকে খং নকৰে, সেই মতে হলে আমি স্বৰ্গদেৱৰ গাত অলপো দোষ নেদেখো। এয়ে হৈছে গীতাৰ বচন ভগ-ৱান শ্ৰীকৃষ্ণই নানা কথা কৈ বুজোৱাৰ পাছতো যেতিয়া অৰ্জ্জুনে হাতৰপৰা গাণ্ডীৱ ধনু দলিয়াই পেলাই ভগৱানক কলে—প্ৰভু, জ্ঞাতী বধ কৰি, মই দুদিনীয়া ৰাজ্যভোগ নকৰো আকৌ বনলৈ যাওঁগৈ, আপুনি মোক যুদ্ধলৈ খুচ-টাব। সেইখিনিতে ভগৱানে আচল কথা কৈছে—সখি পাৰ্থ, যুদ্ধ কৰো নকৰো বোলা তুমি কোন? তুমি জানিবা অব্যক্তভাৱে সকলো জীৱতে মই আছো জীৱবিলাকে যি কৰে, সকলো মই কৰো, মোৰ অবিহনে জীৱই সংসাৰত একো কামকে কৰিব নোৱাৰে, সিহঁতে যি কৰে সকলো মই কৰাওঁ। যেনেকৈলো ভগৱানে নিজেই স্বীকাৰ কৰিছে হে দ্ৰৌপদীৰ বস্ত্ৰ হৰণত অব্যক্তভাৱে অৰ্থাৎ ভিতৰি ভগৱানৰ ভাগ আছিল; আৰু সেই অপৰাধৰ বাবে যেতিয়া ভীমে কুঠাৰেৰে দুশাসনৰ বুকু ফালি ৰক্তপান কৰে তেতিয়া তেওঁ "তই-ৰাম-গঙ্গা একো কোৱা নাছিল। পাপ কাম কৰিবলৈ দুৰ্যোধনক (অব্যক্তভাৱে থাকি) তেৱেঁই উচটাই, আৰু পাপ কাম কৰা বাবে দুৰ্য্যোধনক মাৰিবলৈ তেৱেঁই অৰ্জ্জুনৰ ৰথৰ সাৰথি হয়। এই হিচাপে স্বৰ্গদেৱৰ গাত আমি একো দোষ নেদেখো।

"যিবোৰত তেওঁক (কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাক) জলম বটা বা তেওঁৰ বংশক সনাহোম বোলা হৈছিল, বা যিবোৰত

১১০ পৃঃ স্বৰ্গদেৱক বা স্বৰ্গদেৱৰ বংশক তাচ্ছিল্য কৰা হৈছিল, সেইবোৰক স্বকীয়াকৈ অতবাই থোৱা হল আৰু পাছলৈ সেইবোৰক পুৰি নষ্ট কৰা হল।"

তেন্তে আচল নায়ক বুৰঞ্জী যি কিথন পুৰিবলৈ বাকী নেথাকিল, কাৰণ, বিদ্যমান ৰজা আৰু মন্ত্ৰীলৈ ভয় নকৰি

আমি যি বুৰঞ্জী লিখকে আচল কথা লিখিছিল সেই কিথন ঠিক বুৰঞ্জীৰ লগৰ বুৰঞ্জী হৈছিল; আৰু তাত বৰবৰুৱা আৰু ৰজা বিষয়ে মিছা কথা লিখাতোও আমাৰ মনে নধৰে, কাৰণ বিদ্যমান ৰজা আৰু মন্ত্ৰীৰ যিবোৰ দোষ থাকে সাধাৰণ বুৰঞ্জী লিখকে তাকে লিখিবলৈ সাহ কৰা টান, এনে স্থলত তেওঁলোকৰ বিপক্ষে কিছু-মান মিছা কথা লিখাটো কাৰ মনে ধৰে? যিবোৰ বুৰঞ্জীত ৰজা আৰু মন্ত্ৰীক তোষামোদ কৰা হৈছিল সেই বোৰ সুপুৰিৰতোন। সেই বুৰঞ্জীত আচল বুৰঞ্জীৰ উপাদান কিমান আছে আমি কব নোৱাৰো। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা অনাহোম নহলেও যে তেওঁৰ বংশত যে কিবা অলপ বেৰোগ আছিল বুৰঞ্জী পুৰি বাইজৰ মাজত তেও বেছি সন্দেহ জন্মালে।

"দেশৰ অতীত গৌৰৱত গৌৰৱান্বিত হোৱা বিদ্যানুৰাগী বুৰঞ্জীবিদ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা আৰু ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ

একে পৃঃ দোষ থকা বুৰঞ্জীবোৰ নষ্ট কৰি ভালবোৰ তেওঁ-লোকে যে ৰক্ষা কৰিলে সেইবাবে তেওঁলোক অসমীয়া জাতিৰ চিৰকৃতজ্ঞতাৰ পাত্ৰ হৈ থাকিব।"

নিৰপেক্ষভাৱে মন কৰক—কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা আৰু ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ দোষ থকা বুৰঞ্জী মানে আছল
আমি সচা ঘটনা লিখা বুৰঞ্জী; কিন্তু অধ্যাপক ভূঞা দেৱৰ মতে বৰবৰুৱা আৰু ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ দোষৰ কথা লিখা বুৰঞ্জীবোৰ, অৰ্থাৎ আছল বুৰঞ্জীবোৰ পোৱাৰ বাবে বৰবৰুৱাক ধন্যবাদ দিব লাগে। ভূঞাদেৱে কব খোজে বৰবৰুৱা আৰু স্বৰ্গদেৱৰ দোষৰ কথা লিখা বুৰঞ্জীবোৰ কি বুৰঞ্জী? তাল বুৰঞ্জীবোৰ মানে বৰবৰুৱাৰ গুণ কীৰ্ত্তন অৰ্থাৎ তোষামোদ কৰা বুৰঞ্জীবোৰ নহয় জানো?

একে পৃঃ —"আমি কওঁ, ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ বিশেষ প্ৰিয়পাত্ৰ (১) গাভৰৰীয়া আহোমৰ ঘৰৰ (২) ৰূপচন্দ্ৰ বৰবৰুৱাৰ পুতেক (৩) কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ নিচিনা প্ৰতাপান্বিত ৰাজবিষয়াৰ সম্পৰ্কে ওপৰত কোৱাৰ দৰে তেওঁৰ বংশ কুলৰ সন্দেহ যুক্ত কথা প্ৰচাৰ কৰাত কীৰ্ত্তিচন্দ্ৰ যে বিশেষ কুপিত হব, ইয়াত একো আশ্চৰ্য্য নাই।"

আমি— (১) (২) (৩) আদি কাৰণত তেওঁ কুপিত হবৰ আমি কোনো কাৰণ নেদেখো; আমিনো কৈছো কি? আমিও তেও তাকেহে কৈছো—বোলো, বৰবৰুৱা কীৰ্ত্তিচন্দ্ৰৰ বংশৰ কুযশ ৰটা পৰে (বোধকৰো আছল কথা নহলে এজন ৰাজমন্ত্ৰীৰ বিৰুদ্ধে মিছা কথা কৈ কোনো ঘাটি খাবৰ ইচ্ছা কৰে!) খং কৰি (ভাগ্যে তেওঁ বৰবৰুৱা হবলৈ পালে) তেওঁৰ ক্ষমতাৰ অপব্যয়ৰ কৰি আমাৰ মূল্যবান জাতীয় বুৰঞ্জীবোৰ পুৰি দেশৰ বুৰঞ্জী সম্পত্তি নষ্ট কৰি গল।

"কোনোবাই কোনো সম্ভ্ৰান্ত পুৰুষৰ বংশ কুলত চেকা পেলালে তেওঁৰ ওপৰত মান হানী গোচৰ কৰ্জু
১১১ পৃঃ নহবনে? আৰু সেই গোচৰ প্ৰতিকাৰ স্বৰূপে দোষীৰ শাস্তি আৰু প্ৰচাৰিত গ্ৰন্থ বা কাকত নষ্ট কৰা তাৰ প্ৰচাৰ বন্ধ নহব নে?"

নিশ্চয় গোচৰ কৰ্জু হব পাৰিব, আৰু সেই গ্ৰন্থখন (যাৰ গোচৰ জিকে) নষ্ট কৰিব লাগিব,—ধৰক, পুৰি
আমি পেলোৱা হল। পিছে গোৱাৰ পাছত সেই গ্ৰন্থখন নষ্ট হল নে নহল? আসাম বুৰঞ্জীৰ কোনো এক অধ্যায়ত হয়তো বৰবৰুৱা বংশৰ কথা উল্লেখ আছিল, বাকীবোৰ জাতীয় বুৰঞ্জীৰ ভাণ্ডৰ উপাদান আছিল। এনেস্থলত বৰবৰুৱাই অবিবেচকৰ দৰে জাতীয় বুৰঞ্জীবোৰ পুৰি ধ্বংশ কৰি গল, আৰু তেওঁৰ এই অন্যায় কামটো ইমানবোৰ যুক্তি দেখুৱাই সমৰ্থন কৰাৰ কাৰণ আমি একো দেখা নাই।

একে পৃঃ "গতিকে কীৰ্ত্তিচন্দ্ৰই যি কৰিলে, নাবুজ নাজ্ঞাত নহয়।"

ভূঞাদেৱৰ মতে পাচোঁতা হিন্দুৱে গো হত্যা কৰিলে
আমি প্ৰথমটোত বা ৫ম টোত বা তাৰ ভিতৰৰ কেইটামানত গো হত্যা পাতক লাগিব নোৱাৰে

"তথাপি তেওঁ নিৰ্দ্দোষ বুৰঞ্জীবোৰৰ এখনকৈ ওতোটাই দিছিল আৰু সকলো বুৰঞ্জী পৰীক্ষা কৰি দোষকৰ
আকৌ হয় নে নহয় এইটোৰ যে গন্তব্য লৈছিল ইয়াৰ পৰা তেওঁৰ বুৰঞ্জীৰ প্ৰতি অনুৰাগ আৰু সত্যৰ প্ৰতিষ্ঠা এই দুয়োৰেহে পৰিচয় পোৱা যায়।"

অৰ্থাৎ Love is blind. ইয়াৰ পৰা আমি ইমান
আমি দূৰ মাথোন বুজিছো যে অধ্যাপক ভূঞা বৰবৰুৱাৰ বৰ পক্ষপাতী।

আহোম সিংহাসনৰ প্ৰকৃত উত্তৰাধিকাৰী মোহনমালা গোঁহাই দেউক ৰজা নেপাতি বৰবৰুৱা কীৰ্ত্তিচন্দ্ৰই নামৰূপলৈ চক্ৰান্ত কৰি খেদি পঠিয়ালে, বৰবৰুৱাৰ এই অন্যায় কামটো ভূঞাদেৱে এই দৰে সমৰ্থন কৰিছে।

"আমি কওঁ মানৱ চৰিত্ৰত সুপণ্ডিত সুনিপুন ৰাজবিষয়া কীৰ্ত্তিচন্দ্ৰই মানুহ চিনিছিল। বৰবৰুৱাই হয়তো মোহনমালা কোঁৱৰৰ গাত এনে কিছুমান দোষৰ বীজৰ সঙ্কেত পাইছিল যে তেওঁক কোনো পক্ষেই ৰজাৰ সিংহাসনত বহুৱাব নোৱাৰি। এইটো বৰবৰুৱাই ভালকৈ বুজিছিল।"

আপুনি বৰবৰুৱা কীৰ্ত্তিচন্দ্ৰৰ কলঙ্ক-ভঞ্জন বুলি এখন কিতাপ লিখক তেতিয়া তেওঁ আমি এইদৰে আমক কব পাৰিম যে অধ্যাপক দেৱে বৰ বৰুৱাৰ
আমি— bright side টো দেখুৱাইছো আমি মানৱ জাতি চিৰদিনেই সত্যৰ ভিখাৰী, আপুনি এখন বুৰঞ্জী



লিখিবলৈ, সৈ বৰবৰুৱা কীৰ্ত্তিচন্দ্ৰক বৰ টোকাৰি দেখুৱাবলৈ চেষ্টা কৰি দেখোন যুক্তিৰ শৰাধ কৰিছে। আপোনাৰ এনেবোৰ যুক্তি দেখি নমতাকৈ থাকিলে আমাৰ সঁচাকৈয়ে পাপ হব বুলি বিশ্বাস। কোনো এটি সত্য আলোচনা কৰিবলৈ হলে তাৰ সপক্ষে আৰু বিপক্ষে যিমান যুক্তি হব পাৰে, সকলোখিনি আলোচনা কৰি যিটি সত্য বুলি অনুমান হয় তাক ব্যক্তিগত মত বুলি প্ৰকাশ কৰিব লাগে। আমাৰ দুৰ্ভাগ্য, আপোনাৰ সত্য আলোচনাত তেনেকুৱা যুক্তি আমাৰ চকুত নপৰে। আনৰ যুক্তি মানে সত্য বিচাৰি উলিয়া, আপুনি যুক্তি খটায় বৰবৰুৱাক বৰ ডাঙৰ কৰিবলৈ। থাক, আপোনাৰ বাটেই আমি বাট বোলো; আপুনি কৈছে 'মানৱ চৰিত্ৰত সুপণ্ডিত কীৰ্ত্তিচন্দ্ৰই মানুহ চিনিছিল; তেন্তে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই এইটো বেছ জানিছিল যে মোহনমালা কোঁৱৰক ৰজা নেপাতিলে তেওঁ বিদ্ৰোহৰ আয়োজন কৰিব।' আপোনাৰ মতেও দেখোন বৰবৰুৱাই সকলোবোৰ কথা জানি-শুনি মোহনমালা কোঁৱৰক ৰজা নেপাতি দেশত বিদ্ৰোহৰ দাবানল জ্বলাই দেশখন ছাৰখাৰ কৰালে। বৰবৰুৱাৰ গ টো যদি থকাই আপুনি পাটৰ কাপোৰেৰে ঢাকিলে কি হব? যেতিয়া খজুৱতি উঠিব তেতিয়া পাটৰ কাপোৰ তেওঁ নিজেই খহাই থব। আপুনি যিহকে নকওক আমি কওঁ কোনো এটা বিশেষ গুণৰ বাবে ৰূপচন্দ্ৰ বৰবৰুৱা হল হয়, আৰু তেওঁৰ পুতেক কীৰ্ত্তিচন্দ্ৰইও সেই পদ লাভ কৰিলে। তথাপি তেওঁ যে বৰবৰুৱা পদৰ অনুপযুক্ত তাৰ অনেক প্ৰমাণ পোৱা যায়। বৰবৰুৱাৰ যোগ্যোচিত দূৰদৰ্শিতা গুণ তেওঁৰ গাত সমূলি নাছিল, থকা হলে মোহনমালা কোঁৱৰক ৰজা নেপাতি তেওঁ কেতিয়াও ভাৱেকক ৰজা নেপাতিলেহেতেন। আমি যিমানদূৰ দেখিছো আহোম ৰাজ্যখন যে ধ্বংস হল তাৰ মূলতে ক্ষমতাৰ অপব্যয়কাৰী, মৎগৰ্ব্বী কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাহে। তেওঁ ক্ষমতা অপব্যয় কৰি মোহনমালাক খেদি নিদিয়া হলে ফৰাছী-বিপ্লৱসদৃশ আহোমৰ এই অন্তৰ বিপ্লৱ হয়তো হবলৈ নেপালেহেতেন। তেতিয়া হলে কিজানি আসামৰ বুৰঞ্জী আজিও বেলেগ হৈ থাকিলহেঁতেন। সামান্যবংশজ কীৰ্ত্তিচন্দ্ৰই ক্ষমতা অপব্যয় কৰাটোকে পদগৌৰৱ বুলি ভাবি ৰাজ্যত যত ৰকমৰ হয় অত্যাচাৰ কৰিবলৈ ধৰিলে—ফলত আসাম ৰসাতল।

"মোহনমালা গোঁহাইদেৱৰ গাত যেনে আশঙ্কা যে কিবা আছিল, আৰু বৰবৰুৱাৰ আশঙ্কা যে সত্য আছিল,
ভূঞাদেৱ এইটো কথাৰপৰা ভালকৈ বুজিব পাৰি যে মোহনমালা গোঁহাইদেৱেই ৰাজ্যৰ বৈৰী মৰাণবোৰৰ সৈতে লগলাগি আহোম স্বৰ্গদেৱৰ বিৰুদ্ধে যুদ্ধলৈ আগবাঢ়িছিল।"

আপুনি জানো কি কয়, আমি একো বুজা নাই। ৰাজপাটৰ সুযোগ্য ৰাজকুমাৰ এজনক বৰবৰুৱা আদি বিষয়া-
আমি সকলে চক্ৰান্ত কৰি ৰজা নেপাতি খেদি পঠিয়ালে, তেওঁ এজন ৰাজকুমাৰৰ আত্মসন্মান ৰক্ষা কৰিবলৈ আৰু ৰাজকুমাৰ যোগ্যোচিত প্ৰতিশোধ লবলৈ বিদ্ৰোহ আৰম্ভ কৰিবই লাগিব। নহলে তেওঁ যে ৰাজপাটৰ উপযুক্ত ৰাজকুমাৰ তাৰ প্ৰমাণ কি? আহোম স্বৰ্গদেৱৰ বিৰুদ্ধে যুদ্ধলৈ আগবঢ়াটো আপুনি অন্যায় বুলিছেনে কি? কাৰনাৰ যদি যোগ্যতাই জোৰে, তেন্তে তেওঁ আপুনি বেয়া বোলে বুলিয়েই আহোম স্বৰ্গদেৱক খেদি ৰজা নহবনেকি? মোহনমালা কোঁৱৰৰ কম সৌভাগ্য নহয়, কাৰণ ৰাজ্যৰ প্ৰধান প্ৰধান লোক আৰু সৰহভাগ প্ৰজাই তেওঁৰ লগত প্ৰতিষ্ঠিত ৰজাৰ বিপক্ষে যোগ দিছিল। আমাৰ মতে এজন ৰাজপাটৰ উপযুক্ত ৰাজকুমাৰ সিংহাসন-চ্যুত হলে তেওঁ নিঃদেশ হে নেলাগে সৃষ্টি ধ্বংস কৰিও তেওঁৰ প্ৰতিশোধ পিপাসা দূৰ কৰিব। আমাৰ অনুমান এই কথাত অধ্যাপকদেৱৰো আমাৰ সৈতে মতভেদ নহয় পিছে তেখেতে বৰবৰুৱাৰ মুখৰ ওপৰেদি কোনো এটাও উৰিবলৈ দিব নোৱাৰে দেখিহে সত্যকথা কোনোবাপৰা আঁতৰি থাকিব লগা হৈছে।

"কিন্তু তত্ৰাচ মৰাণক ফেঁটাই দি দেশ ছাৰখাৰ কৰাৰ কাৰণে, তেওঁ (মোহনমালাকোঁৱৰ) চিৰদিন অসম বুৰঞ্জীত অসমীয়া বিভীষণ বুলি কুযশৰ পাত্ৰ
ভূঞাদেৱ হৈ থাকিব।"

আপুনি এনেবোৰ যুক্তিৰ ৰৱতিৰে আপোনাৰ সত্যৰ

ধৰণী ধৰিবলৈ হলে, আমি আৰু মাতিবৰ ঠাই কত ?

আমি — আমি যিমানদূৰ দেখিছো—বিভীষণ আৰু মোহনমালা কোঁৱৰৰ ভিতৰত Simile নেথাটে। আপুনি হওঁতে বলেৰে খটাবও পাৰে। মোহনমালা কোঁৱৰে নিজৰ দেশৰ সৈন্য সংগ্ৰহ কৰি তেওঁক খেদিপঠোৱা, পাত্ৰ-মন্ত্ৰী আৰু প্ৰতিষ্ঠিত ৰজাক ভাঙি নিজে ৰজাহোৱা। ভক্ত বিভীষণে বিদেশী ৰামক মাতি নি দিহা-বুদ্ধি দি থাকি নিজৰ বংশ নাশ কৰালে, তেওঁৰ ৰজা হবৰো উদ্দেশ্য নাছিল।

অসমীয়া বিভীষণ আছোতে আছে, এই বিভীষণজন বাছি উলিয়াবৰ ভাৰ প্ৰত্নতত্ত্ববিদ অধ্যাপক ভূঞাদেৱক আমি দিলো।

ভূঞাদেৱ — "ব্যক্তিগত প্ৰতিহিংসা এটা কথা, শত্ৰুক আনৈদি দেশত বিদ্ৰোহৰ দাবানল জ্বলোৱা এটাকথা।"

আমি — শত্ৰু মানে আপুনি কাক বুজাইছে ? বোধকৰো বিপ্লৱবাদী আহোমসকলক। বিপ্লৱকাৰী হলেই দেশৰ শত্ৰু হয় নেকি ? বিপ্লৱবাদী অবিহনে জগতৰ কোন জাতিয়ে সমাজ-সংস্কাৰ ৰাজনীতি-সংস্কাৰ আৰু ধৰ্ম্ম সংস্কাৰ কৰিব পাৰিছে ! অভিমানী আহোমৰ আত্মসন্মানত আঘাত পৰিলত আৰু যেতিয়া ৰাজ-বিষয়াবিলাকৰ অন্যায় অত্যাচাৰ অসহনীয় হৈ উঠিল তেতিয়া মনুষ্যত্ব-শক্তি নিহিত প্ৰত্যেক জাতিয়ে বিপ্লৱকাৰী হৈ উঠিবই। অধ্যাপকদেৱৰ মতে এনেকুৱা লোক দেশৰ শত্ৰু হব পাৰে, কিন্তু আমাৰ মতে এনে লোক প্ৰত্যেক জাতিৰ আগৰণুৱা। ভূঞাদেৱৰ মতে দেশৰ শিৰকুটা লোক আৰু দেশহিতৈষী সেইসকল, যি সকলে গৃহকন্দলকাৰী যুঁজত ভায়েক বা ককায়েকইতক বলে নোৱাৰি আনক মাতি আনি চাৰিবেৰৰ আৱৰণ আনক থুলি দেখুৱাইহি আৰু আনক লগাই নিজৰ ককাই-ভাই বধ কৰাই, যি দুই চাৰিটা থাকে তাকো পাছত ধৰি মাগুৰ মাছ কচাদি কচি তাত থাৱনি দিয়ে। তেখেতৰ মতে এনেকুৱা লোকেই দেশৰ শিৰকুটা লোক আৰু বৰ লোক।

ভূঞাদেৱ — "মোহনমালা গোহাঁইদেৱৰ চৰিত্ৰত এইদৰে ঘোৰ বিভীষীকাজনক কিবা এটা যে দোষ আছিল সেইটো পূৰ্ব্বেই ধৰিব পৰা কাৰণে ৰবৰুৱাক আমি শলাগিবহে লাগে।"

আমিদেখিছো বৰবৰুৱাৰ গুণ বিচাৰি আপুনি সাত সাগৰ তেৰ নদী চালিব জাৰিব আৰু ত্ৰিভুবনো ভ্ৰমিব ; কিমান

আমি — দূৰ এতিয়া কৃতকাৰ্য্য হয় তাকেহে কব নোৱাৰিছো। বৰবৰুৱাই যদি গোবধ কৰে, তেন্তে আপুনি ৰবৰুৱাৰ পক্ষলৈ এইদৰেহে কব যে বৰবৰুৱাই বেছ জানিছিল এই গৰুটো জীয়াই থকা হলে, এদিন তেওঁক লঠিয়াই লেঙেৰা কৰিলেহেতেন, সেইকাৰণে এই গৰুটো বধ কৰা বাবে আমি বৰবৰুৱাক দূৰদৰ্শী বুলি শলাগিবহে লাগে। ইত্যাদি।

ভূঞাদেৱ — "মোৱামৰীয়াইতে বিদ্ৰোহৰ নিচান তোলে। মোৱামৰীয়াইতে তলে তলে ৰাজ্য-নাশৰ অভিসন্ধি কৰি ফুৰিছিল।"

মোৱামৰীয়া বুলি এটা জাতি বা সম্প্ৰদায় আমি দেখা নাই। অৱশ্যে মায়ামৰা সম্প্ৰদায়ক বিপক্ষদলে

আমি — আক্ৰোশসূচক ভাব প্ৰকাশ কৰিবলৈ নিন্দাৰ্থত মোৱামৰীয়া বুলি থং সাৰিছিল ; অৰ্থাৎ শত্ৰুক সমুখ সংগ্ৰামত বলে নোৱাৰিলে, পাছত গালি পাৰি অপযশ ৰটাও সান্ত্বনা পোৱা এবিধ মানুহ আছে। বিপক্ষদলে মায়ামৰা এই শব্দটি নিন্দাব্যঞ্জককৈ ব্যৱহাৰ কৰি মোৱামৰীয়া কৰিছে। কোনোৱাই মোক এটা নাম দি গালি পাৰিলে সেই গালিপৰা নামটো যেনে মটক (এতিয়া মটকটো) মোৰ নাম হব নেকি ? বাৰু যেতিয়া আপোনাৰ নিচিনা প্ৰত্নতত্ত্ববিদে ভালকৈ বুজাই দিব তেতিয়াহে আমি মোৱামৰীয়া বুলি স্বীকাৰ কৰিম। নহলে মোৱামৰীয়া নিন্দুকৰ নিন্দাবাণী বুলিহে ধৰিম। যি মায়ামৰা সম্প্ৰদায়ৰ আধ্যাত্মিক চৰ্চ্চাৰ বিশেষত্বৰ বাবে অলৌকিক লোক-প্ৰবাদ চলি আছে, লোক-প্ৰবাদ কি যাৰ বিশেষ আধ্যাত্মিক চৰ্চ্চাৰ বাবে আজিও হিন্দু অসমীয়া মাত্ৰে সন্মান কৰে। যি সম্প্ৰদায়ৰ ভিতৰত শতকৰা ৯০ জনেই (বিদ্ৰোহৰ সময়ত) আহোম ডাঙৰীয়া আছিল। যি সম্প্ৰদায়ে আসামত কৰাছী-বিপ্লৱ ঘটাই গৈছে, যি সম্প্ৰদায়ে ইচ্ছাতন্ত্ৰ, প্ৰবল প্ৰতাপী, কালান্তক যম-স্বৰূপ অন্যায়-অত্যাচাৰী ৰজাক জয় কৰি বিজয়-দুন্দুভি বজাই অসমীয়া প্ৰজাৰ গৌৰৱ ৰক্ষা কৰি গৈছে,



যি সম্প্ৰদায়ৰ বাবে আসাম ভূমি ৰাজনৈতিক পুৰুষৰ লীলাভূমি হৈছিল, যি সম্প্ৰদায়ৰ বাবেই আসামৰ বুৰঞ্জীয়ে জগতৰ বুৰঞ্জীত ঠাই পাবৰ উপযুক্ত হৈছে, আপুনি কওকচোন মায়ামৰা বিদ্ৰোহৰ বাহিৰে জগতবাসীৰ আগত দেখুৱাবলৈ অসমীয়া জাতিৰ কি কৃতিত্ব আছে ? বিশ্ব-সমাজত তুমি এটা জাতি বুলি পৰিচয় দিবলৈ অসমীয়া মায়ামৰা বিদ্ৰোহৰ বাহিৰে তোমাৰ আৰু বুৰঞ্জী-সম্পত্তি কি আছে ? মায়ামৰা বিদ্ৰোহ বাদ দিলে আসাম বুৰঞ্জীখন অসমীয়াৰ বুৰঞ্জী নহয়েই, সেইখন আহোম ৰজাৰ বংশাৱলীহে হয়। যি সম্প্ৰদায়ে জগত বিজয়ী বীৰকেশৰী সুশিক্ষিত ইংৰাজ সৈন্যৰ সৈতেও, চক্ৰব্যূহৰ মাজত নাবালক অভিমন্যুৰ সপ্তৰথীৰে সৈতে বিনাঅস্ত্ৰে যুঁজাৰদৰে মহাধন স্বাধীনতাৰ কাৰণে বিনাঅস্ত্ৰে প্ৰাণপণে যুঁজি আত্মসমৰ্পণ কৰিলে, সেই মায়ামৰা সম্প্ৰদায়ৰ বিষয়ে আমি একো নকও। কিন্তু যিসকলে পাপ আৰু অত্যাচাৰৰ বিপক্ষে ঠিয় হোৱাটো মনুষ্যোচিত কৰ্ত্তব্য বুলি কয়, যি বীৰৰ আদৰ বুজি বীৰ-পূজা কৰিব জানে, যি এটা জাতি কাক বোলে জানে, যি এটা জাতীয়-সন্মান কি বস্তু বুজে, তেওঁলোকে কব মায়ামৰা সম্প্ৰদায় অসমীয়াৰ শিৰৰ মুকুট স্বৰূপ। বিশ্বৰ বুৰঞ্জীবেত্তাই আজি কি নকব, ধন্য মায়ামৰা, তোমাৰ নামত অসমীয়া ধন্য, ধন্য অসম ভূমি !

আপোনাৰ নিচিনা স্বদেশ আৰু স্বজাতি অভিমানীলোকৰ মুখত এইহেন সম্প্ৰদায়ক "হঁত" বুলি ব্যৱহাৰ কৰাটো সঁচাকৈয়ে শুনিবলৈ কেনেবা কেনেবা হৈছে। আপুনিতো এনেকুৱা শিক্ষিত অসমীয়া নহয় যাৰ মুখত আজিও শুনা যায়—"মোৱামৰীয়া মটকে কাঠৰ দাৰেই ইংৰাজ সৈন্যৰ লগত যুঁজ দিছিলগৈ,—হাঁহাঁ-হাঁ !"

বাঁহে বাঁহে ঘহনি খাই জুই জ্বলি পৰ্ব্বত জুৰি থকা কাঁকবাঁহনি নিজৰ গুণতেই ভস্মীভূত হোৱাৰ দৰে, ভায়ে ভায়ে বিবাদ কৰি অন্তৰ বিপ্লৱ সৃষ্টি কৰি আহোম জাতি ছাৰখাৰ হল। এদলে ৰাজ্য শাসন কৰিলে এদলে বিপ্লৱবাদী হৈ বিদ্ৰোহ আয়োজন কৰি প্ৰায় সাত শ বছৰ ৰাজত্ব কৰাৰ পাছত আহোম জাতি যদুবংশৰ দৰে অন্তৰ্ধ্যান হল। এয়ে আহোমৰ বীৰত্ব, এয়ে আহোমৰ গৌৰৱ আৰু এয়ে আহোম জাতিৰ সৌন্দৰ্য্য। কিন্তু দুখৰ বিষয় আহোমৰ এই অন্তৰ বিপ্লৱক আহোম কুলৰ কলঙ্ক সেই বুৰঞ্জী লিখকজনে মোৱামৰীয়া বিদ্ৰোহ বুলি প্ৰচাৰ কৰি আহোম জাতিৰ গৌৰৱত চেকা পেলাই গল। বল, বীৰ্য্য, সাহ-পিত, ধন-মান, আদি যে আহোমৰ ছাঁয়াবাজীৰ দৰে হঠাৎ নাইকিয়া হল, ই আহোম জাতিৰ বিশেষত্ব, এই বিশেষত্বত আহোম জাতিয়ে জগতৰ সকলো জাতিকে চেৰ পেলাইছে।

শ্ৰীসৰ্ব্বেশ্বৰ বৰছেটীয়া

---

# অসমীয়া সাহিত্য আৰু ন লিখাৰু

"মেলত বহি নামাতে উচিত,
দোষে ছোৱে কিঞ্চিৎ কিঞ্চিৎ।"

অসমীয়া সাহিত্যৰ অগ্ৰগণ্য সাহিত্যৰথী শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা আৰু আমাৰ বন্ধুবৰ শ্ৰীযুত হৰিশ্চন্দ্ৰ ফুকনৰ "কাছদী আৰু থাৱলি"ৰ মেলত পৰি আমাৰ বিবেচনাত উচিত বুলি ভবা কেইষাৰমান কথা পাপে ছোৱাৰ ভয়ত মৰসাহ দি মাতিবলৈ আগবাঢ়িব লগাত পৰিলো। প্ৰথমতে আমি মাতিবলৈ বাধ্য হৈছো যে "ভাবি সাহিত্যিকসকলক আওবাটে ঠেলাৰ" উদাহৰণস্বৰূপে শ্ৰীযুত ফুকনে যিজন লিখকৰ লিখাৰপৰা অসঙ্গত বাক্যটি টুকি দিছে সেইজন লিখকক শ্ৰীযুত বেজবৰুৱা ডাঙৰীয়াই গণ্য কৰা মতে আমি ন লিখাৰু বুলি স্বীকাৰ কৰিব নোৱাৰো। তেখেতে স্কুলীয়া জীৱনতে অসমীয়া সাহিত্যক্ষেত্ৰত নামি বৰ্ত্তমান চাকৰীয়া জীৱন আৰম্ভ হোৱালৈকে মহীচুঙ্গাৰূপী "মেগে-

তিন''ৰপৰা মহীৰূপী খাৰ-বাৰুদলৈ কলমৰূপী বৰতোপেৰে জয়লাভ কৰি বৰ্ত্তমান অসমীয়া সাহিত্যক্ষেত্ৰৰ এজন সু-নায়ক। এনে এজন বিজ্ঞ পুৰণি পৈণত লিখকৰ লিখাৰ বাবেও ন লিখাৰহে দোষী হব লগা দেখি আমি বৰ দুখিত হলোঁ আৰু ন লিখকসকল আচৰিত হৈছে।

দ্বিতীয়ত কওঁ যে কেচুৱা লৰাই প্ৰথমে খোজ কাঢ়িবলৈ ধৰোতে পদে পদে পিছলি পৰাটো সম্পূৰ্ণ স্বাভাৱিক; কিন্তু সেই বুলি ডেকাই ঠটা মাটিত পিছলি পৰাটো অস্বাভাৱিক আৰু দেখিলে হাঁহি উঠা কথা। সেইদৰেই ন-লিখকে সাহিত্যক্ষেত্ৰত নামি প্ৰথমতে শব্দ-যোজনত, বাক্য-গঠনত পিছল খোৱাটো স্বাভাৱিক আৰু তেওঁলোকৰ সেই দোষ মাৰ্জ্জনায়। কিন্তু এজন বিজ্ঞ পুৰণি সু-নায়ক সাহিত্যক্ষেত্ৰত বাৰে বাৰে পিছলি ফুৰা দেখিও যদি সাহিত্যৰথী শ্ৰীযুত বেজবৰুৱা ডাঙৰীয়াই তেখেতক এজন ন-লিখাৰু বুলি ধৰি থয়, আৰু সেইদোষ শুধৰাবলৈ চেষ্টা নকৰি "দাৰুভূতো মুৰাৰি" হৈ ৰহি থাকে তেনেহলে আমি নিশ্চয় ধৰি লব লাগিব যে বৰ্ত্তমান অসমীয়া সাহিত্যৰ ঠেক নাই। আৰু লগে লগে এইটোও নিশ্চয় জানি লব লাগিব যে এই ভাৱেৰে অসমীয়া সাহিত্যক্ষেত্ৰৰ কাৰ্য্য চলি থাকিলে ভৱিষ্যতলৈ এসময়ত ই আন এটা মূৰ্ত্তি ধাৰণ কৰিব বুলি আমাৰ বিশ্বাস। আমাৰ বোধেৰে শ্ৰীযুত বেজবৰুৱা ডাঙৰীয়াই এই দোষ শুধৰাবলৈ বেছি পৰিশ্ৰম কৰিব নেলাগিব। প্ৰবন্ধ পাই পঢ়ি চাওঁতেই শুধৰাই পলেই হয়। তাকে নকৰি যেনে লিখিছে তেনেই তেখেতৰ সম্পাদিত "বাঁহী"ত ঠাই দি লিখকৰ আলেখ্-লেখ্ চাই থাকি কি ৰং পাইছে আমি কব নোৱাৰোঁ। আমি ভাবোতে আয়ে মাৰ খোৱাতকৈ বোপায়ে ছুৱাত খোৱাটো ডাঙৰ; কাৰণ আয়ে মাৰ খালে শুধৰা হব, কিন্তু বোপায়ে ছুৱাত খালে আয়ু-চুলি ক্ষয় পাব।

আকৌ কওঁ যে অসমীয়া সাহিত্যৰ কিছু পুৰণি লিখকৰ লিখাৰ লগত বৰ্ত্তমান ন-লিখকৰ লিখা বিজাই চালে সৰ্ব্বসাধাৰণে দেখিবলৈ পাওঁ—পুৰণি লিখকৰ লিখাত বাৰেপাচি মান মূল সংস্কৃত শব্দ ব্যৱহাৰ কৰি "সাধু-ভাষা" গঢ়া, ন-লিখকে তাৰ ঠাইত বহুত অসমীয়া কথিত প্ৰতিশব্দ ব্যৱহাৰ কৰা। ন-লিখকে এনে কৰাত যদি অসমীয়া সাহিত্যৰ অঙ্গ হানি হৈছে সেইটো কব নোৱাৰোঁ। আকৌ দেখা যায় পুৰণি লিখকে কথিত অসমীয়া শব্দ এটা ব্যৱহাৰ কৰিবলৈ গৈ বিমোৰত পৰি সেই শব্দৰ অপভ্ৰংশ শব্দ এটাকে ঠাই দিয়া, ন-লিখকে অপভ্ৰংশ শব্দ ব্যৱহাৰ নকৰি মূল শব্দটো ব্যৱহাৰ কৰা। উদাহৰণ স্বৰূপে সেই একেজন লিখকৰে আৰু এটি বাক্য তলত টুকি দিলোঁ। "ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱে ৰাজসিংহাসনত উঠিবলৈ যদিও দোধোৰ মোধোৰ কৰিছিল।" আমি দোধোৰ মোধোৰ বুলি কোৱা অসমীয়া শব্দ এটা কাৰো মুখত শুনা নাই আৰু পঢ়িবলৈকো কতো পোৱা নাছিলোঁ। তাহানিখনেই ৺পানীন্দ্ৰ নাথ গগৈৰ "লৰা-শিক্ষা আগ ছোৱাত পঢ়িছিলো—'দোধোৰমোৰ, চেৰাবলীয়া, চালৰাকলি মৰকুচিয়া।" এই হেতুকে এই বাক্যটি ন-লিখকে লিখিবলৈ হোৱা হলে এই দৰেহে লিখিলেহেতেন—"ৰাজেশ্বৰ-সিংহ স্বৰ্গদেৱে ৰাজসিংহানত উঠিবলৈ যদিও দোধোৰমোৰত পৰিছিল।" ইয়াৰ কোনটো বাক্য শুদ্ধ সেইটো সাহিত্যৰথীসকলৰ বিচাৰাধীন। বোধ হয় এই লিখকজনে "লৰা-শিক্ষা"ৰ ঠাইত "শিশু-শিক্ষা"হে পঢ়িছিল; নহলে দোধোৰমোৰ শব্দটো মনত নিশ্চয় থাকিলহেতেন। তেখেতেই আকৌ এঠাইত লিখিছে—"স্বৰ্গদেৱে সুস্থিৰ সু-গম্ভীৰ চিত্তেৰে ৰাজ্য শাসন কৰিবলৈ পাৰিছিল।" কিন্তু ন-লিখকৰ কাপৰপৰা এনেকুৱা—কৰিবলৈ পাৰিছিল, খাবলৈ পাৰিছিল, যাবলৈ পাৰিছিল—ওলোৱা দেখা মনত নপৰে। বোধ হয় তেওঁলোকে ৺হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণত পঢ়িছিল যে "পৰা" ধাতুৰ ঠিক আগতে সংজ্ঞা শব্দ নেথাকিলে উদ্দেশ্য বুজোৱা সম্প্ৰদান কাৰকত ক্ৰিয়া যোগে চতুৰ্থী নহয় আৰু 'লৈ' নেথাকে। সাহিত্যৰথীসকলৰ বিচাৰৰ নিমিত্তে আৰু কেটামান বাক্য তলত টুকি দিলোঁ।

১ { পুৰণি লিখক—"দেশত ৰণ-কাজিয়া নাই।"
ন লিখক—"দেশত ৰণ-বিগ্ৰহ, হাই-কাজিয়া নাই।

২ { পুঃ—"পাত্ৰ মন্ত্ৰীয়ে তাৰ পোতক তুলিবলৈ যুদ্ধৰ বিপুল আয়োজন কৰিছে।"
নঃ—"পাত্ৰ মন্ত্ৰীয়ে তাৰ পোটক দিবলৈ যুদ্ধৰ বিপুল আয়োজন কৰিছে।"



আমি জানো পোটক দিয়ে, পোৰ তোলে।

[ পোটক তোলা হে শুদ্ধ—সম্পাদক ]

৩ { পুঃ—"কাঙ্ৰে ধেনুকাৰ"
নঃ—কাঢ়িয়ে ধেনুকাৰ

শ্ৰীযুত বেজবৰুৱা ডাঙৰীয়াই ওপৰত উল্লেখ কৰা লিখকজনক যদি আজিলৈকে অপটুতা বুলিয়েই ধৰি লৈছে তেন্তে এজন যাঠি বছৰীয়া পুৰণি পৈণত লিখকে (যাৰ লিখা বৰ্ত্তমান এম্, এ, শ্ৰেণী পৰ্য্যন্ত পাঠ্য পুথি নিৰ্দ্ধাৰিত হৈছে) কথিত অসমীয়া শব্দ ব্যৱহাৰ কৰিবলৈ গৈ কেনেকুৱা অপভ্ৰংশ শব্দ ব্যৱহাৰ কৰিছে তালৈ এবাৰ দৃষ্টি আকৰ্ষণ কৰোঁ। তেখেতে প্ৰধানকৈ "লপাপানী শব্দৰ বিদেশী কুলীৰ মুখত অপভ্ৰংশ হৈ ওলোৱা "লাওপানী" শব্দটি তেখেতৰ উপন্যাসবোৰত এনেহে ধকৱা কৰি ব্যৱহাৰ কৰা দেখা যায় যে নজনাই সেই অপভ্ৰংশ শব্দটিকে তেওঁৰ খাঁটি ধকৱা শব্দ বুলি বুকত বান্ধি লবলৈ বাধ্য হব। বাগিচা কুলীয়ে "লাও-পানী" বুলি যিটি বস্তুক বুজায়, চলন্তি থকা অসমীয়াই "লপাপানী" বুলি ঠিক সেই বস্তুকে বুজায়, ৰবং তাত লাওৰ কোনো প্ৰকাৰৰ সংযোগ নেথাকে; কিন্তু অপভ্ৰংশ শব্দ "লাওপানী"ৰ সমাস ভাঙ্গি "লাওৰ পানী" কৰিলে বুজিব লাগিব যে ইয়াৰ লগত লাওৰ নিশ্চয় কিবা এটা সংযোগ আছে। মূল অসমীয়া শব্দ "লপাপানী"ৰ অৰ্থ বিচাৰিলে পাব যে ইয়াৰ যেনে নাম তেনে কাম; অৰ্থাৎ ইয়াকে গ্ৰহণ কৰিলে লপা মানুহৰ দৰে মুখৰপৰা ভাল বেয়া নানা কথা হৰহৰকৈ ওলাবলৈ ধৰে। ইয়াৰ উপৰিও এইজন লিখকৰ অলপতে প্ৰকাশ হোৱা এখনি উপন্যাসত অপভ্ৰংশ শব্দৰ ব্যৱহাৰ দেখি অচিনাকি লোকৰ লিখক এজন নতুনকৈ অসমীয়া শিকা বিদেশী মানুহ বুলিহে ধাৰণা হব। উদাহৰণ স্বৰূপে কেটিমান বাক্য ও শব্দ তলত তুলি দিলোঁ।

(১) "মাখিলতি" নে মাখিয়তী?

বহাগৰ বিহুত গৰু-গা ধুৱাওঁতে অসমীয়াই মাখিয়তী হে ব্যৱহাৰ কৰে।

(২) "গা ধুৱাই উলটি আনিবৰ সময়ত" নে গা ধুৱাই উভটাই আনিবৰ সময়ত?

(৩) "এই নাংৰৰ পাত ঘৰৰ চালত খুতি ৰাখে।"

ভগা ঘৰ আৰু ভগা বেৰ খোহা মাৰে; বস্তু ঘৰৰ ছালত খুচিহে ৰাখে।

(৪) "পানীৰ জিৰলিলৈ নামি গৈ" নে পানীৰ যুৰলিলৈ নামি গৈ?

(৫) "লগ সমনীয়া" নে লগৰ সমনীয়া?

(৬) "হাতে কৰা-মিলা খাবলৈ পাই"

"কৰা-মিলা" নে কৰা-মেলা?

(৭) "যৰে তৰে পৰা এটা আদখন ভোমোৰা ওলাইছি।'

এখন আদখন, এটা দুটা বা দুই এটা।

ভোমোৰা সদায় পুংলিঙ্গ; গতিকে ইয়াত ক্লীৱলিঙ্গৰ চিন "খন" ব্যৱহাৰ কৰা ব্যাকৰণসঙ্গত নহয়?

(৮) "আজি এবছৰে চুপি চুপি তাইক বাটত অকলৈ লগ পাই কৈ পেলালো।"

"চুপি চুপি" নে চোপা লৈ?

(৯) "এজনো এলা-মেলা বিধৰ নহয়"

"এলা-মেলা" নে উলামুলা?

(১০) "প্ৰথমে সোঁ ভৰিৰে মাটি আজুৰি আৰু শিঙেৰে মাটি খানি শিঙ গুজিলৈ দুয়ো দুফালৰপৰা বিষাশবদে লৰিগৈ শিঙক শিঙে খুন্দা মাৰিলে।"

ভৰিৰে মাটি আছোৰে, লতা আদিহে আজোৰে। মটা মহে শিঙক শিঙে খুন্দা মাৰে নে শিঙে শিঙে খুন্দা মাৰে?

(১১) "মৰা মহটোক চাওডাঙ্গইতে ভাৰ কৰি উলিয়াই নিলে।"

চাওডাঙ্গইতৰ "মৰামহ" ভাৰ বোৱা কাম নাছিল। ভাৰ কৰি নে ভাৰ বান্ধি? নে সাঙ্গি কৰি?

(১২) "কৈ-মিলি" নে কৈ-মেলি?

(১৩) "ভালে-পাতে নে লাঙে-পাতে?

(১৪) "বেটা-বোৱাৰী" নে পো-বোৱাৰী?

(১৫) "উদ্ধতালি" নে উদ্ধতালি ?

[ উদ্ধতালি—সম্পাদক ]

আমাৰ ওপৰোক্ত বক্তব্যৰ দ্বাৰাই আমি ইয়াকে মাথোন কৰলৈ যাওঁ যে "ধাই শাক মৰলিয়া শুৰিতহে জঞ্জাল।" আমাৰ উঠি অহা ডেকা সাহিত্যিকসকলে অসমীয়া সাহিত্য নপঢ়ি-নুশুনি সাহিত্যিক হবলৈ গৈছে বোলাটো সম্পূর্ণ সঁচা নহয়।* [ সঁচা নহয় যদি ভাল কথা—সম্পাদক ]

শ্রীভোলনচন্দ্র শইকীয়া

---

# নব্য সভ্যতা

নব্য যুগৰ সভ্য আমি,
কি চিনিধা আমাক তুমি !
অসমীয়াৰ 'ডেম্' সমাজৰ হলো আমি বাজ ;
আমাৰ আজি নব্য ধৰণ, নব্য আমাৰ কাজ।
ভাল বস্তু কেনেকৈ খায়
চিনি নাপায় অসমীয়াই,—
খাৰ খাই মাথো দিন নিয়ায় নুবুজে কিটো ভাল ;
সমাজখনকে খামুচি ধৰি কটাৰ লাগিছে কাল।
আমি কিন্তু নহয় তেনে—
সাপৰ নেউল শত্রু যেনে,
সেইদৰেই আমিও হৈছো শত্রু সমাজৰ,
বশৱৰ্ত্তী নহও আমি অন্ধ-বিশ্বাসৰ।
ৰামায়ণ আৰু মহাভাৰত,
কীর্ত্তন, ঘোষা বা ভাগৱত,
এইবোৰ কিতাপ প্রত্যয় মানিয়েই সমাজ ৰলিয়া হল ;
ভাল ভাল মানুহো যিবা আছিল সোপাই তললৈ গল।
আমি হে জানো প্রকৃত ধর্ম্ম,
সেইমতেই কৰো কৰ্ম্ম,
নব্য ধৰ্ম্ম কোনে বুজিব কেনেকৈ উহ্ লব,
যি আমাৰ আহি লয় তেওঁহে ৰস পাব।
ধনিচৰিকাই মন কৰি
ৰাজহংসৰ গতি ধৰি,
নিজৰ থোকো হেকৰাই যেনেকৈ পালে লাজ,
নব্য ধৰ্ম্মৰ ৰস পিবলৈ তেনেকৈ কৰক কাজ।
আমাক চালেই হৈ যাব
নব্য যুগৰ সভ্য হব,
আমাৰদৰেই আঁপইতাতে 'চচ্‌মা' পিন্ধি ফুৰক,
তেজেলেই লাগে ছুয়োটা চকু তাপকে হৈ থাকক।
বেছম্ পাবিৰ পাতল ধুতি
ছিৰু পাঞ্জাবী পাতল অতি—
অ'পন ব্রেষ্টৰ কোট পিন্ধি মুখত চুৰত লৈ,
সমাজক নিন্দা কৰি ফুৰক নব্য সভ্য হৈ।
সন্ধ্যা-পূজাৰ নাম নকৰ,
কলে আকো জঞ্জলী হব—
মহাভাৰত বা ৰামায়ণৰ কাহিনী নুশুনিব ;
ভুল সেইবোৰ মিছা-মিছি নিশ্চয় জানি লব।
বিয়াৰ সময় যেতিয়া পায়হি
ছোৱালীৰ বাপেকে ছোৱালী যাচেহি,
ইংৰাজী নজনা ছোৱালী বিয়া নকৰাও বুলি কব,
তেনে ছোৱালীয়ে নব্য ধৰ্ম্মৰ ৰস জানো কিবা পাব।
যদি নাজানে "ৰোমিও" 'জুলেট্'
পঢ়িব নোৱাৰে 'ছেক্সপিয়াৰ' 'হেমলেট'
গানো নাজানে, স্বামীৰ স'তে বাটত "হাৱা"ও নাখায়।
দেৱ-স্তোত্র পঢ়িব জনা ছোৱালীৰ দৰ্কাৰ নাই।

* এই সমালোচনা যেন কোনেও প্রতিবাদ বুলি মনত নলয়—লিখক।



ভাত পানী ৰন্ধা-বঢ়া
তাঁত-যঁতৰৰ কাম কৰা
লৰা-ছোৱালীৰ কাঁহ হলে তুলসীৰ ৰস খুৱাই,
ভাল কৰিব পৰা ছোৱালী জানো সভ্যৰ মনত থায়।
তেনে ছোৱালী ঘৰ সোমাই
অপায়-অমঙ্গল লগাব সদায়
কাঁহ মাৰোতেই ডাক্তৰটিকে কেনেকৈ মাতিবা আৰু
নব্য যুগৰ সভ্য ডেকা কেনেকৈ হবা বাৰু ?

শ্রীসতীন্দ্র শৰ্ম্মা

---

# অসমীয়া পটন্তৰমালা

সকলো ভাষাৰ আৰু জন-সাহিত্যত তাৰ জাতীয় পটন্তৰমালাৰ প্রভাব বিশেষকৈ লক্ষ্য কৰিবলগীয়া। অসমীয়া পটন্তৰমালা বুলি আমি যাইকৈ এই ভাষাৰ যোজনা, ফকৰা, দৃষ্টান্ত, উপমা আদি শব্দই বুজোৱা সকলো প্রচলিত বচনকে সামৰিছো। অসমীয়া ডাকৰ বচনৰ লগত ইয়াৰ অনেক বিষয়ত মিল থাকিলেও ইয়াৰ লগত তাক জপতিয়াই ধৰা বেমেজালিৰ চিন ; আমাৰ চেপি উলিয়া কেৰাখনো পটন্তৰৰ পুথিত ঠিক এই বেমেজালিকে কৰা হৈছে। এতিয়া আমি ধৰামতে পটন্তৰমালা কেৰাটা গঢ়ৰো হব, আৰু সংক্ষিপ্ততাই এই বংশৰ সকলোবোৰৰে উমৈহতীয়া তেজ-মঙহ স্বৰূপ। এইমতে গদ্যৰ এডোখৰ বা আধাডুখৰীয়া বাক্য বা উপমা নিচেই চুটি বা অলপ দীঘলীয়া স্বাভাৱিক ছন্দৰ দুশাৰী বা ততোধিক আৰু সৰল বৃদ্ধৰ বচন আৰু জন-সাহিত্যৰ গঢ়ৰ আন জ্ঞান-গৰ্ভ সৰৱৰগী ফকৰা কথা আদিয়ে অসমীয়া পটন্তৰমালা গাঁথি আহিছে আৰু যাইকৈ যৰোৱাহী জীৱনত জ্ঞান-বয়োবৃদ্ধ অমৰ সাৰথিৰ স্বাভাৱিক চালনাস্বৰূপে জাতীয় জীৱনৰ মানসিকতাত ই যুগে যুগে তেজ-মঙহৰ দৰে মিহলি হৈ পৰিছে।

পটন্তৰমালাৰ এই স্বাভাৱিক ছন্দৰ লক্ষণলৈ আকৌ অলপপৰ মন কৰি চাবলগীয়া। বৰ্ত্তমান আমি ৰচনাৰ দুশাৰীত বা কেইবা শাৰী কথাত একেটা শব্দৰ ধ্বনি নিয়মমতে দোহৰাকে ছন্দ বুলি বুজো ; এই শাৰীবোৰ সাধাৰণতে নিৰ্দ্দিষ্টৰূপে দীঘল বা চুটি হব লাগিব। কিন্তু এই নিয়মৰ বান্ধ-ছাটত সোমাই ছন্দ বা শব্দৰ ধ্বনি মিলোৱা কথা কিমান পুৰণি আৰু তাৰ উৎপত্তি কিহত, এয়ে এটা কথা মনত খুন্দিয়ায়। ছন্দৰ উৎপত্তি সম্বন্ধে কোনো স্থিৰ মীমাংসা সতকাই হোৱা সম্ভব হক বা নহক, তাৰ এটি আভাস পাবৰ চেষ্টা কৰা আৱশ্যক। সংস্কৃত সাহিত্যমতে শোকতে শ্লোকৰ আদি জন্ম ; এটা ব্যাধে এহাল কৰ্চন চৰাইৰ এটি মৰাত লগৰ আনটিক শোকত বিহ্বল দেখি আপোনপাহৰা হৈ বাল্মীকিৰ মুখত তেওঁ নিজেই বুজিব নোৱৰা যি শ্লোক ওলাই পৰিল, কবিতাৰ জন্মোৎসৱৰ বোলে এয়ে কাৰণ। এই যুক্তি কাব্যস্বৰূপে নিৰুপম ; কিন্তু বোধহয় সাধাৰণ বিচাৰ-বুদ্ধিৰে ইয়াৰ তত্ত্ব বিচাৰিবলৈ অলপ ইফাল-সিফাল নকৰিলে নহব। বাহিৰৰ ছন্দ কাব্যৰ প্রাণ, ভিতৰৰ ছন্দ ( harmony ) হে তাৰ বিষয় বস্তু বা আত্মা ; সেইহে সংস্কৃত সাহিত্যৰ "কাদম্বৰী" পুথিত এই আভ্যন্তৰিক ছন্দ থকাৰ কাৰণে গদ্য হৈও উৎকৃষ্ট কাব্যৰ লেখতো পৰা দেখা যায়।

এই আভ্যন্তৰিক ছন্দ সৃষ্টিৰ স্তৰে স্তৰে বিজুলী-সোঁতৰ দৰে সদায় কঁপিব লাগিছে। আভ্যন্তৰিক ছন্দৰ এই ধ্বনি আদিম মানুহৰ পবিত্র হৃদয়ত প্রতিধ্বনিস্বৰূপে বাজি উঠা অতি স্বাভাৱিক। এই গভীৰ ছন্দ ( harmony ) প্রকৃতিত বিচিত্ৰৰূপে ব্যক্ত ; তটিনীৰ কুল্ কুল্ মলয়াৰ ৰিৰৰিৰনি আদি সকলোতে সেই বিশ্ব কবিৰ ছন্দৰ স্পন্দন, সঙ্গীতৰ মূৰ্চ্ছনা। সৃষ্টিৰ আভ্যন্তৰিক ছন্দৰ এই

বাহিৰৰ সুচঞ্চল তৰঙ্গমালা আৰু ভিতৰৰ অটল গাম্ভীৰ্য্যৰ সংস্পৰ্শ সমাবেশেই পৃথিৱীৰ কবিতা আৰু বাহিৰৰ ঐক্যই ( harmony ) তাৰ নিঃকিন ছন্দ। সি যি হক বৰ্ত্তমান আলোচ্য বিষয়—ছন্দৰ উৎপত্তি আৰু তাৰ ক্ৰমবিকাশ; প্ৰকৃতিৰ এই বহিপ্ৰকাশৰ মানুহ-হৃদয়ৰ ক্ষুদ্ৰ প্ৰতিধ্বনিয়েই ( reaction ) আমাৰ মনেৰে, ছন্দৰ জন্মস্থান, আৰু শব্দৰ ধ্বনিৰ দোহাৰিয়েই ইয়াৰ বাহিৰা পৰিচয়।

তথাপি বৰ্ত্তমান ছন্দৰ নিয়ম-কাৰণ সম্পূৰ্ণ আধুনিক, আৰু এই স্বাভাৱিক ছন্দেৰে কোৱা পটন্তৰবোৰৰ গঢ়েই ইয়াৰ পূৰ্ব্ব অৱস্থা হয়নে নহয় চোৱা যাওক। পছিমীয়া পুৰণি সাহিত্যলৈ যদি এবাৰ চকু ফুৰোৱা যায়, তাত এই ছন্দৰ চিন-মোকাম বিচাৰি পাবলৈ নাই, আৰু পোনতে যেতিয়া পুৰণি গ্ৰীক আৰু লেটিন ভাষাৰ কবিসকলৰ লিখাত তাৰ পূৰ্ব্ব সূচনা বা আভাস দেখা গৈছিল, তেতিয়া ই সঁচাকৈয়ে অভাৱনীয় কথা! শব্দৰ ধ্বনি দোহাৰিবৰ কাৰণে পুৰণি কবিসকলৰ কোনো কোনো জনৰ এটি স্বাভাৱিক প্ৰবৃত্তি আৰু কবি ভাৰ্জিলৰ ( Virgil ) লিখাত এশাৰী বাক্যৰ শেষৰ শব্দটোৰ শেষ অংশৰ ( syllable ) ধ্বনিৰ ( sound ) লগত মাজৰ শব্দ এটাৰ শেষ অংশৰ ধ্বনি মিলাৰ নিচিনা শাৰী ভালেমান পোৱা যায়; এইদৰে শব্দধ্বনি মাজৰপৰা শেহত মিলাত তেওঁলোকৰ কাণত এইবোৰ বৰ্ত্তমানৰ পদ্যৰ দৰে সুশ্ৰাব্য লগাত বাধা হৈছিল বুলি কব নোৱাৰি। এই বিধৰ ছন্দক "লিয়নিন ছন্দ" বুলি জনা গৈছিল, কিয়নো লিয়নিয়াছ্ নামে কোনোবা পাদ্ৰী ( monk ) এজনে অ'ল্ড টেষ্টেমেণ্টৰ বুৰঞ্জী এখন নিয়মমতে এই ছন্দত লিখিছিল। ইয়াৰ পিছত ক্ৰমে অনুপ্ৰাস আৰু ব্যঞ্জনান্ত শব্দৰ ধ্বনি দোহাৰিলে কাণত ভাল লগা হয়, আৰু তাৰ পিছত স্বৰবৰ্ণৰ শব্দৰ ধ্বনি সেইদৰে মিলোৱা হল, আৰু শেষত এই দুই নিয়ম গোটাই শব্দাংশ ( syllable ) বোৰৰপৰা একোটা সম্পূৰ্ণ শব্দৰ ধ্বনি দোহাৰিবলৈ চেষ্টা কৰা হয়। তাৰ লগে লগে ছন্দৰ এই নিয়ম-কাৰণে অলঙ্কাৰ শাস্ত্ৰত ঠাই পায় আৰু বাক্যৰ শাৰীৰ শেষফালে এই শব্দৰ ধ্বনিৰ মিল ৰখাৰ লগে লগে বৰ্ত্তমান ছন্দৰ নিয়ম সম্পূৰ্ণ হয়।

এই অৱস্থাটোকে অসমীয়া পটন্তৰমালাৰ আদিৰপৰা অন্তলৈ দেখা যায়। অনুপ্ৰাস-বিলাসিতা আৰু ব্যঞ্জনান্ত ধ্বনিৰ ঐক্য ৰখাৰ আদি চিন এতিয়াও প্ৰায়বোৰ লিখিত ভাষাতে মোচ যোৱা নাই; ইংৰাজী এংলো ছেক্সন কবিতাৰ লগত বৰ্ত্তমানৰ যাইকৈ টেনিছনৰ আদিৰ কবিতাৰ সামঞ্জস্য ৰাখি পঢ়িলেই এই আদি আৰু পৈণত অৱস্থাৰ এটি ভাল ধাৰণা পাব পাৰি। মাজত ছন্দ মিলা আৰু কেৱল ব্যঞ্জনান্ত ধ্বনিৰ সমাবেশ থকা অসমীয়া পটন্তৰৰ উদাহৰণ অনেক পোৱা যায়:—"কাউৰী টেঙৰ নে মাউৰী টেঙৰ"; "দায় নাই দেৱলীয়া, তিৰি নাই কেৰলীয়া"; "মাক মৰা মাউৰা, বাপেক মৰা কৌঁৱৰ"; "কিনো পৈ হুতাই-তাই, কোণ সানিবলৈ তত নেপায়"; "ঘৰৰ বুঢ়া, পথাৰৰ মুঢ়া"; "যেতেকতে নাটিছে, তেতেকতে ফাটিছে"; ইত্যাদি। ইয়াত স্বাভাৱিক ছন্দত দীঘল চুটিৰ সাধাৰণতে কোনো নিৰ্দ্দিষ্টতা নাই, স্বভাৱতে যেনেদৰে মিলিছে সেয়ে ইয়াৰ ছন্দ, কিন্তু ইয়াৰপৰাই যে অলপ উন্নত কৰি ছন্দৰ নিয়ম ক্ৰমে বান্ধি-হাটি পদ, দুলৰী, লেচাৰি আদি বেলেগ বেলেগ ছন্দলৈ ইয়াক নিয়াটো কেনে সম্ভৱপৰ হব পাৰে, গোটেই পটন্তৰখিনিৰ ওপৰত এবাৰ চকু ফুৰাই চালেই সেইটো ধৰা পৰে।

এতিয়া, জীৱনৰ অভিব্যক্তিস্বৰূপে এই তৰপৰ সাহিত্যৰ বিশেষ মূল্য কি তাকো ভালকৈ মন কৰি চাবলগীয়া। এশৰ অভিজ্ঞতা এজনৰ বাণী— ("The wisdom of many and the wit of one"—Russell)—এয়ে ইয়াৰ মৰ্ম্ম কথা বোলা হয়; যুগ-যুগান্তৰৰ অগ্নি পৰীক্ষা দি সৰকি ৰৈছি চিকমিকাই অহা আৰু একোটা জাতিয়ে বুকুৰ তেজেৰে লিখি পিছৰ যুগলৈ সাঁচি ৰাখি থোৱা ই অমূল্য কথা; প্ৰায় ইয়াৰ প্ৰভাৱত সংসাৰ সমুদ্ৰত একোটা জাতিৰ জাতীয় তৰাৰ গুৰি-বঠা স্বভাৱতে চালিত হয়। অকল ইমানেই নহয়, ই জীৱনৰ নিৰপেক্ষ তীব্ৰ সমালোচনা; এই শ্ৰেণীৰ পটন্তৰ



প্ৰতিটোৱেই অনভিজ্ঞ আমাৰ জীৱনৰ খুত আৰু অসম্পূৰ্ণতাবোৰলৈ এনে অন্তৰ্দৰ্শী ( penetrating ) চকু মেলি চাই আছে, নাইবা তালৈ এনেদৰে আঙুলিয়াই দিছে, আমি ধৰা পৰিলে ততালিকে লাজ ৰক্ষা কৰিবলৈ সেইবোৰ শুধৰাই লবলৈ বাধ্য। সাধাৰণতে এই শ্ৰেণীৰ পটন্তৰবোৰ যেনে জ্ঞানগৰ্ভ, তেনে সুনিশ্চিত,—নহয় বুলিবৰ কাৰো বাপৰ শকতি নাই— যেন সংসাৰজ্ঞানী অভিজ্ঞতাৰ মুখৰপৰা আপোনাআপুনি সৰিপৰা আকাশীবাণীহে। 'দুখীয়াই কথা কয় কথাত নিদিয়ে কাণ, চহকীয়ে কথা কয় গাখীৰে গুৰে সান'; 'বঙহে মঙহ খায়, বঙহ নহলে মঙহ পেলনি যায়', 'খাব জানিলে চাউলেই চিৰা, বহিব জানিলে মাটিয়েই পিৰা'; 'লাগনি নহলে জুই মলে, টুটকীয়া নহলে গাওঁ নবহে;' 'বণিয়াৰ দিম দিম কমাৰৰ কালি, ডোমৰ বৌ মাছ হাততেই পালি;' 'যাৰ নাই গৰু বৃন্দাবনত চাৰে, যাৰ নাই তিৰি একে চৰে মাৰে;" "বুঢ়াই লৰাই ঘৰখন, ডোখোৰাই-ডুখৰিয়ে জুহালখন;" ইত্যাদি ইত্যাদি আৰু এনেজাৰ এটা কথা 'বেদৰ বাণী' যেন অচল অটল সত্য নহয়নে? কেতিয়াবা কেতিয়াবা এই সত্য-সূৰ্য্যৰ দুপৰৰ তীক্ষ্ণ অগ্নিবাণ কাবাবাৰ প্ৰতি বিশেষকৈ টোঁৱাই মাৰি পঠিয়া হয়, কেতিয়াবা আকৌ হঠাতেই তাত হাঁহি-ধেমালিৰ ছাঁ পেলাই হঠাতে সেই সন্তাপ গুচোৱা হয়। 'বাই বাইলুঙনি! উঠি পিৰা এখন দিলোহেঁতেন, মই আৰু হলো শইকীয়ানী'; 'বাপুৰ ডাঢ়িত চুৰা লাগিল, আচাৰ মাৰিলেই শুচি, খুদিৰৰ গাত চুৰা লাগিল পৰাচিত হলেহে শুচি'; 'আগৰ কমলাবৰীয়াই ধুই খাই থৰি, এতিয়াৰ কমলবৰীয়াই খাবলৈ নিতিয়াই তৰি;" 'চহাই বেহা শিকিলে, ৰাতিকে দিন যেন দেখিলে;' 'বামুণে শগুণে বিচাৰে মৰা, গণকে বিচাৰে নৰিয়া-পৰা;' 'যাৰ জহত শাক-সেন্দুৰ, তাক পাতিছে ভোকোৱা এন্দুৰ;' 'নমো নমো পাৰিজাত, কুকুৰে ছুলে বাটী গাত;' ইত্যাদি ইত্যাদি এপোন দইবা পটন্তৰে যেনেকৈ আমাৰ সামাজিক দুৰ্ব্বলতাবোৰ কঠোৰ ন্যায়ৰ তুলাচনিত জুখি পেলাইছে সেইদৰে আকৌ 'আগত এটা পাছত এটা হলে অকলে যাব পাৰি, গাখীৰে-গুৰে হলে গুদামে খাব পাৰি;' 'ত'তে থাওক এখেতে কান্ধো, ভৈয়াইক আনি দিয়া বুকুতে বান্ধো;' 'তিনি বোলোনা থাকিল চাই, পোদাইটো ওলাল ভোবোকাই,' 'মাজমূৰত নাই চুলি, পৈয়েকে মাতে ৰূপহী বুলি;' 'চাপি আহা চুমা খাওঁ, পেট ডাঙৰ চুকি নেপাওঁ;' 'মোমাই! মোমাই!' 'কিহৰ ভোমাই, ভোমাই—হেৰ, কিহৰ ভোমাই ভোমাই!!' 'মোমাই, আঠিয়া কলে বোকাচাউলে'— 'ওঁ, আহাঁ তেনে মোমাই;" 'তোমাৰ বাবীৰ বাহ-গাজ খুন্দি তাকে কৰিছো খৰিচা; তোমাকে দি ধাম সলাওঁ, কথাটো মন কৰিছা;' ইত্যাদি ইত্যাদি আন দহ বুৰিয়ে আকৌ সেই তিতাৰ শাম কাটি মনক এটি বিমল আনন্দ দিয়ে।

এইবোৰ পটন্তৰত বাজেও আন দুবিধৰ কথা উল্লেখ কৰিবলগীয়া,—কিছুমান ধৰ্ম্ম আৰু কিছুমান 'গ্ৰাম্য' (vulgar) ভাৱৰ ব্যাখ্যা থকা। ইয়াৰ প্ৰথমবিধৰ যোজনাবোৰত যেনেকৈ ধৰ্ম্মভাৱ আদিৰেপৰা লাগি আছিছে বুলি সঠিক কব নোৱাৰি, সেইদৰে পিছৰ বিধতো যে আদিতেই সেই ভাৱৰ চোকা গোন্ধ আছিল তাৰ সহজে সৈ লবলৈ টান। সি যি হক, "বাৰ হাত জালৰ তেৰ হাত ফটা, ভাল মাৰিলি বাপৰ বেটা; ৰউ ৰৱালী পাহে পাহে গল, পুঠি খলিহা পাহে পাহে বল;" "কথিলেই কথা, মথিলেয়েই ঘিউ; ভাতত দিয়া হাঁহকণী কেনি যায় জীউ" আদি ধৰ্ম্মব্যাখ্যাথকা কেৱল দুই এটি প্ৰথম বিধৰ, আৰু পিছৰ বিধৰ সাধাৰণ ভদ্ৰ পৰিয়ালত প্ৰচলিত কিছুমান ফকৰাত বাজে বাকীখিনি সৰৱৰহী হব বুলি আমাৰ বিশ্বাস নহয়। এই 'গ্ৰাম্য' (vulgar) কথাবাৰিৰ বিষয়ে আৰু এটি কথা কবলগীয়া,—কোনো ভাষাতে ইয়াৰ কোনো ধৰা-বন্ধা সীমা নাই, অৱশ্যে ই যেতিয়ালৈকে সাধাৰণ ভদ্ৰ পৰিয়ালৰ ভিতৰত কলে কোনেও নাক কোচাবলগীয়া নহয়। এই 'গ্ৰাম্য' কথাৰ ভিতৰত সাহিত্যত ব্যৱহাৰ হবনলগীয়া (slang) লঘু কথাও ধৰিব লাগিব। ইংৰাজী আৰু আন আন উন্নত সাহিত্যৰ পুৰণি প্ৰসিদ্ধ লিখকসকলৰ লিখাত এই উভয় ধৰণৰ বিষয়ৰ পৰিষ্কাৰ অভাৱ দেখা যায় বুলিলে কথাটো নিৰপেক্ষভাৱে কোৱা নহব যেন লাগে; এখন

সাধাৰণ ইংৰাজী slang words অভিধান মেলি নলেও তাত পাচিয়ে পাচিয়ে নহলেও, অন্ততঃ এখবাহি এনে শব্দ ওলাব যিবোৰ ইংৰাজী কৰ্ত্তাসকলৰ মুখত আথৈ ফুটাদি ফুটে। অসমীয়া পটন্তৰবো সেইদেখি ভাল-বেয়া অর্থাৎ "গ্ৰাম্য" "অগ্ৰাম্য" বাচোতে আমি বৰ্ত্তমান সম্পূৰ্ণ আমাৰ ৰুচি অনুসাৰে নেবাচি সেইবোৰ যথাৰ্থতে 'ঘৰৰ বুঢ়া পথাৰৰ মুঢ়া'সকলে আৰু মাইকী মানুহেও অলপ দিনৰ আগতে আৰু এতিয়াও যেনেকৈ ব্যৱহাৰ কৰিছিল আৰু কৰিছে, তাৰ লগত মিল ৰাখি ৰচা আৰু তেওঁলোকৰ কোৱা-মতেহে ধৰা নিৰ্ভুল হব যেন লাগে। য'ত কেৱল এটা বৰ্ত্তমান প্ৰায় অশ্লীল বুলি ভবা শব্দৰ কাৰণে এটা সুন্দৰ অৰ্থৰ ফকৰা এৰাপৰিবলগীয়া হয়, আমি তাৰ সংৰক্ষণৰ উপায় চোৱা উচিত। এনে ঠাইত কেৱল বাঞ্ছা কৰিব পাৰি যেন তাৰ আভৰণে বৰ্ত্তমান আমাৰ সভ্যতাৰ কাৰণে কেৱল অাঁঠুৰ মূৰ দুটা ঢাকিলেহেতেন! কিন্তু এনে আন কিছুমান যোজনা আছে হয়তো তাক কোনোমতেই ৰক্ষা কৰিবৰ উপায় নাই; সি যি ছবি আমাৰ মনৰ আগত দাঙি ধৰে সেই ছবি যদি চালে আমাৰ মনত কোনো নিৰ্ম্মল ভাবৰ উদয় নহয়, তেন্তে তেনে পটন্তৰ কেৱল সাহিত্যৰপৰাই কিয়, আমাৰ মানুহৰ মনৰপৰাই মচ নিয়াটৈলৈ আমাৰ যত্ন হোৱা উচিত —ভৱিষ্যত জাতিৰ বংশধৰসকলৰ মনত যাতে তাৰ শিপা বগাবলৈ কোনো চেলু নেপায়। কিন্তু কাল্পনিক ছবি নথকা বুলিয়ে এটা চহা মলিন শব্দ আমি নভবা-নিচিন্তাকৈ দলিয়াই পেলাব নেলাগে, কিয়নো হয়তো তাৰ বিশেষ অৰ্থ বা মৰ্ম্মই তাৰ কেটুৰীকলীয়া সাজপাৰৰ ক্ষতিপূৰণ কৰি দিব পাৰে; কিন্তু সাধাৰণতে প্ৰচলিত নোহোৱা পটন্তৰ এটাৰ বিষয়ে এই কথা নেখাটিব। শুদা ধৰ্ম্মসম্বন্ধীয় সাঁথৰ স্বৰূপেই সাধাৰণতে চলিত হোৱা কথাবোৰ পটন্তৰৰ শাৰীত ঠাই দিয়াৰ বিশেষ আৱশ্যক দেখা নাযায়।

অসমীয়া পটন্তৰ বাচোতে আমি ডাকৰ বচন এৰিব খুজিলেও ডাকৰ বচনে আমাক সহজে এৰাটো আশা কৰা বৰ বেছি ভবা হব,—দুইটাৰ ভিতৰতে এনে আত্মীয় সম্বন্ধ আছে; তথাপি তাক জানি-শুনি ইয়াৰ লগত সানমিহলি কৰাটো একোপধ্যে বেয়া বুবুলি নোৱাৰি। ডাকৰ বচন বাদ দিলে অসমীয়া পটন্তৰ প্ৰধানকৈ জীৱনৰ সমালোচনা-মূলকহে বুলিবলগীয়া হৈ পৰে; তথাপি ইয়াকো কেইটা বিভাগতো ভগিয়াই লব পৰা যায়। আছলতে পটন্তৰ-মালাৰ কোনো এখন সম্পূৰ্ণ আৰু নিৰ্ভুল সংগ্ৰহ বোলাটো নিৰাপদ নহয়, কেৱল তাৰ লগৰ আন কিতাপৰ তুলনাত সম্পূৰ্ণ আৰু নিৰ্ভুল কৰি উলিয়াটোৱেই সংগ্ৰাহক-সকলৰ লক্ষ্য হোৱা উচিত; কিয়নো সম্প্ৰতি আমাৰ অসমীয়াত তেনে বৈজ্ঞানিকভাৱে জুকিবা সম্পূৰ্ণ (comprehensive) সংগ্ৰহৰ কাষ চাপিছে বুলি কব পৰা কিতাপ এখনিও আমাৰ চকুত পৰা নাই। এই শ্ৰেণীৰ মৌখিক সাহিত্যৰ প্ৰভাৱ ভাষাত কিমান দকৈ সোমাই আছে তাক বহলাই নকলেও সহজে অনুমান কৰিব পৰা কথা। মুঠতে এই মৌখিক সাহিত্যক (গীতি-সাহিত্য ধৰি) লিখিত মাৰ্জ্জিত সাহিত্যৰ তীৰ্থস্থান বুলিব লাগিব, আৰু ফকৰা তাৰে এটি অতি আৱশ্যকীয় অংশ। এই তীৰ্থস্থান পাহৰণিৰ শত্ৰু-সৈন্যৰ হাতৰপৰা ৰক্ষা কৰিবলৈ আৰু তাত হৃদয়ৰ নতুন সংযোগ দি এটি বিৰাট জাতীয় সাহিত্যৰ সৃষ্টি কৰিবলৈ আমাৰ যথোচিত দিহা হৈছে বুলি এতিয়াও কব পৰা হোৱা নাই। বিশেষকৈ অসমীয়া গদ্য-সাহিত্যলৈ এতিয়াও সাধাৰণতে এটি নিভাঁজ নিমজ গতি আহিবলৈ আৰু বাকী; পদ্যসাহিত্য কেতিয়াবা কেনেবাকৈ অলপ বনফুলৰ দৰে ফুলি উঠিলেও উঠিব পাৰে, কিন্তু গদ্যসাহিত্য সেইদৰে হোৱা বস্তু নহয়; তাৰ কাৰণে জাতীয় সাহিত্যৰ আৰু ভালেখিনি অধ্যৱসায়, শিক্ষা আৰু সাধনা আৱশ্যক।

শ্ৰীডিম্বেশ্বৰ নেওগ

---

# দীন-দুখী

বা

## লে-মিজাৰাব্‌ল

(৮ম সংখ্যাৰ পিছৰপৰা)

ৰাতি পুৱাই আহিল। পুৱাৰ উজ্জ্বল পোহৰত ৰাতিৰ এন্ধাৰত শাম কাটি অহা যুজৰ বেগ আকৌ দুগুণ তেজেৰে চলিবলৈ ধৰিলে।

পুৱাৰ ফটফটীয়া পোহৰত যুজাৰুহঁতৰ মুখ জিলিকি উঠিল। অঁতৰৰপৰাই কোন কেনি ক'ত আছে ভালকৈ ধৰিব পৰা হল। ভেলগ্ৰঁক যুদ্ধক্ষেত্ৰত উদাসীনভাৱে অকাই-পকাই ফুৰা দেখা গল। তেওঁৰ উদাস দৃষ্টি আৰু চলন-ফিৰণৰ গতি দেখি যুজ কৰিবলৈ অহা যেন নেলাগিল। গেভৰোকে দেৱালৰ ওপৰত উঠি অসংখ্য গুলিৰ মাজত ঠিয় হৈ মহা উলাহেৰে প্ৰহৰীৰ কাম কৰিব লাগিছে। মৰণলৈ তাৰ ভ্ৰূক্ষেপেই নাই। মেৰিয়াছে অাঁতৰৰপৰা দেৱালৰ ওপৰত ঠিয় হৈ থকা গেভৰোক প্ৰহৰীক দেখি আচৰিত হল। কাষ চাপি ৰাতি দিয়া চিঠিখনৰ কথা সুধিলত সি ৰাতিয়ে চিঠিখন মাইকী মানুহ গৰাকীক লগ নেপাই মটা মানুহ এটাৰ হাততে দি আহিলে বুলি কৈ আকৌ ততাতৈয়াকৈ নিজৰ কামত লাগি গল। মেৰিয়াছৰ মনত বৰ বেজাৰ লাগিল। সি কোনোমতেই এই লৰাটোৰ প্ৰাণ-ৰক্ষা কৰিব নোৱাৰিলে। পাৰে কেনেকৈ? তাৰ দেশপ্ৰাণ কোমল হিয়াত যে জীৱনৰ মমতা একেবাৰেই নাই! সি মৰণৰ লগত লুকা-লুকি খেলিবলৈ ধৰিলে। মানুহে তাৰ অসীম সাহস দেখি আচৰিত হৈ পৰিল।

গুলিৰ পাছত গুলি আহিল। তাৰ খবৰেই নাই। তাৰ চকু শত্ৰুৰ গতি-বিধিৰ ওপৰত মাথোন। শেষত শত্ৰুৱে চৰ চৰ শব্দেৰে তালৈকে লক্ষ্য কৰি গুলি এৰিলে। সি বাগি-ৰুগা দিবলৈ ধৰিলে। শত্ৰুৰ লক্ষ্য ব্যৰ্থ কৰি তাৰ উলাহ আকৌ দোপতদোপে চৰি আহিল কিন্তু সি কিমান পৰ আৰু এইদৰে মৰণৰ লগত লুকা-ভুমুকা খেলিব? শেষত এটা গুলি হি তাৰ গাত লাগিল। তাক বহি যোৱা দেখা গল। গোটেই ৰণ-থলি জুৰি বিপ্লববাদীৰ মাজত এটা হাঁহাকাৰৰ ধ্বনি শুনা গল। কিন্তু গেভৰোক বহি থকা মানুহ নহয়। সি বহিছিল উঠিবলৈ। ক্ষন্তেকৰ পাছতে তেজেৰে ৰঙা হৈ গেভৰোক থিয় হল। দুই হাত দাঙি যি ফালৰপৰা গুলি আহিছিল সেই ফাললৈকে চাই সি হাঁহি হাঁহি গাবলৈ ধৰিলে—

"হুৰাই লৈ— পালেহি কাষ—
হুতাই তাই নকৰি ল হি—"

তাৰ গোৱা শেষ হবলৈ নেপালে। আন এটা গুলি আহি তাৰ গীত শেষ নোহওঁতেই সামৰণি মাৰি দিলেহি। সি দেৱালৰপৰা বাগৰি মাটিত হামখুৰি খাই পৰি গল। সি আৰু লৰচৰ কৰিব নোৱাৰিলে। ক্ষুদ্ৰ শৰীৰটিৰপৰা তাৰ মহৎ প্ৰাণটি উৰা মাৰি গুচি গল।

বিপ্লববাদী দলৰ মানুহবিলাকে কাতৰ দৃষ্টিৰে শ'টোৰ ফালে চাই ৰল। মেৰিয়াছে লৰ মাৰি আহি গেভৰোকক দাঙি ধৰিলে। কিন্তু গেভৰোক তেতিয়া গেভৰোকত নাই। মেৰিয়াছে ভাবিছিল গেভৰোকৰ বাপেকে তাৰ পিতাকক যেনেভাৱে ৰক্ষা কৰিছিল সিও আজি সলনিত তেনেভাৱেই সেই বাপেকৰ পুতেকক ৰক্ষা কৰিছেহি! কিন্তু মেৰিয়াছে সেই মুহূৰ্ত্তলৈকে জনা নাছিল সেই ৰণাৰ মাজত কি এক মহাসাগৰৰ মহাব্যৱধান পৰি আছিল। টেনাৰ্ডিয়েই মেৰিয়াছৰ পিতাকক ৰক্ষা কৰিছিল মৰণৰ হাতৰপৰা, আৰু মেৰিয়াছে কৰিছে টেনাৰ্ডিয়েৰ পুত্ৰ গেভৰোকক মৰণৰ সিপাৰত। মেৰিয়াছে গেভৰোকক কোলালৈ দাঙি লোৱাৰ লগে লগেই গেভৰোকে

অশান্তিময় সংসাৰৰপৰা চিৰদিনলৈ মেলানি মাগি গুচি গল।

গেভৰোচ মৰিল। দুৰ্ভগীয়া গেভৰোচৰ দুৰ্ভগীয়া জীৱন-লীলাৰ সিমানতে যৱনিকা পৰিল। কিন্তু সেই যৱনিকাৰ অন্তত কতো একো ঐক্যতানবাদনৰ সুৰ নুঠিল। কাষত গীৰ্জা ঘৰটোৰ সৰু কাঁহখনত মাথোন তাৰ মৰণ-বাতৰি জনায়েই নে কি সেই সময়ত দুপৰীয়া টং টং কৰে কোব পৰিছিল—লেথি লেথি বাৰ।

• • •

ভেলজঁই ৰণক্ষেত্ৰত সোমায়ে মেৰিয়াছক বিচাৰি ফুৰিছিল। অলপ সময়ৰ ভিতৰতে দুয়োৰে দেখা-দেখি হল। মৰণপ্ৰাৰ্থী, হতাশ-জীৱন মেৰিয়াছ যুদ্ধত নিমগ্ন হৈ ঘূৰি ফুৰিছিল আৰু উদাস-প্ৰাণ ভেলজঁই দূৰে দূৰে থাকি মেৰিয়াছৰ কাৰ্য্য-কলাপ চাই সময় কটাইছিল। এইদৰে ঘূৰি ফুৰোতে এবাৰ ভেলজঁ গৈ হঠাৎ, জাভেয়াৰক বন্দী কৰি থোৱা মদৰ দোকানখন ওলালগৈ। ওচৰত কোনো নাই। দেখা মাত্ৰকে দুয়ো দুয়োকে চিনি পালে। দুয়ো দুইবোকালে একেৰাহে চাবলৈ ধৰিলে। ভেলজঁৰ হাতত তেওঁৰ প্ৰধান শত্ৰু জাভেয়াৰ। পিস্তলটো থাঁজি লৈ ভেলজঁই মাত দিলে—"চিনি পাইছা মোক?"

জাভেয়াৰে নিৰ্ভিকভাৱে উত্তৰ দিলে—"এতিয়া প্ৰতি-শোধ ল।"

ভেলজঁই জেপৰপৰা কটাৰি এখন উলিয়াই ললে, জাভেয়াৰে ভেলজঁক আজীৱন নিৰ্য্যাতন কৰি আহিছে। কটাৰিখন উলিওৱা দেখি জাভেয়াৰে কলে—"এই কটাৰি খনেৰে ৰেপি ৰেপি কাটিলেহে তোৰ দৰে মানুহক ৰেছি শুৱাব।"

ভেলজঁই একো নেমাতি জাভেয়াৰৰ কাষ চাপি গল। ভেলজঁক ওচৰ চপা দেখি জাভেয়াৰৰ তালুৰেদি জীৱ গল। ভেলজঁই কটাৰিখনেৰে জাভেয়াৰৰ বান্ধ-বোৰ কাটি পেলালে। বান্ধবোৰ কটা শেষ হলত মাত দিলে—"জাভেয়াৰ, তুমি মুক্ত।"

জাভেয়াৰ স্তম্ভিত হৈ পৰিল। জাভেয়াৰ যে ভেলজঁৰ চিৰশত্ৰু। জাভেয়াৰে সপোনতো ভাবিব নোৱাৰে যে ভেলজঁ যেন দস্যুৱে ইমান সুবিধা পায়ো এনেদৰে বিনা-প্ৰতিশোধে, অক্ষত শৰীৰে, তাৰ প্ৰধান শত্ৰুক এৰি দিব। জাভেয়াৰ ভেবা লাগি ভেলজঁৰ ফালে চাই থাকিল।

ভেলজঁই মাত দিলে—"মোৰ বিশ্বাস নহয় মই যে আৰু যুদ্ধ-ক্ষেত্ৰৰপৰা উভটি যাব পাৰিম। যদি কেনেবাকৈ ওভটোহে মোক ফকৃলভেণ্ট নামেৰে ৭ নং ৰু দি-লা হোম আৰ্ম্মত বিচাৰিলেই পাবা।"

কথাষাৰ কৈয়ে ভেলজঁ যুদ্ধ-ক্ষেত্ৰত সোমাল। জাভে-য়াৰে বিস্ময়-বিমুগ্ধ হৈ যুদ্ধ-ক্ষেত্ৰ এৰি নগৰৰ ভিতৰৰ ফালে খোজ ললে। যাওঁতে বাটে বাটে ভাবি গৈছিল "ভেলজঁৰ অন্তৰ ইমান মহৎ, ইমান উদাৰ নে?"

• • •

ৰণৰ শেষ নাই। আক্ৰমণৰ পাছত আক্ৰমণ। বিকট কালৰ তাণ্ডৱ-নৃত্য অবিৰাম গতিৰে চলি গল। ফট্ ফট্ বন্দুক ফুটিল হুৰ্ হুৰ্ কৰে দেৱাল ভাগিল। শই শই মানুহ বাগৰি পৰিল। তেজৰ নৈ বৈ গল। ৰণৰ ভৈৰৱ মূৰ্ত্তি দেখি কোনোৰ প্ৰাণ ভয়ত কান্দি উঠিল। কোনো-কোনোৱে পাছহুহকি গল। কোনো-কোনোৱে আকৌ অন্তিম সময় ভাবি নিজৰ ইষ্ট-দেৱতাক স্মৰণ কৰিবলৈ ধৰিলে। মেৰিয়াছে ঘূৰি ঘূৰি যুদ্ধ কৰি-ফুৰিছে, পৰাঙ্মুখ সেনাবোৰক উত্তেজিত কৰিছে, জয়ধ্বনি দি মৰণৰ মাজলৈ উদগাই দিছে। এনেতে এটা গুলি আহি মেৰিয়াছৰ বাউসীত লাগিল। মেৰিয়াছ তত্ক্ষণাৎ বাগৰি পৰি গল। পৰাৰ লগে লগে তাৰ চেতনা যেন লুপ্ত হৈ আহিল। 'উস্' বুলি পৰি যাওঁতেই এবাৰ তাৰ মুখৰপৰা 'কজেট' শব্দটি শুনা গল। লগে লগে তাৰ ওঠৰ কোণত এটি এধানমানি হাঁহিয়ে ভুমুকি মাৰিলেহি। তাৰ পাছত সি একেবাৰেই অচেতন হৈ পৰিল—যেন সি পূৰ্ণশান্তিৰ কোমল কোলাতহে টোপনি গৈছে। মহামন্ত্ৰ 'কজেটে' যেন তাৰ সকলো দুখ—শোক—গ্লানি একেবাৰে লুপ্ত কৰি দিলে।

দূৰত আছিল যদিও ভেঁলজঁই মেৰিয়াছৰপৰা চকু আঁতৰোৱা নাছিল। মেৰিয়াছ পৰা মাত্ৰকে ভেলজঁই বাঘৰ দৰে মেৰিয়াছৰ ওপৰত জপিয়াই পৰিলহি আৰু তত্ক্ষণাৎ মেৰিয়াছক কান্ধলৈ তুলি লৈ যুদ্ধ-ক্ষেত্ৰৰপৰা



বাহিৰ হৈ পৰিল। তুমুল সংগ্ৰামৰ মাজত ক'ত কি হল কোনেও একো গমকে ধৰিব নোৱাৰিলে।

ভেঁলজঁই মেৰিয়াছক লৈ বেছি দূৰ যাব নোৱাৰিলে। চাৰিওফালে অগণন সতৰ্ক প্ৰহৰী। ভেঁলজঁই এতিয়া কৰে কি?—ভেঁলজঁই ঠিৰ দি ভাবিবলৈ ধৰিলে।

প্ৰহৰীৰ চকুত ধূলি মাৰি প্ৰকাণ্ড প্ৰকাণ্ড দেৱালেৰে কাৰাগাৰৰপৰা পলাই অহা ভেঁলজঁই ৰণক্ষেত্ৰৰপৰা যাবলৈ বেছিপৰ ভাবিব নেলাগিল। ওচৰতে এটা ডাঙৰ খাল আছিল। খালটো চকুত পৰা মাত্ৰকে তেওঁৰ মূৰত এটা বুদ্ধি খেলালে। মেৰিয়াছক কান্ধত লৈয়ে তেওঁ খালটোলৈ নামি গল। খালটো ১০ ফুটতকৈ বেছি দ আছিল। খালটোত সোমোৱা মাত্ৰকে ভেঁলজঁই একো দেখিব শুনিবলৈ নোপোৱা হল। তাত ৰণক্ষেত্ৰৰ কোলাহল নাই, দিন দুপৰীয়া পোহৰ নাই। কেউফালে কেৱল নিথৰ, নিতাল আৰু এন্ধাৰ। ভেঁলজঁৰ গা কঁপিবলৈ ধৰিলে; সোমাল ক'ত, যাব কলৈ, একো ঠিক কৰিব নোৱৰাত পৰিল। তথাপি ভেঁল-জঁই খেপিয়াই খেপিয়াই যাবলৈ ধৰিলে। নগলেও নহয়। যিমানে ভেঁলজঁই খেপিয়াই খেপিয়াই আগবাঢ়ি গল সিমানে খালৰ পঁচা গোন্ধত উশাহ-নিশাহ বন্ধ হৈ আহি-বলৈ ধৰিলে। খালৰ বোকা আৰু গেলা পানীৰে তেওঁৰ কাপোৰ-কানি জুকলি-জুপুৰি হৈ আহিল। তথাপি ভেঁল-জঁই মৰণক শৰণ কৰি গৈ থাকিল। এইদৰে তেওঁ বহুত আগবাঢ়িল; কিন্তু নিজে কিমান আগবাঢ়ি গল একো গম ধৰিব নোৱাৰিলে। শেহত প্ৰায় তিনিমান বজাৰ সময়ত ভেঁলজঁ আহি খালৰ মুখ ওলালহি। তেতিয়া তেওঁৰ গাৰ বল-শক্তি সকলো লোপ পাইছিল। মনৰ উত্তেজনাখিনিৰ বাহিৰে তেতিয়া তেওঁৰ শক্তি বুলিবলৈ একোৱেই নোহোৱাত পৰিছিল। খালৰ মুখখনত ওপৰৰ পৰা অলপ পোহৰ পৰিছিল। পোহৰৰ মুখ দেখি ভেলজঁৰ মৃতপ্ৰায় প্ৰাণ যেন জীৱিত হৈ উঠিল। তেওঁৰ ভাগৰ-জিগৰ সকলো আঁতৰি গল, কান্ধৰ ওপৰৰ মেৰি য়াছৰ ভৰ তেওঁৰ মানত একোৱেই নোহোৱা যেন লাগিল। পুনৰ গালৈ বল আহিল, অঙ্গ-প্ৰতঙ্গবোৰ আকৌ আগৰ নিচিনা শিথিল হৈ উঠিল। তেওঁ এইবাৰ নতুন উছাহেৰে খালৰ মুখলৈ বেগা-বেগিকৈ খোজ ললে।

ভেলজঁ খালৰ মুখ ওলালহি। সেইখিনিতে খাল অন্ত হৈছে। ওপৰৰপৰা নামি অহা দিনৰ পোহৰত খালৰ ভিতৰখন ভালকৈয়ে দেখা গৈছিল। কিন্তু সেই-খিনিৰপৰা ভেলজঁৰ বাট একেবাৰে বন্ধ। খালৰ মুখখন এখন বৰ ডাঙৰ লোহাৰ দুৱাৰত তলা লগাই বন্ধ কৰি থোৱা আছিল। দুৱাৰখনৰ সিফালেই বাহিৰত দিনৰ উজ্জল পোহৰৰ তলত চীন নৈৰ ফটিক পানী, অসীম অনন্ত উদাৰ আকাশৰ বুকত জগত জুৰি মুকলি বতাহ, আৰু সেই পোহৰ আৰু পানী-বতাহৰ কাষতেই মুক্তি আৰু স্বাধীনতা। ভেলজঁই মেৰিয়াছক লাহেকৈ নমাই থৈ দুৱাৰখনত টান ধৰিলে। দুৱাৰখন লৰচৰকে নকৰিলে। ভেলজঁ হতাশ-অৱস হৈ বহি পৰিল। দু আঙুলে নাটে! ভেলজঁ মৃত্যুৰ অসীম অন্ধকাৰ জালত মেৰখাই পৰিল। দুখ-শোকত তেওঁৰ অন্তৰ ভাগি অহা যেন লাগিল। চকু-ৰেদি জৰ্ জৰ্ কৰে চকুলো বাগৰি গল।

ভেলজঁই এইদৰে হাঁ-হতাশভাৱে আসন্ন মৰণলৈ অপেক্ষা কৰি বহি থাকিল; কিমান পৰ বহি থাকিল নিজেই কব নোৱাৰে। ওচৰৰ মৃত্যুৰ-কোলাত মেৰিয়াছ; নিজে দুৱাৰদলিত। কিন্তু এই দুই মৰণযাত্ৰীৰ কথাই তেওঁক অকণো উতলা কৰা নাছিল। তেও উতলা হৈছিল; কান্দোনৰ চকুৰ পানীৰে বাট নেদেখা হৈ আহিছিল—দূৰৈত মৰণৰ বহুত আঁতৰত বহিথকা অকলশৰীয়া কজেটৰ কথা ভাবি। তেওঁ ভাবিছিল তেওঁৰ আৰু মেৰিয়াছৰ অবিহনে কজেটৰ কি হ'ব?

এইদৰে বহি থাকোতে এবাৰ ভেলজঁৰ হাতখন অকস্মাৎ মেৰিয়াছৰ চোলাটোৰ বুকৰ জেপৰ ওপৰত পৰিল। জেপত এটা সৰু বহী ভৰাই থোৱা আছিল। ভেলজঁই বহীখন উলিয়াই আনি অন্যমনস্কভাৱে জপোৱা মেলা কৰি-বলৈ ধৰিলে। এইদৰে জপাই-মেলি থাকোতে বহীখনৰ পাত এটাত তেওঁৰ চকু পৰিল। তাত লেখা আছিল—"মোৰ নাম মেৰিয়াছ পণ্টমাৰ্ছি। মোৰ শটো মোৰ ককাদেউতা মছিঅ'ৰ জিল নৰমেণ্ডৰ ৬নং ৰু দে ফিল কেলভেয়াৰলৈ লৈ যাবা।" ভেলজঁই দীঘল হুমুনিয়াহ

এটা কাঢ়ি বহীখন জেপত ভৰাই থৈ আকৌ ভাবিবলৈ ধৰিলে। সি বাটেদি আহি সেইপিনি ওলাইছিলহি সেই বাটেদি ঘূৰি যোৱা একেবাৰেই অসম্ভৱ। তাত বহি থাকিয়ে যদি মৰণৰ হাত সাৰিবৰ আশা কৰিব পাৰি, উভতি গলে তাকো জলাঞ্জলি দিব লাগিব। ভেলজঁই আকৌ তেওঁৰ অবিহনে কজেটৰ দুৰৱস্থাৰ কথা ভাবি আকুল হৈ পৰিল।

প্ৰলয়ৰ এই ঘন-ঘোৰ ঝঙ্কাৰৰ মাজত ভেলজঁ হঠাৎ এবাৰ চক্‌খাই উঠিল। কোনোবাই যেন তেওঁৰ কান্ধত হাত এখন থৈ "আধা-ভাগ" বুলি মাত দিছে। ভেলজঁই দিঠক নে স্বপ্ন একো ঠিক কৰিব নোৱাৰিলে। যিটো মানুহে আহি ভেলজঁৰ গাত ধৰি 'আধা-ভাগ' বুলি মাত দিছিলহি, সি ইমান সাৱধানে ভৰি টিপি আহিছিল যে সি আহি ভেলজঁৰ কাষ চপা ভেলজঁই অকণকে গম ধৰিব পৰা নাছিল। ভেলজঁই মানুহৰ মাত শুনিও মানুহৰ মাত বুলি প্ৰথমতে কোনোবকমেই নিজক নিজে বুজাব নোৱাৰিলে। ভেলজঁৰ ঈশ্বৰৰ অনুগ্ৰহৰ ওপৰত অটল বিশ্বাস। দৈৱৰ অনুগ্ৰহে অনেকবাৰ তেওঁক অনেক বিপদত পৰিত্ৰাণ কৰি আহিছে। ভেলজঁই ভাবিলে—ই নিশ্চয় কোনো দৈৱ-অনুগ্ৰহ। তাতে এনে নৰকৰ মাজলৈ মানুহ অহা একেবাৰেই অসম্ভৱ কথা। ভেলজঁই লাহেকৈ মূৰ দাঙি চাই পঠিয়ালে। পোহৰত মানুহটোৰ মুখ ভালকৈয়ে দেখা গৈছিল। মানুহটোৰ মুখখন দেখা মাত্ৰকে ভেলজঁৰ গোটেই গা শিয়ঁৰি উঠিল। মানুহটো টেনাৰ্ডিয়ে। গাত এটা ফটা ব্লাউছ চোলা। ভৰি খালি। এনে আকস্মিকভাৱে এনে ভীষণ ঠাইত টেনাৰ্ডিয়েক দেখি ভেলজঁ ভয়-বিস্ময়ত অধীৰ হৈ পৰিল। কিন্তু ভেলজঁৰ বিচিত্ৰময় জীৱনত এনে আকস্মিক দুৰ্যোগ এয়ে নতুন নহয়। আকস্মিক বিপদত চিৰঅভ্যস্ত ভেলজঁ খন্তেকৰ ভিতৰতে প্ৰশান্ত হৈ পৰিল। টেনাৰ্ডিয়েই জুমি-জামি ভেলজঁৰ মুখখন চাবলৈ ধৰিলে। তেজ-বোকাই ভেলজঁৰ মুখখন ঢাকি পেলাইছিল। টেনাৰ্ডিয়েই ভেলজঁক চিন ধৰিব নোৱাৰিলে।

টেনাৰ্ডিয়েই সুধিলে—"ওলাই যাবা কেনেকৈ?"

"তাকেহে ভাবিছো।"

"তেন্তে আধা-ভাগ মোক দিয়া।"

"কিহৰ আধা-ভাগ?"

"তুমি মানুহটো মাৰি যি পালা তাৰ আধা-ভাগ। এয়া চোৱাঁ, মোৰ হাতত এই তলাটোৰ চাবি আছে।"

টেনাৰ্ডিয়েই ভেলজঁক তাৰে দৰেই কোনো ডকাইত বুলি ভাবিছিল। ভেলজঁৰ মনত গোটেই ঘটনাটো এটা সপোন যেন লাগিল। তেওঁৰ মনত হল, যেন সৰ্ব্বশক্তিমান পৰমেশ্বৰে তেওঁক এই বিপদৰপৰা উদ্ধাৰ কৰিবলৈকে এই ভীষণ নৰহন্তাৰ ৰূপ ধৰি তেওঁৰ আগত এইদৰে উপস্থিত হৈছেহি।

টেনাৰ্ডিয়েই মাত দিলে—'কি ভাবিছাঁ, ছাবিটো দেখিছা নহয়! মোক কি দিবা দিয়া।"

ভেলজঁই জেপত হাত ভৰালে। ভেলজঁৰ জেপত সদায় ধন থাকে। তেওঁৰ বিষাদপূৰ্ণ জীৱনৰ অশেষ অভিজ্ঞতাই তেওঁক সদায় হাতত ধন ৰাখিবলৈ এটা নিয়ম বান্ধি দিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ আজি তেওঁৰ হাত খালি। ৰাতি সৈনিকৰ সাজ-কাপোৰ পিন্ধিবৰ সময়ত লৰা-লৰিৰ বেগত তেওঁ ধন লবলৈ পাহৰি আহিল। ৱাচকোটৰ জেপত মাথোন কেতিয়াবাই ভৰাই থোৱা কেইফ্ৰাঁ মান ধন আছিল। তাকে তেওঁ টেনাৰ্ডিয়েৰ হাতত গুজি দিলে।

টেনাৰ্ডিয়েই কলে—"ইয়ালৈকে মানুহটো মাৰিলা।" কিন্তু ভিতৰি তাৰ বিশ্বাস নহল। সি এখুজি-চপ্‌জিকৈ কাষ চাপি মেৰিয়াছ আৰু ভেলজঁৰ জেপকেটা লুটিয়াই-বগৰাই চাবলৈ ধৰিলে। জেপ চাই থাকোতেই ভেলজঁই কব নোৱৰাকৈ সি মেৰিয়াছৰ চোলাটোৰ কাপোৰ এডোখৰ-ফালি লৈ তাৰ জেপত সুমুৱাই থলে। উদ্দেশ্য—এই কাপোৰ ডোখৰ লৈয়ে সি আগলৈ দুয়োকে আৱশ্যক হলে ধৰা পেলাব পাৰিব। জেপ চোৱা শেষ হলত সি মাত লগালে—"সচা, আৰু একো নাই।" এইবুলি সি আধা-ভাগৰ কথা ওলায় বুলি লৰালৰিকৈ খালৰ দুৱাৰখন খুলি কৰলৈ ধৰিলে—"যোৱা, যোৱা; বেগাই ওলাই যোৱ।"



অচেতন মেৰিয়াছক কান্ধত তুলি লৈ ভেলজঁ খালৰ পৰা ওলাই আহিল। ভিতৰৰপৰা টেনাৰ্ডিয়েই দুৱাৰ বন্ধ কৰি দিলে। খন্তেকৰ পাছতে ভেলজঁৰ চকুৰপৰা তেওঁৰ ভীষণ ত্ৰাণকৰ্ত্তা অদৃশ্য হৈ পৰিল। ভেলজঁ চীন নৈৰ পাৰত মুকলি বতাহত মুকলি মনেৰে ঠিয় হল।

ভেলজঁই মেৰিয়াছক কান্ধৰপৰা নমাই বালিৰ ওপৰত শুৱাই দিলে। অন্ধকাৰ, দুৰ্গন্ধ, ক্লান্তি আদিৰপৰা মুক্ত হৈ তেওঁ এক উদাৰ আকাশৰ তলত আকৌ মুক্তভাৱে উশাহ-নিশাহ লবলৈ ধৰিলে। তেওঁ যেন এক পুনৰ্জন্ম লাভকৰিলে। নিশাৰ সাদৰি হাতে তেওঁৰ মূৰৰ ওপৰত অসীম-অনন্তৰ সকলো সুখ বিতৰণ কৰিবলৈ ধৰিলে। তেওঁ ভাৱত বিভোৰ হৈ পৰিল। এই অসীম কৰুণাৰ বাবে ভেলজঁই এবাৰ আকাশৰ ফালে মূৰ তুলি চাই জানিও-নজনাজনৰ উদ্দেশে মূৰ নোদোঁৱাই থাকিব নোৱাৰিলে। হৃদয়ৰ অসীম কৃতজ্ঞতা জনাই ভেলজঁ গদ্‌গদ্‌ হৈ পৰিল।

নিশা গহীন হৈ আহিল। ভেলজঁই ইফালে-সিফালে ঘূৰি-পকি চাই পানীলৈ নামি গল। হাতৰ কাঁজলিত পানী ভৰাই আনি মেৰিয়াছৰ মুখত ঢালি দিলেহি। পানী পায়ো মেৰিয়াছৰ চকুৰ পতাযুৰিয়ে অকণো কাতি-কুতা নকৰিলে। ভেলজঁই আকৌ পানী আনিবলৈ বুলি পানী-জুৰীলৈ পালেগৈ। মেৰিয়াছে তেতিয়াও আগৰদৰেই উশাহ-নিশাহ মাথোন লৈ আছিল। ভেলজঁই পানী লবলৈ বুলি অলপ কুজা হৈ পানীত হাত জুবুৰিয়াইছে মাথোন, এনেতে কোনোবাই আহি তেওঁৰ কান্ধত হাত দিয়া যেন তেওঁ গম পালে। পানী কাঁজলি তুলি নানি তেওঁ ঠিয় হৈ উভতি চাই পঠিয়ালে। পুলিছৰ পোছাক পিন্ধা এটা ওখ মানুহ তেওঁৰ পাছতে সতৰ্কভাৱে ঠিয় হৈ আছে। ভেলজঁই দেখামাত্ৰকে মানুহটো চিনি পেলালে। মানুহটো পুলিছ ইন্সপেক্টৰ জাভেয়াৰ।

এটা বিপদৰপৰা উদ্ধাৰ হৈ আহি দুখোজ যাবলৈ নৌ-পাওঁতেই আকৌ এক নতুন বিপদ। ভেলজঁই এইবাৰ জাভেয়াৰৰ হাতত পৰি বিপদ তেওঁৰ জীৱনৰ স্বতঃসিদ্ধ বুলি ধৰি ললে। জাভেয়াৰে ভেলজঁক চিনি নাপালে।

জাভেয়াৰে মাত দিলে—"তই কোন?"

"মঁ ভেলজঁ।"

জাভেয়াৰ চক্‌খাই উঠিল। ওচৰ চাপি জুমি-জামি চাবলৈ ধৰিলে। ভেলজঁই কলে—"ইন্সপেক্টৰ জাভেয়াৰ, মই এতিয়া তোমাৰ হাতত। তথাপি পুৱাৰেপৰা মোক তোমাৰ বন্দী বুলিয়েই ভাবি আহিছো। মই তোমাক ফাঁকি দিবলৈ মোৰ ঠিকনা দিয়া নাছিলো। মোক বন্দী কৰা; কিন্তু তুমি মোৰ এটা প্ৰাৰ্থনা ৰাখিব লাগিব।"

"তই ইয়াত কি কৰিছ? সেইটো কোন মানুহ?"

"তাৰ কথাকে মই কব খুজিছো। মোক যি ইচ্ছা তাকে কৰা, কিন্তু মানুহটোক তাৰ ঘৰত থৈ আহিবলৈ মোক সময় দিয়া।"

"ই যুদ্ধ-ক্ষেত্ৰত আছিল, ইয়াকে সিহঁতে মেৰিয়াছ বুলি মাতিছিল। তই তাক যুদ্ধক্ষেত্ৰৰপৰা লৈ আহিছ।"

"ওঁ, মই ইয়াক ৬নং ৰু দে ফিল্‌ কেলভেয়াৰত তাৰ ককাকৰ ঘৰত থৈ আহোঁগৈ।" এই বুলি ভেলজঁই মেৰিয়াছৰ জেপৰপৰা বহীখন উলিয়াই জাভেয়াৰক ঠিকনাটো দেখুৱাই দিলে। জাভেয়াৰে অলপমান পৰ নিতাল মাৰি থাকি "গাড়োৱান, গাড়োৱান" বুলি চিঞৰিবলৈ ধৰিলে।

অলপ আঁতৰতে এখন ভেৰোণীয়া গাড়ী আছিল। মাত শুনি গাড়োৱান গাড়ী লৈ জাভেয়াৰৰ ওচৰত হাজিৰ হলহি। মেৰিয়াছক ধৰা-ধৰিকৈ গাৰীত তুলি পাছৰ বহা ঠাইডোখৰত শুৱাই দিলে। আগৰ ঠাইডোখৰত ওচৰা-ওচৰিকৈ জাভেয়াৰ আৰু ভেলজঁ দুয়ো বহি পৰিল। জাভেয়াৰে গাড়োৱানক হুকুম দিলে—"৬ নং ৰু দে ফিল কেলভেয়াৰ।"

গাৰী চলিবলৈ ধৰিলে। গাৰীৰ ভিতৰত কাৰো মাত-বোল নাই। মেৰিয়াছ অচেতন, ভেলজঁ চিন্তান্বিত, জাভেয়াৰ প্ৰস্তৰ-প্ৰায়। বাট-পদূলিও জন-মানৱ-শূন্য। গোটেইখন কাঁহপৰি জীণ যোৱা। গাৰীখন গৈ থাকোতে অ'ত ত'ত থকা গছ-বস্তিবোৰৰ পোহৰ আহি এই বিষাদৰ প্ৰতিমূৰ্ত্তি কেটা মাজে মাজে পোহৰাই দি গহীন নিশাটো আৰু গহীনাই তুলিছিল;

গাৰী আহি নিৰ্দ্দিষ্ট স্থানত ঠিয় দিলে। জাভেয়াৰে গাৰীৰপৰা নামি গৈ দুৱাৰত শব্দ কৰিলে। দাৰোৱান দুৱাৰ খুলি ওলাই আহিল। জাভেয়াৰে সুধিলে—"এইটো জিল নবমেওৰ ঘৰ হয়নে ?"

"হয় ; কি লাগে ?"

"তেওঁৰ নাতিনিয়েকক যুদ্ধ-ক্ষেত্ৰৰপৰা লৈ আহিছো। ধৰ, ভিতৰলৈ লৈ বল।"

বাহিৰৰ কথা বাৰ্ত্তা শুনি বুঢ়াৰ জীয়েকো গাৰ পাই নামি আহিল। এটাইখনে ধৰা-ধৰিকৈ মেৰিয়াছক ভিতৰলৈ লৈ গল। বুঢ়াক টোপনি ভাঙি খবৰ দিবলৈ কাৰো সাহ নহল। মেৰিয়াছক বাহিৰৰ কোঠা এটাতে ভালকৈ শুৱাই-মেলি চাকৰ-নাকৰহঁত ডাক্তৰ বিচাৰি পিয়াপি দিলে।

ভেলজ্ঞ আৰু জাভেয়াৰ নামি আহি আকৌ গাৰীত উঠিল। গাৰোৱানে গাৰী চলাব খোজোতেই ভেলজ্ঞঁই জাভেয়াৰক কলে—"ইন্সপেক্টৰ জাভেয়াৰ, মোৰ আৰু এটা কথা ৰাখা। মোক এক মুহূৰ্ত্তৰ কাৰণে ঘৰলৈ যাবলৈ দিয়া, তাৰ পাছত তোমাৰ যি ইচ্ছা তাকে কৰিবা।"

জাভেয়াৰে অলপমান পৰ তলকা মাৰি থাকি গাৰোৱানক হুকুম দিলে—"৭নং ৰু দি লা হোম আৰ্ম্‌।"

গাৰী ভেলজ্ঞৰ ঘৰমুৱা হল। দুয়োজন আকৌ নিমাত আৰু চিন্তান্বিত। ভেলজ্ঞঁই ভাবিছিল—ঘৰলৈ গৈ তেওঁ কি কৰিব ? যি কাম আৰম্ভ কৰিছিল তাক তেওঁ শেষ কৰি আহিব। কজেটক মেৰিয়াছৰ বাতৰি দিব, কজেটৰ কাৰণে তেওঁৰ আৰু যি কৰিবলগীয়া আছে তাক সমাধা কৰিব। জাভেয়াৰে কি ভাবিছিল ? জাভেয়াৰে কি ভাবিছিল জাভেয়াৰে নিজেহে নাজানে।

গাৰী আহি ভেলজ্ঞঁৰ ঘৰৰ আগত ঠিয় হল। জাভেয়াৰ ভেলজ্ঞ দুয়ো গাৰীৰপৰা নামি গল। জাভেয়াৰে গাৰীৰপৰা নামিয়ে গাৰোৱানক সুধিলে—"তোৰ কেৰেয়া কিমান হল ?"

"ইন্সপেক্টৰ ডাঙৰীয়া! ৭ঘণ্টা ১৫মিনিটৰ গাৰী কেৰেয়া, তাৰ উপৰি সেই মৰা মানুহজনৰ তেজ লাগি মোৰ গাৰীৰ দলিছাখন নষ্ট হৈ গৈছে।"

"মোটে তোক এতিয়া কি লাগে ?"

"৮০ ফ্ৰাঁ।"

জাভেয়াৰে জেপৰপৰা ৪টা নেপলিয়ান মোহৰ উলিয়াই গাৰোৱানটোৰ হাতত দি তাক বিদায় দিলে। গাৰোৱানে ছেলাম দি নিমিষতে গাৰী লৈ ভাবপৰা আঁতৰ হৈ পৰিল। গাৰী যোৱা দেখি ভেলজ্ঞঁই ভাবিলে তেওঁক ইন্সপেক্টৰে থানালৈ খোজকঢ়াই নিবৰ মন কৰিছে।

ভেলজ্ঞঁই ঘৰৰ কাষ চাপি দুৱাৰত টুকিয়াবলৈ ধৰিলে। দাৰোৱান আহি দুৱাৰ খুলি দিলে। ভেলজ্ঞ ভিতৰ সোমাব খুজিয়ে উভতি জাভেয়াৰৰ মুখৰফালে চাই পঠিয়ালে। মনৰ ভাব—যদি অবিশ্বাস কৰে, জাভেয়াৰেও তেওঁৰ লগে লগে ভিতৰলৈ সোমাই আহিব পাৰে। ভেলজ্ঞঁৰ চাৱনৰ অৰ্থ বুজি জাভেয়াৰ উত্তৰ দিলে—"তই সোমাই যা, মই ভিতৰ নোসোমাওঁ ; ইয়াতে ৰৈ থাকিম।"

ভেলজ্ঞ আচৰিত হল। কাৰণ আচামীক এনেভাৱে এৰি দিয়া জাভেয়াৰৰ পক্ষে সম্পূৰ্ণ নতুন ঘটনা। ভেলজ্ঞঁই ভাবি ভাবি ভিতৰ সোমাল অলপ গৈয়ে, ভাগৰ মাৰিবলৈকে নে নাই কিবা এটা ভাবিবলৈকে, অলপ ৰৈ পৰিল। খিৰিকিয়েদি মুখ উলিয়াই বাহিৰৰ ফালে চাই পঠিয়ালে। চায়ে তেওঁ আচৰিত হৈ পৰিল। জাভেয়াৰ থকা ঠাইত নাই।

ভেলজ্ঞ ভিতৰ সোমাই যোৱা মাত্ৰকে জাভেয়াৰ ততালিকে তাৰপৰা গুচি আহিল। তললৈ মূৰ কৰি কিবা এটা ভাবি ভাবি তেওঁ উদ্দেশ্যবিহীনভাৱে বাটে বাটে খোজ ললে। জীৱনত এই প্ৰথমবাৰ জাভেয়াৰে পাছলৈ হাত কৰি তলমুৱা হৈ খোজ কাঢ়িলে। জাভেয়াৰৰ দুটা ভঙ্গী আছিল। যেতিয়া তেওঁ স্থিৰসংকল্প হৈছিল, তেতিয়া তেওঁ বুকৰ ওপৰত ইখনৰ ওপৰত সিখন হাত দি ঠিয় দিছিল। যেতিয়া তেওঁ বিমোৰ হৈছিল, তেতিয়া তেওঁৰ হাত দুখনে পাছফালে ঠাই পাইছিল। জাভেয়াৰক এটায়ে প্ৰথমটো ভঙ্গী অনুসৰণ কৰা দেখা পাইছিল, কিন্তু শেহৰটো ভঙ্গীত তেওঁক কোনেও ক'তো দেখা নাছিল।

জাভেয়াৰে ভেলজ্ঞক মুক্তি দি গুচি আহিল। জাভেয়াৰে ভেলজ্ঞঁক মুক্তি দিলে কিয় ? ভেলজ্ঞ জাভেয়াৰৰ



প্ৰাণদিওতা। ভেলজ্ঞঁৰ ওচৰত জাভেয়াৰ তাৰ জীৱনৰ কাৰণে ধৰুৱা। সেইঋণ পৰিশোধ কৰিবলৈ হলে—জাভেয়াৰে ভেলজ্ঞক মুক্তি দিব লাগিব। জাভেয়াৰে তাকেই কৰিলে। ভেলজ্ঞ যেই ভিতৰ সোমাই গল জাভেয়াৰে ভেলজ্ঞক মুক্তি দি তাৰপৰা মনে মনে গুচি আহিল।

কিন্তু জাভেয়াৰে কৰিলে কি ? যাৰ জীৱন কৰ্ত্তব্যৰ ওপৰতেই প্ৰতিষ্ঠিত, যি এদিনলৈকো এখোজো কৰ্ত্তব্যৰ পৰা পিছ হুহকি অহা নাই, সেই জাভেয়াৰে ইমান এটা ডাঙৰ কৰ্ত্তব্যৰপৰা ভ্ৰষ্ট হল কেনেকৈ ? আইনৰ চকুত জাভেয়াৰ বহুত দোষে দোষী, পলৰীয়া আচামা, ভীষণ দস্যু ভেলজ্ঞক তেওঁ এৰি দিলে কেনেকৈ ?

জাভেয়াৰৰ অৱস্থা আজি বৰ্ণনাৰ অতীত। ভেলজ্ঞঁ হেন দস্যু এটাৰপৰা নিজৰ জীৱন ধাৰেলোৱা আৰু সেই ধাৰ পৰিশোধ কৰিবলৈ গৈ কৰ্ত্তব্য-ভ্ৰষ্ট হোৱাতকৈ জাভেয়াৰৰ পক্ষে আৰু বেছি লাজ-অপমানৰ কথা আৰু একো হব নোৱাৰে। কিন্তু উপায় নাই। যেনে তেনে উপায়েৰে জাভেয়াৰ ভেলজ্ঞঁৰ ওচৰত ঋণী আৰু সেই ঋণ যেনে তেনে উপায়েৰে পৰিশোধ কৰিবই লাগিব।

জাভেয়াৰ ভাবি ভাবি আচৰিত হৈ পৰিল। ভেলজ্ঞঁ হেন দস্যুৱে সুবিধা পায়ো তাৰ চিৰশত্ৰু জাভেয়াৰক বিনা প্ৰতিশোধে এৰি দিলে কিয় ? ভেলজ্ঞঁক এৰি দি জাভেয়াৰ দাৰুণ অপমানত জঁয় পৰি আহিল। কৰ্ত্তব্যৰ তুলনাত জাভেয়াৰে নিজক কোনোমতেই ভেলজ্ঞঁতকৈ ওখ আসন দিব নোৱাৰিলে। ভেলজ্ঞ দস্যু—জাভেয়াৰ কৰ্ত্তব্য-ভ্ৰষ্ট। আৰু কেতিয়া কৰ্ত্তব্য-ভ্ৰষ্ট ? নিজৰ প্ৰাণৰ বাবে এটা ঘৃণিত দস্যুৰ হাতত !

জাভেয়াৰে আইন লঙ্ঘন কৰিলে। আচামীক পায়ো এৰি থৈ আহিল ! এটা দুৰ্দ্দান্ত কয়দীক মুক্তি দিলে। ইয়াতকৈ জাভেয়াৰে আৰু কি ডাঙৰ অন্যায় কৰিব পাৰে ! জাভেয়াৰে এনে অন্যায় সহ্য কৰে কেনেকৈ ? এই অন্যায়ৰ প্ৰতিকাৰ কৰিবই লাগিব। প্ৰতিকাৰ কৰিবলৈ হলে হয় ভেলজ্ঞঁক পুনৰাই গ্ৰেপ্তাৰ কৰি আনি ফাটেক দিব লাগিব, নতুবা—

তেতিয়া মাজনিশা পাৰ হৈ গৈছিল। চাৰিওপিনে ঘোপমৰা এন্ধাৰ। নিজৰ গাটোকে নিজে দেখা নাপায়। আকাশ মেঘে ঢাকি পেলাইছে। 'ছাইট'ৰ ঘৰবিলাকত ক'তো এগছো চাকি নাই। বাট-পদূলিবোৰ জন-প্ৰাণী-হীন মৰিশালিৰ দৰে। নটাৰডেম আৰু পেলেছ অৰ্ জষ্টিছৰ উচ্চ প্ৰাচীৰবিলাক নিশাৰ এন্ধাৰত নিশাৰেই সহচৰী যেন দেখা গৈছিল। ভীষণ ৰজনীৰ গহীন এন্ধাৰৰ মাজত তীব্ৰভাৱে জ্বলি থকা চীন নৈৰ পুলৰ ওপৰৰ ৰঙা বন্তি গছাৰ ক্ষীণ পোহৰত দূৰে দূৰে থকা নৈৰ ওপৰৰ দলঙবোৰে একো-একোটা বিকট দানৱী মূৰ্ত্তি ধৰি বিকট নিশাটো আৰু বিকট কৰি তুলিছিল।

বাৰিষাৰ চীন নৈ ফেনে-ফোটোকাৰে ওফন্দি উঠিছে। চীন নৈৰ ওপৰৰ দলঙ এখনৰ দেওঁৱাত আঁউজি চকুৰ আগত শত-সহস্ৰ চাকনৈয়া লৈ জাভেয়াৰ চিন্তাত আকুল। চাকনৈয়া উঠিছে গৈছে ; আদি-অন্ত নাই। চীন নৈৰ তৰ্জ্জন-গৰ্জ্জন আৰু ভীষণ অন্ধকাৰৰ বাহিৰে তাত আন একো নাই। চকুত চীন নৈৰ হেন্দোলদোপ, কাণত পানীৰ ৰাও-ৰাৱনি। জাভেয়াৰে একান্তমনে এই প্ৰকৃতিৰ প্ৰলয়-ঙ্কৰী ৰূপৰ ফালে চাবলৈ ধৰিলে। কিছুমান বেলিৰ পাছত হঠাৎ মূৰৰ টুপিটো খুলি পুলৰ ওপৰত থলে। তাৰ পাছ মুহূৰ্ত্ততে দীঘল কলা আকৃতি এটাই নৈৰফালে হাউলি কুঁজা হৈ বৰ বেগেৰে এন্ধাৰত মিলি যোৱা যেন দেখা গল। পানীত জপংকৰে এটা শব্দ উঠিল। ক্ষন্তেকৰ ভিতৰতে মাৰ গল। আগৰদৰেই তৰ্জ্জন-গৰ্জ্জন কৰি চীন নৈৰ চাকনৈয়া ঘূৰিবলৈ ধৰিলে। ৰাতিৰ এন্ধাৰৰ বাহিৰে ক'ত কোন অদৃশ্য হল, কোনেও একো গমকে ধৰিব নোৱাৰিলে।

( আগলৈ )

শ্ৰীথানেশ্বৰ হাজৰিকা

# আগৰ দিনৰ আৰু এতিয়াৰ ছোৱালী *

সভাপতি মহোদয়া, উপস্থিত ভদ্ৰমহিলা আৰু মৰমৰ ছাত্ৰসকল !

যেতিয়া মই ডিব্ৰুগড়ত আছিলো, এদিন এখন চিঠি পালো। সেইখন চিঠি মাননীয়া মিছ্ হেই মোলৈ লেখিছে। তেখেতে সেই চিঠিত মোক অনুৰোধ কৰিছে যোলে তেখেত-সকলৰ জুবিলি উৎসৱৰ সময়ত মই যেন ৫০ বছৰৰ আগৰ আসামৰ লগত তুলনা কৰি বৰ্ত্তমানলৈকে যি সামাজিক উন্নতি হৈছে সেই সম্পৰ্কে দুআষাৰমান কথা কওঁ।

তেখেতৰ চিঠি পাই মহা ভাবনাত পৰিলো ; কাৰণ মোৰ নিজৰ অভিজ্ঞতা অতি কম। সেইকাৰণে যাকে ওচৰত পাওঁ তেওঁৰপৰাই এই সম্পৰ্কে মতামত লবলৈ আৰম্ভ কৰিলো।

যাকে সোধো কি উন্নতি হৈছে বুলি, সকলোৱে পৰা একে উত্তৰ পাওঁ। তেওঁবিলাকে কয়,—একো উন্নতি হোৱা নাই, অধোগতিহে হৈছে। আজি-কালিৰ ছোৱালীৰ স্বাস্থ্য নাই ; দুৰ্ব্বল, কাম কৰিব নোৱাৰে বাবু হৈছে, আৰু খালি ধুন-পেচ মাৰিবলৈহে শিকিছে। আগৰ দিনৰ ছোৱালীৰ স্বাস্থ্য আছিল, সবল আছিল, কাম কৰিব পাৰিছিল, ইত্যাদি।

ওপৰৰ মতামতবিলাক আংশিকৰূপে সঁচা হব পাৰে।" কিন্তু "একো উন্নতি হোৱা নাই। অধোগতিহে হৈছে" এই কথাষাৰ ঠিক নহয়। আমাৰ সামাজিক বহুত উন্নতি হৈছে !

মোৰ ৫০ বছৰৰ আগৰ অভিজ্ঞতা নাই আৰু গোটেই আসামৰ অভিজ্ঞতাও মোৰ নাই। ২৫ বছৰৰ আগৰ আসামৰ কথা মোৰ মনত আছে, আৰু মোৰ যি অভিজ্ঞতা সেই অভিজ্ঞতা মোৰ ওচৰ-চুবুৰীয়াৰ, আত্মীয়-কুটুম্বৰ, বন্ধুবান্ধৱৰ ভিতৰতে সীমাবদ্ধ। মোৰ এই সামান্য অভিজ্ঞতাৰ কথাহে আজি মই আপোনা-সকলৰ আগত কম। পূৰ্ব্বে আমাৰ ছোৱালীৰ মাজত লেখা-পঢ়াৰ চৰ্চ্চা নাছিল। আজিকালি আমি লেখি-বলৈ পঢ়িবলৈ শিকিছো, নিজৰ লৰা-ছোৱালীকো শিকা-ইছো ; ইয়াৰপৰা আমাৰ বহুত উপকাৰ হৈছে। জ্ঞানী-সকলে নানা অসুবিধা ভোগকৰি, নানা দুখ-কষ্ট সহ কৰি জ্ঞানলাভ কৰি সেই জ্ঞান, সেই অভিজ্ঞতা, আমাৰ উপকাৰৰ কাৰণে কিতাপত লেখি থৈ গৈছে। আমি সেইবিলাক কিতাপ পঢ়ি সেই জ্ঞান লাভকৰি, আমাৰ জীৱনত খটাই বহুত উপকাৰ পাইছো। গাধাই নানা সুখাদ্য আৰু ধন-বস্তু বোজা বয়, কিন্তু সেইবিলাক বস্তু সিহঁতৰ ভোগত নাহে। সেইদৰে খালি কিতাপ পঢ়ি-লেই জ্ঞানী হব নোৱাৰি, সেই বিদ্যা কামত লগালেহে প্ৰকৃত জ্ঞানী হয়। মই আজি কবলৈ গৰ্ব্ব অনুভৱ কৰিছো যে যিবিলাক শিক্ষিত অসমীয়া ছোৱালীৰ লগত মোৰ পৰিচয় আছে তেওঁবিলাক প্ৰত্যেকে নিজ বিদ্যা কামত খটাই বিদ্যা-আৰ্জ্জনৰ গৌৰৱ বঢ়াইছে।

মানুহে কয় "এক শিকে লেখি, এক শিকে দেখি।" আমি বাহিৰত ফুৰি, মানুহৰ লগত মিলি, বহুত জ্ঞানলাভ কৰিব পাৰো। পূৰ্ব্বে আমাৰ এই সুবিধা নাছিল। কিন্তু আমি আজিকালি দেশ-বিদেশৰ মহিলাৰ লগত মিলিবলৈ সুবিধা পাইছো। তেখেতসকলৰ লগত মিলি আমাৰ বহুত উপকাৰ হৈছে। পৰৰ উপকাৰ কৰিবৰ কাৰণে তেখেতসকলে নিজ জন্মভূমি, আত্মীয়-স্বজন, সুখপূৰ্ণ ঘৰ এৰি আহিছে। অশেষ অসুবিধায়ো তেখেত-সকলৰ উৎসাহ কমাব পৰা নাই। তেখেতসকলৰ উদাহৰণ দেখি আমি বুজিছো যে খালি নিজক লৈয়ে থাকিবলৈ আমি সংসাৰলৈ অহা নাই। সংসাৰত ভিৰোতা-সকলৰো কৰিবলগীয়া বহুত কাম আছে। স্বাৰ্থপৰ নহৈ যি জগতত জন্ম লভিছো সেই জগতৰ যদি সামান্য উন্নতি কৰিব পাৰো, যদি এজনৰো দুখ গুচাব পাৰো, তেনেহলেহে জীৱন-ধাৰণৰ সাৰ্থকতা হব।

---

* নগাঁৱৰ মিছন গাৰ্লচ্ স্কুলৰ জুবিলি উৎসৱত কোৱা দুআষাৰমান কথা।



পূৰ্ব্বে "ডাঙৰ মানুহ" "সৰু মানুহ" এই দুটা কথাৰ বৰ প্ৰচলন আছিল, কিন্তু আজিকালি লাহে লাহে এই ভাবটো আমাৰ সমাজত কমি আহিছে। আজি-কালি সমাজত গুণৰ আদৰ বাঢ়িছে। বংশ-গৌৰৱ লাহে লাহে কমি আহিছে। ডাঙৰ বংশত উপজিলেও গুণ নাথাকিলে আজিকালি সমাজত তেওঁৰ আদৰ নাই।

পূৰ্ব্বৰ ভালমানুহৰ ছোৱালীৰ লক্ষণ আছিল:— লাহে লাহে খোজ কাঢ়িব, লাহে লাহে কথা কব, হিচাপ নাজানিব, চুবনিত ভাতেৰে দম খাব ইত্যাদি। অৰ্থাৎ যিমানেই অকৰ্ম্মণ্য হব সিমানেই ভাবিব যে তেওঁৰ গাত ডাঙৰ মানুহৰ লক্ষণ সম্পূৰ্ণৰূপে প্ৰকাশ পাইছে। কিন্তু আজিকালি আমি তাৰ ঠিক ওলোটা বুজো। যিজনী ছোৱালীয়ে খৰকৈ খোজ কাঢ়িব, যিজনী ছোৱা-লীৰ স্ফূৰ্ত্তি আছে সেইজনী ছোৱালীহে আমাৰ চকুত লাগে। যিজনী ছোৱালী মিতব্যয়ী হব সেইজনী ছোৱালীহে আজিকালি আমি আদৰ কৰো।

পূৰ্ব্বে মানুহে ভাবিছিল ভদ্ৰলোক হৈ শাৰীৰিক পৰিশ্ৰম কৰা বৰ লাজৰ কথা। ঘৰ ঘৰ গাকত বহি আউজি থাকিব, সেটীয়ে মুখ আচুৰি দিব, ভৰি পিটিকি দিব, বিছনিৰে বিছি থাকিব, এইবিলাকহে ডাঙৰ মানুহৰ লক্ষণ। কিন্তু আজিকালি এই ভাবৰ পৰিবৰ্ত্তন হৈছে। আজিকালিৰ ছোৱালীয়ে অযথা সময় নষ্টকৰা আৰু জীৱন নষ্টকৰা একে বুলি ভাবে। তেওঁবিলাকে সময় সৎকামত খটাব পাৰিলে নিজক সৌভাগ্যৱতী বুলি ভাবে।

আজিকালিৰ ছোৱালী 'বাবু' হৈছে, খালি ধুন-পেচ মাৰিবলৈ শিকিছে, এই কথাটো মোৰ মনেৰে হলে ঠিক নহয়। 'বাবু' হোৱা, ধুন-পেচ মৰা অন্যায় কাম নহয়। মানুহ সৌন্দৰ্য্যৰ উপাসক। সৌন্দৰ্য্যই আমাৰ চকুক তৃপ্তি দিয়ে। ধুনীয়া বস্তু সকলোৱে ভাল পায়। অৱস্থাৰ অতিৰিক্ত খৰচ কৰি নিজক সজোৱাহে অন্যায় কাম। যদি কম খৰচতে, সৰলভাৱে নিজক সজাই দহজনৰ চকুক তৃপ্তি দিব পাৰি তেনেহলে সেইটো আনন্দৰ কথাহে।

পূৰ্ব্বে আমাৰ দেশত ভদ্ৰ-মহিলাই মুগা বা পাটৰ মেখেলাহে পিন্ধে। কপাহী কাপোৰ পিন্ধা বৰ অপমান-জনক বুলি ভাবে। ২৫ বছৰমান পূৰ্ব্বে শুনিছিলো, কোনো কোনো ভদ্ৰমহিলাই ১০০৲ টকাৰ ব্লাউছ পিন্ধে। কোনো কোনো ভদ্ৰমহিলাই ৫০৲ টকাৰ ব্লাউছ পিন্ধে। কিন্তু আজিকালিৰ ছোৱালীয়ে ১০০৲ টকাৰ ব্লাউছ বা ৫০৲ টকাৰ ব্লাউছ পিন্ধিবলৈ বৰ সঙ্কোচ বোধকৰিব। আজিকালিৰ ছোৱালীয়ে সৰলভাৱে জীৱন-যাপন কৰাহে গৌৰৱজনক বুলি ভাবে। এনে কেইবাজনী ছোৱালীৰো কথা মই জানো যিবিলাকে নিজ হাতে সূতা কাটি নিজে সেই সূতাৰ কাপোৰ বৈ নিজে ব্লাউছ তৈয়াৰী কৰি পিন্ধে। নিজৰ পৰিশ্ৰমৰ বস্ত্ৰ নিজে যেতিয়া পিন্ধে তেতিয়া তেওঁবিলাকৰ মুখত গৌৰৱৰ ভাব ফুটি উঠে ; সেই গৌৰৱৰ ভাবৰ লগত পূৰ্ব্বৰ ১০০৲ টকাৰ ব্লাউছ পিন্ধা বা ৫০৲ টকাৰ ব্লাউছ পিন্ধাৰ গৌৰৱৰ তুলনা হব নোৱাৰে। যিবিলাক ছোৱালীয়ে নিজ হাতে সূতা কাটি, নিজে কাপোৰ বৈ, নিজে ব্লাউছ তৈয়াৰী কৰি পিন্ধি গৌৰৱ অনুভৱ কৰে, সেই ছোৱালীবিলাকৰ মাজৰ এটি ছোৱালী এই সভাতে উপস্থিত। তেওঁ আত্মগৌৰৱ শুনিবলৈ বৰ লাজ পায়, সেইকাৰণে তেওঁৰ নাম উল্লেখ কৰা নহল।

পূৰ্ব্বে কপাহী কাপোৰ পিন্ধা বৰ লাজৰ কথা আছিল। কিন্তু আজিকালিৰ ছোৱালীয়ে কপাহী মেখেলা পিন্ধিবলৈ ভাল পায়। এদিন এটি ছোৱালীক মই এটা ছিটৰ ব্লাউছ পিন্ধাব খুজিছিলো, কিন্তু তেওঁ 'মই ছিটৰ ব্লাউছ নিপিন্ধো, মোৰ লাজ লাগে' বুলি চিঞৰ-বাখৰ কৰিবলৈ ধৰিলে। মই যেন তেওঁক এটা অতি অন্যায় কামহে কৰিবলৈ কৈছো !

সিদিনা মই এই মিছন স্কুললৈ আহিছিলো। মান-নীয়া মিছ্ ভিকেলণ্ডে তেখেতসকলৰ জুবিলি সম্পৰ্কে যি গান শিকাইছে তাক শুনিবলৈ মোক লৈ গল। গান কৰা ছোৱালীবিলাক কত আছে বুলি সুধিলত জানিব পাৰিলো যে ছোৱালীবিলাকে ঢেকী দিছে। ভাত খাবৰ কাৰণে ধান বানি চাউল উলিয়াইছে। তেখেতে

ছোৱালীবিলাকক মাতি আনিলে, আৰু গান গাবলৈ কলে। তেওঁবিলাকে বৰ সুন্দৰ গান গালে। মই দেখি মুগ্ধ হলো। মনত হল, এইটো দৃশ্য স্বৰ্গীয়। আমাৰ মানুহে ভাবিছিল, লেখা-পঢ়া শিকিলেই মানুহ বাবু হয়; কিন্তু এনেকুৱা দৃশ্যই সেই ভাব আতৰাই দিছে।

গুৱাহাটীৰ এটি ছোৱালী ডিব্ৰুগড়ত মোৰ ওচৰত থাকি স্কুলত পঢ়িছিল। তেওঁ মেট্ৰিক দি ঘৰলৈ উলটি আহিল। যোৱা জুন মাহত তেওঁ আমাক চাবলৈ এই নগাৰলৈ আহিছিল। তেওঁবিলাকৰ ঘৰত ধানৰ খেতি আছে, তেওঁ নিজে ধান বানি আমালৈ /২০ সেৰ মান জহাচাউল লৈ আহিছিল। তেওঁবিলাকৰ ঘৰত ধান বনা মানুহ আছে। তথাপি তেওঁ আমাৰ মৰমত নিজে ধান বানি আনিছে। সেই চাউলৰ প্ৰত্যেকটো মোৰ মনত হীৰাৰ টুকুৰা যেন লাগিছিল। কাৰণ এই ঘটনাই আমাৰ মানুহৰ পূৰ্ব্বৰ ভাব—লেখা-পঢ়া শিকা ছোৱালীৰ থালি আকাশ-বিমানত উঠি আকাশে আকাশে ভ্ৰমণ কৰি ফুৰিবৰ হে হেপাহ হব, ঘৰুৱা বন খিণ কৰিব—এই ধাৰণাটো মিছা বুলি প্ৰমাণ কৰিছে।

এই দুটা ঘটনাই প্ৰমাণ কৰিছে যে আমাৰ ছোৱালীয়ে শাৰীৰিক পৰিশ্ৰমক ঘিণ কৰিবলৈ শিকা নাই, বৰং শাৰীৰিক পৰিশ্ৰম কৰাক গৌৰৱজনক বুলিহে ভাবে।

এগৰাকী অসমীয়া বি-এ পাছ কৰা ছোৱালীৰ লগত মোৰ ঘনিষ্ঠ সম্পৰ্ক আছে। চাকৰ আৰু ৰান্ধনিয়ে কাম কৰি তেওঁক সন্তুষ্ট কৰিব নোৱাৰে। তেওঁ ৰন্ধা-বঢ়া, ঠাই-সৰা, কাঁহি-বাতি ধোৱা সকলো কাম পৰাপক্ষত নিজ হাতে কৰিহে সুখ পায়। পায়খানা ঘৰৰ ওপৰখন জামাদাৰে সাফা কৰিলে তেওঁ সন্তুষ্ট নহয়, সপ্তাহে সপ্তাহে নিজ হাতে ফিনাইল দি ছাফা কৰিহে তেওঁ সন্তুষ্ট হয়। তেওঁ কয় "নিজ হাত জগন্নাথ।" কেতিয়াবা তেওঁৰ ঘৰলৈ গলে দেখো তেওঁ হাতত খন্তি লৈ ফুল কৰিছে, বা শাক-পাচলি কৰিছে, বা কাপোৰ বৈছে; তেওঁ এক মুহূৰ্ত্তও সময় নষ্ট নকৰে। তেওঁ এটা ছোৱালীৰ উচ্চ বিদ্যালয়ত কাম কৰে। তেওঁ মোক কৈছিল "মই ছোৱালী, ছোৱালীবিলাকৰ আন উপায়েৰে দেশৰ উপকাৰ কৰা সিমান সুবিধা নাই। কিন্তু মোৰ যি সামান্য বিদ্যা আছে সেই বিদ্যা যদি দেশৰ ভনীসকলক দান কৰিব পাৰো তেনেহলে দেশৰ এক ধনিষ্ঠামান উপকাৰ কৰিছো ভাবি মনত সামান্য তৃপ্তি পাম।" তেওঁৰ গুণত সকলো ছাত্ৰী মুগ্ধ। ছাত্ৰীবিলাকে তেওঁক বৰ ভাল পায়, বৰ শ্ৰদ্ধা কৰে।

মই আৰু এজন শিক্ষিত ছোৱালীৰ কথা কম। তেওঁ পূৰ্ব্বে আন ঠাইৰ এটা ছোৱালী স্কুলত কাম কৰিছিল। তাৰপৰা বদলি হৈ নিজৰ ঘৰৰ ওচৰৰ স্কুললৈ আহিল। তেওঁ আহি দেখে যে প্ৰত্যেকখন গামোচাত ১৲ টকা দাম দি মাকে বহাগৰ বিহুলৈ কিছুমান গামোচা কিনিছে। তেওঁ তেতিয়াই মাকক সেইবিলাক গামোচা ওলোটাই দিবলৈ অনুৰোধ কৰিলে আৰু কলে যে তেওঁ সেই গামোচা বিহুৰ পূৰ্ব্বে ঘৰতে বৈ দিম। বিহুলৈ ১০ দিনমানহে বাকী আছিল। সেই ১০ দিনৰ ভিতৰতে তেওঁৰ প্ৰতিজ্ঞামতে বিহুৰ পূৰ্ব্বেই তেওঁ মাকক গামোচা বৈ দিলে। আজিকালি তেওঁ স্কুলত কামো কৰিছে আৰু ঘৰত তিনিখন তাঁতও চলাইছে। এই যে মই মেখেলা পিন্ধিছো এই মেখেলা তেওঁৰে বোৱা, আৰু এই যে চাদৰ লৈছো এই চাদৰ তেওঁ নিজে সূতা কাটি বৈছে। পূৰ্ব্বতকৈ আজিকালি তেওঁৰ বেছি স্ফূৰ্ত্তি যেন দেখো, তেওঁক বেছি প্ৰফুল্ল যেন লাগে, কাৰণ যদি সোধো তেওঁ উত্তৰ দিয়ে "আজি কালি যে তাঁত বও, তাঁত বোৱাত এটা নিচা আছে সেই নিচাই মোক স্ফূৰ্ত্তি দিছে, প্ৰফুল্ল কৰিছে।"

ডিব্ৰুগড়ৰ ছোৱালী হোষ্টেলত এখন তাঁত লগাই দিয়া হৈছিল। সেই তাঁতৰ মাত শুনিলে ছোৱালীবিলাকে থিৰে থাকিব নোৱাৰে, লৰি আহি তাঁত বলৈ কাঢ়া-আজোৰা কৰেহি। তেওঁবিলাকে পাল কৰি এন্ধাৰ নোহোৱালৈকে সেই তাঁত বয়। এন্ধাৰ হলে পঢ়িবলৈ উঠি যায়। এটি ছোৱালীয়ে মোক কৈছিল যে তেওঁৰ খালি মনত হয় যে কেতিয়া ৰাতি শেষ হব, কেতিয়া ৰাতি পুৱাব, তেওঁ আকৌ কেতিয়া তাঁত ববলৈ পাব। কেতিয়াবা এদিনত চাৰি গজ, কেতিয়াবা তিনি গজ, কেতিয়াবা দুই গজকৈ বৈছিল।



আজিকালিৰ ছোৱালীয়ে বাহিৰে ভিতৰে কাম কৰিবলৈ সুবিধা পাইছে সেই কাৰণে তেওঁবিলাকৰ কাম কৰিবৰ শক্তি, উৎসাহ, উদ্যম বাঢ়িছেহে কমা নাই।

পূৰ্ব্বে ষ্টেশ্যনত দীঘল ওৰণীৰে মুখ ঢকা তিৰোতা মানুহ দেখা পাওঁ। বাহিৰত কি হৈছে তেওঁবিলাকে একো দেখা নাপায়। মাল-বস্তু নিয়াদি পুৰুষ মানুহে তেওঁবিলাকক লৈ যায়।

আজিকালি সেই দৃশ্য নেদেখো। অসমীয়া ভদ্ৰমহিলাসকলে আগৰ দৰে দীঘল ওৰণীৰে মুখ ঢাকি নাথাকে। তেওঁবিলাকৰ নিজৰ ওপৰত বিশ্বাস হৈছে, সাহ হৈছে। বিপদত পৰিলে নিজক ৰক্ষাকৰিবৰ শক্তি হৈছে। আজিকালিৰ ছোৱালীহে পুৰুষৰ আচল সহধৰ্ম্মিণী হবৰ উপযুক্তা। আজিকালিৰ ছোৱালীয়ে দুখ সুখৰ ভাগ লৈ পুৰুষৰ বোজাৰ ভাৰ কমাব, তেওঁবিলাক নিজে আৰু কাৰো বোজা নহয়।

শ্ৰীহেমপ্ৰভা দাস

---

# স্বৰলিপি

ভাৰতৰ আন আন প্ৰদেশত সঙ্গীতৰ চৰ্চ্চা বিশেষভাৱে হোৱাৰ বাবে প্ৰায় সকলো ঠাইতে সঙ্গীত সম্বন্ধীয় ভিন ভিন কিতাপ আৰু সাময়িক কাকত আদিৰ প্ৰচাৰ বাহুল্য দেখা যায়। কিন্তু আসামত এতিয়ালৈকে তেনেকুৱা দিন অহা নাই। সঙ্গীতৰ সাময়িক কাকত দূৰৰ কথা আনকি সাহিত্য, শিল্প, ৰাজনীতি সম্বন্ধে যি দুই এখন কাকত আছে, তাৰেই অৱস্থা শোচনীয়। গীতৰ কিতাপৰ যথেষ্ট অভাৱ থাকিলেও দুই চাৰিখন দেখুৱাব পাৰি, কিন্তু গান-বজানা শিক্ষা সম্বন্ধে ৺লক্ষ্মীৰাম বৰুৱা ডাঙৰীয়াৰ "সঙ্গীত-সাধন."ই মাথোন দেশৰ সন্মান ৰক্ষা কৰিছে। সেইখন কিতাপো আজিকালি পাবলৈ নাই। আশা কৰো গ্ৰন্থকাৰৰ সুযোগ্য পুত্ৰ শ্ৰীযুত প্ৰফুল্ল চন্দ্ৰ বৰুৱাই কিতাপখন আকৌ মুদ্ৰিত কৰি দেশৰ এটা ডাঙৰ অভাৱ দূৰ কৰিব। বৰ্ত্তমানে সিবোৰ কথা আমাৰ আলোচ্য নহয়।

এতিয়া মাহেকীয়া কাকতবিলাকত মাজে সময়ে দুটা এটা গানৰ স্বৰলিপি আলোচনা কৰা দেখা যায়। ইয়াৰ পৰাই বুজিব পাৰি যে দেশত শিক্ষিত সমাজৰ ভিতৰত সঙ্গীতৰ সমাদৰ অলপ হব ধৰিছে। আৰু এনেকৈ চলিলে দিনে দিনে বৃদ্ধি হৈ যাব। অৱশ্যে যি দেশত "অন্নচিন্তা চমৎকাৰ" সেই দেশত ললিত কলাৰ অনুশীলনৰ (Æsthetic culture) আশা নিচেই কম। কিন্তু যি এবাৰ সঙ্গীতৰ মাধুৰীৰ সোৱাদ পাইছে, যি এবাৰ সঙ্গীতৰ মাহাত্ম্য উপলব্ধি কৰিব পাৰিছে, তেওঁৱেই সঙ্গীতক জীৱনৰ চিৰসঙ্গিনী কৰি লৈছে—উৎসৱত, ব্যসনত, সুখত, দুখত তেওঁৰ ই এক মহা অৱলম্বন।

স্বৰলিপিৰ সৃষ্টি ক'ত, কিমান দিনৰপৰা হৈছে আৰু কেতিয়াৰপৰা উন্নতি হৈছে সিবোৰ মোৰ আলোচ্য নহয়। কিন্তু পুৰণি কালত বা বাদশাহী আমোলত ইমান উন্নত প্ৰণালীৰ স্বৰলিপিৰ প্ৰচলন নাছিল, মাথোন শ্ৰুতি আৰু স্মৃতিৰ দৰে ওস্তাদৰপৰা চাক্ৰেদপৰম্পৰা গীতৰ স্বৰবিলাক চলি আহিছিল। এনে অৱস্থাত গীতবোৰ মূল সুৰৰপৰা বিকৃত হৈ বেলেগ বেলেগ আকাৰ ধাৰণ কৰাটো অতি স্বাভাৱিক। এই কাৰণে একেটা গানৰ সুৰকে বেলেগ বেলেগ ওস্তাদৰ চাক্ৰেদে বেলেগ বেলেগ ধৰণে লিখিবলৈ বাধ্য হৈছে। অকল সেয়ে নহয়, ভাৰত-প্ৰসিদ্ধ লব্ধপ্ৰতিষ্ঠ ওস্তাদ তানসেনৰ বহুত গীতৰ সুৰ চিৰকালৰ নিমিত্তে লোপ পাইছে বুলি শুনা যায়। তেতিয়া যদি বৰ্ত্তমান পদ্ধতিত স্বৰলিপিৰ প্ৰচলন থাকিলহেঁতেন, তেনেহলে আজি সেই বাৰ লোপ নেপালেহেঁতেন।

এই স্বৰলিপিৰ স্বৰূপ, সংজ্ঞা, সূত্ৰ, প্ৰভৃতি আলোচনা কৰি প্ৰবন্ধৰ আকাৰ বঢ়াব নোখোজো। মুঠতে যি

কেৰাৰ কথা নকলে নচলে তাকে চমুকৈ লেখিলোঁ। পাঠকসকলৰ আগ্ৰহ দেখিলে ভবিষ্যতে এই বিষয়ে বহলাই আলোচনা কৰিবলৈ ইচ্ছা থাকিল।

সুৰ সপ্তকৰ কাল্পনিক চিনবোৰ যেনে সা, ঋ, গ, ম, প, ধ, নি আৰু যি কিছুমান বিশেষ বিশেষ চিনেৰে গত, গান বা আলাপ লিখা হয় তাৰ নাম স্বৰলিপি। এই স্বৰলিপিৰ প্ৰচলন হোৱাৰপৰা যি গত বা গান লিখি এঠাইৰপৰা আন ঠাইলৈ পঠিয়াব পাৰি। এই স্বৰলিপিৰ সহায়তে আজি সুদূৰ ইংলণ্ডত যি গত বা গানৰ সৃষ্টি হৈছে কালি কলিকতাৰ ব্যণ্ডত তাকেই বজোৱা হৈছে। কলিকতাৰ থিয়েটাৰত আজি যি নতুন গান গাইছে, কাগজে-পত্ৰে চাই আমি তাক ইয়াত পাইছোঁ। এনেস্থলত ইয়াৰ প্ৰচলনৰ আৰু উন্নতিৰ চেষ্টা সঙ্গীতত ৰাপ থকা প্ৰত্যেক মানুহৰেই কৰ্ত্তব্য। সেই কৰ্ত্তব্যৰ অনুৰোধত পৰি দুই আষাৰ কথা লিখা হল মাথোন। কোনো বিষয় সমালোচনা কৰিবৰ নিমিত্তে সাজু হোৱা নাই।

গান, গত আদিৰ সুৰবিলাক আখৰেৰে লিখাকে স্বৰলিপি বুলি ওপৰত কোৱা হৈছে। এতেকে গানত যিবোৰ পদ, ছন্দ, জ্যোতি প্ৰভৃতি থাকে স্বৰলিপিতো সিবোৰ চিনেৰে ভালকৈ বুজাব লাগিব। গীত বুলিলেই পদ্য, ৰাগ আৰু তাৰ তাল এই তিনি বিষয়কে একেলগে মনত ৰাখিব লাগে। যদিও স্বৰলিপিত গান লিখা যায়, ইয়াৰ সৃষ্টি মাথোন সুৰ আৰু তালৰ চিনলৈ। প্ৰথমতে মন কৰিব লাগিব গীত বা গতটো কোন ৰাগ-ৰাগিণী (শ্ৰেণী) ভুক্ত। যিটো যি ৰাগিণী বুলি লিখা হৈছে তাৰ গঢ় বা ঠাঁট ঠিক আছেনে নাই; আৰু তাকে চাব লাগিলে বাদি, বিবাদি সোম বাদি আদি ঠিক আছেনে নাই চাব লাগিব। বিশেষ দৰ্কাৰ আৰু এইবোৰ মাত্ৰাৰ ৰাখাই স্থিৰ হব। ক'ত কিমান বিৰাম, ক'ত উঠিব লাগিব, ক'ত নামিব লাগিব ইত্যাদি চাব লাগিব। তাৰ পিছতেই গানটো কোন তালৰ—তাল স্থিৰ কৰা হয় ছন্দৰে, ছন্দ স্থিৰ কৰা হয় পদেৰে আৰু পদ স্থিৰ কৰা হয় তাৰ সূক্ষ্মাংশ মাত্ৰাৰে। সেই কাৰণেই মাত্ৰাৰ ওপৰত বিশেষ চকু ৰাখিব লাগে।


এক তালৰ গান আন তালত গাব পাৰি তাতো দীৰ্ঘপ্লুত স্বৰৰ সহায়েৰে কম-বেছি কৰি ছন্দ পৰিবৰ্ত্তন কৰিব লাগিব। কেতিয়াবা বাদি-বিবাদি গোলমালত এটা ৰাগিণী কৰোতে আন টা ৰাগিণী হব পাৰে যেনেঃ— বেহাগ কৰোতে বেহাগ খাম্বাজ, ইমন কল্যাণ কৰোতে ইমনভূপালি, নহলে বেহাগ কৰোঁতে শঙ্কৰা, কেদাৰা কৰোতে হাম্বিৰ নাইবা আন এটা মিশ্ৰ ৰাগিণী হৈ যাব পাৰে, তাত মাথোন ৰাগিণীৰ নামটোহে ভুল হল, কিন্তু যদি তালৰ গোলমাল হয় তেনেহলে স্বৰলিপিয়েই নহল বুলি জানিব লাগিব। যেনেঃ— কাৱালী তালটো চাৰি মাত্ৰাৰ। প্ৰতি চাৰি মাত্ৰাৰ অন্তৰ এটা এটা দাড়ি (।) দাগেৰে এটা এটা তাল বুজাব লাগিব। এই দাগ (।) দাড়ি এটা এটা পদ বা বদাৰ শেষ। ইচ্ছা কৰিলে ইয়াৰ মাত্ৰা দুগুণ, তিনিগুণ, চাৰিগুণ নহলে ভাগ কৰি বিলম্বিত বা দ্ৰুত লয় কৰিব পাৰি। ইয়াৰ যদি অন্যথা দেখা যায় তেনেহলে তাল ভঙ্গ হৈছে বুলি বুজিব লাগিব। সাধু কথাত আছে স্বৰ্গত অপ্সৰীসকলে নাচ কৰোতে তাল ভঙ্গ হলে তাৰ শাস্তিস্বৰূপে ইন্দ্ৰদেৱে মৰ্ত্ত্যত জন্মিবলৈ অভিশাপ দিছিল। এতিয়া সেই অভিশাপৰ ভয় থাকক বা নাথাকক যাতে এনেকুৱা এটা ডাঙৰ ভুল নহয় তাৰ বাবে বিশেষকৈ চকু ৰখা উচিত। সুৰৰ হ্ৰস্ব, দীৰ্ঘ আৰু প্লুত ঠিক হব মাত্ৰাৰে আৰু মাত্ৰা শাসিত হব এই তালৰ সহায়েৰে। সকলো তালৰ (ছন্দৰ) গীত এই এক নিয়মেই চলিব। কাৱালী তালটো সাধাৰণ বুলি তাৰে উপমা দিলো। যদি কোনো স্বৰলিপিত দেখা যায় যে কোনো চৰণ বা পদত ৬ মাত্ৰা, আকৌ কোনো চৰণ বা পদত ৮ মাত্ৰা, আকৌ পিছতে ১০ মাত্ৰা, তেনেহলে সেই স্বৰলিপিত বহুত ভুল আছে। তেনে ভুল কৰাতকৈ সেইবোৰ মাত্ৰাৰ গ সা গু কৰি ২ মাত্ৰাৰ তাল কৰি কিবা এটা কৰিব পাৰি।

প্ৰতি পদৰ ভিতৰত সকলো ঠাইতে পূৰা মাত্ৰাৰ তাল পোৱা নোযোৱাৰ নিমিত্তে যেনেকৈ টকাৰ ভগ্নীয়া আধলি, সিকি, দুৱনি পোৱা যায় ঠিক তেনেকৈয়ে মাত্ৰাবো সক সৰু অংশ কৰি ব্যৱহাৰ কৰা হয়। কিন্তু সকলো



পদতে সম্পূৰ্ণ এক তাল হওঁতে যি কেই মাত্ৰাৰ দৰকাৰ, ভগ্নীয়াবিলাক গোটালেও সেই কেইমাত্ৰাতকৈ কম বেছি কেতিয়াও হব নোৱাৰে। তাৰ পিছত ঠিক কৰিব লাগিব সোম, ফাঁক ইত্যাদি। এই সোম, ফাঁকৰ গোলমাল হলে সংগতৰ পক্ষে বিশেষ গোলমাল হব। তলত কেইটামান উদাহৰণ দিয়া হল :—

ৰাগিণী খাম্বাজ—(।ন—নি) মধ্যমান (মধ্যলয়ৰ কাৱালী—মাত্ৰা)




চিন পৰিচয়—⌒ এনে চিনৰ ভিতৰত যি কেটা আছে গোটেইকেটা মিলি পূৰা এক মাত্ৰা। কোনো সুৰৰ ওপৰত । এনেকুৱা চিন থাকিলে একমাত্ৰা, ॥ এনেকুৱা থাকিলে দুই মাত্ৰা আৰু ♭ এনেকুৱা চিনে কোমল বুজায়। ॥ এনেকুৱা দুই দাৰিয়ে পুনৰাবৃত্তি, সুৰৰ ওপৰত ০ এনেকুৱা ফুট চিনে তাৰা আৰু : : এই চাৰি ফুটে শেষ বুজায়। + এনেকুৱা যোগ চিনে সম।

ওপৰত দিয়া স্বৰলিপিটো দেখিলে বুজিব পাৰি প্ৰতি ৮ মাত্ৰাত চৰণ পৰিছে আৰু ঠিক এইখিনিতে এটা তাল পূৰ্ণ হৈছে। দুই ॥ দিয়া হৈছে পুনৰাবৃত্তিৰ কাৰণে। প্ৰথম সমৰপৰা ইয়াৰ তাল ধৰা হৈছে। দুই মাত্ৰাৰ পিছতে তৃতীয় মাত্ৰাৰ ওপৰত তৃতীয় তালটো পৰিছেগৈ। ৪ৰ্থ মাত্ৰালৈকে এই তৃতীয় তালটোৱেই গল। পঞ্চম মাত্ৰাৰ ওপৰ ৪ৰ্থ তাল অৰ্থাৎ ফাঁক বা অনাঘাতৰ চিন দিয়া হৈছে। ৬ষ্ঠ মাত্ৰালৈকে এই তালেই গল। বাকী ৭ম আৰু ৮ম তাল প্ৰথম তাল দিয়া হৈছে।

কেৱল দেশী গত বা গান নহয় ইংৰাজী গত বা গীত প্ৰভৃতিৰো একে নিয়ম। ইয়াৰো এটা উদাহৰণ 'সঙ্গীত সাধনা'ৰপৰা দিয়া গল।

Blue bells of Scotland.



প্ৰতি মৰ্য্যাদা | ভিতৰত ৪ মাত্ৰা আছে। ভাৰতীয় সঙ্গীত হিচাপে এইটো বৰ্গমালি তাল হলহেতেন। সৰ্ব্বপ্ৰথম প | আছে। প্ৰথমে বজাবৰ সময় ইয়াৰপৰা আৰম্ভ কৰিব লাগিব কিন্তু ইয়াৰ মাত্ৰাৰ লগত পিছৰ মাত্ৰাৰ হিচাপ নহব। ইয়াৰ হিচাপ স্থিৰ হব যেতিয়া কলিৰ শেষত ॥সা তিনি মাত্ৰা বজাই আকৌ প্ৰথমৰপৰা আৰম্ভ কৰিব লাগিব তেতিয়া। ॥সা আৰু ।প দুয়ো মিলি চাৰি মাত্ৰা পূৰা হব। দেশী গানৰ স্বৰলিপিতো এনেবিধৰ মাত্ৰাৰ হিচাপৰ আগ পাছ আছে। পঞ্চম শোৱাৰী, ধামাৰ, তেওৰা, যৎ, ৰূপতাল আদি কিছুমান তালত মাত্ৰা আৰু পদ, তাৰ লগে লগে সোম আৰু ফাক আদিলৈ অলপ গোলমাল যেন দেখা যায়। ঠিক তেনেকুৱা আড়ি মাত্ৰাত বজাবলগীয়া তালবোৰৰো অৱস্থা একে। কিন্তু অলপমান ভালকৈ চালে সকলো গোলমাল যাব। কাৰণ যেতিয়া এটা তাল বা চৰণ পূৰ্ণ হৈছে তেতিয়া আকৌ সেই তাল অবিকল পুনৰাবৃত্তি হৈ গৈছে। যদি তাৰ ব্যতিক্ৰম দেখা যায় তেতিয়া বুজিব লাগিব যে স্বৰলিপিত ভুল আছে।

স্বৰলিপি সম্বন্ধে এয়ে মূল কথা। ইয়াৰ লগত আশ, গিটকিৰি ভূষিকা আদি সূক্ষ্মতম মাত্ৰাবোৰ ক'ত লাহে আৰু ক'ত বল দি গাব লাগিব ইত্যাদি ঠিক কৰি দিব পাৰিলেই গীতৰ লাগতিয়াল সকলো অলঙ্কাৰ স্বৰলিপিত ফটফটীয়াকৈ দিয়া হয়। তেনেকুৱা স্বৰলিপি নিৰ্দ্দোষ, নিৰ্ভুল আৰু সম্পূৰ্ণ। অন্যথে সাধাৰণ গতৰ স্বৰলিপিত এইবোৰ দৰকাৰ নহয়।

লিখা বাহুল্য যে "আলাপ চাৰিত" কোনো তালৰ দৰকাৰ নহয়। তেতিয়া কেৱল বাদি, সোমবাদি আৰু আৰোহণ অৱৰোহণৰ নিয়মাদি মাত্ৰাৰে স্থিৰ হব। এই নিমিত্তে আলাপৰ স্বৰলিপিত তালৰ কোনো চিন দিয়া নহয় আৰু পদবো কোনো চিন নাথাকে। এই আলাপত পদ বা তাল ঠিক কৰি দিলেই গতত পৰিণত হয়। শিক্ষাৰ্থীক বাদি সোমবাদি আদি একোকে বিচাৰ কৰিব নালাগে। মাথোন মাত্ৰা আৰু তালৰ প্ৰতি চকু ৰাখি বজালেই আটাইবোৰ লাহে লাহে ঠিক হব।

এটা কথা মনত ৰাখিবলগীয়া যে হিন্দুসঙ্গীত এটা ভিত্তিহীন আমোদৰ বস্তু নহয়। সঙ্গীত বিদ্যা ঔপত্তিক (Theory) আৰু ক্ৰিয়সিদ্ধ (Practice) এই দুই ভাগত বিভক্ত। ঔপত্তিক অংশেৰে সঙ্গীতৰ ৰূপ গঠিত, শৃঙ্খলিত আৰু অলঙ্কৃত হয়। গীতৰ মূৰ্ত্তিটোক বিতোপন কৰিব লাগিলে এই ঔপত্তিক শাস্ত্ৰত বিশেষ জ্ঞান লাভ কৰিব লাগে। এই ঔপত্তিক অংশটো সঙ্গীতৰ গণিতাংশৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰে।

আৰু এটা কথা কব খোজো, অসমীয়া আৰু বঙ্গলা আখৰ একেৰকম হোৱাৰ নিমিত্তে বৰ্ত্তমানে এই প্ৰদেশত বঙলা স্বৰলিপিৰ অনুকৰণ চলিছে। কিন্তু বেলেগ বেলেগ বঙালী ওস্তাদে বেলেগ বেলেগ স্বৰলিপি সৃজন কৰি এক মহা স্বৰলিপি-অৰণ্য সৃজন কৰিছে। এইবোৰ স্বৰলিপিৰ প্ৰত্যেকৰে ভিতৰত কোনো অংশ ভাল আৰু কোনো বেয়া আছে। সিবিলাক সমালোচনা এতিয়া আৰম্ভ কৰিব নোখোজো। মাথোন ইয়াকে কব খোজো যে যদি চিন দেখিয়ে বজাব লাগে তেনেহলে "সাৰ্গম" স্বৰলিপিতকৈ বৰ্ত্তমান য়ুৰোপত যি সাঙ্কেতিক স্বৰলিপি (Notation) চলিছে তাৰে অনুকৰণ কৰাটোহে যুগুত। কাৰণ তাত যিবোৰ চিন আছে তাৰ লগত A. B. C. D ৰ কোনো সম্পৰ্ক নাই। এই নিমিত্তে এই য়ুৰোপীয় স্বৰলিপি পদ্ধতি পৃথিবী ব্যাপি প্ৰচলন হোৱাত একো আচৰিত নহয়।

বৰ্ত্তমানে আমি যি বঙলা স্বৰলিপিৰ অনুকৰণ কৰিছো সেই বঙলা কিতাপবোৰত টেবিল হাৰমণিয়াম বা Organ বজাবৰ স্বৰলিপিত বহুত য়ুৰোপীয় সাঙ্কেতিক চিন লবলৈ বাধ্য হৈছে। এনে অৱস্থাত প্ৰথমৰে পৰাই তাৰ সম্পূৰ্ণ অনুকৰণৰ দোষ কি? নহলে দুই ৰকমেই চলাব পৰা যায়। "সাৰ্গম" স্বৰলিপিৰ লিখন পদ্ধতিটো পোণ-প্ৰথমে ইংৰাজীৰ :d: r: m: f: s: l: t পৰাই লৈছিল যেন মনত হয়। পিছত লাহে লাহে অলপমান পৰিবৰ্ত্তন হৈছে গৈ। কিন্তু দুইবো ভিতৰত কিছুমান বিভিন্নতা আছিল আৰু আছে। কাৰণ স্বৰলিপি যদি মুখেৰে মাতিব লাগে তেনেহলে কোনটো স্বাভাৱিক আৰু কোনটো বিকৃত সুৰ বুজাবা আমাৰ কোনো উপায় নাই। কিছুমান ৰাগিণীত কোনো কোনো সুৰ বিকৃত অৰ্থাৎ কোমল বা কড়ি ব্যৱহাৰ হয়। যেনে ভৈৰবীত ঋ গ ধ নি এই ৪টা সুৰ কোমল, সিন্ধুত গ আৰু নি কোমল, ইমনত ম কড়ি ব্যৱহাৰ হয়। তেনেস্থলত আগতে কৈ দিলে চলিব পাৰে যে কোনটো সুৰ বিকৃত আৰু কোনটো স্বাভাৱিক। কিন্তু যিবোৰ ৰাগিণীত দুই বিধৰ সুৰ একেলগে ব্যৱহাৰ হয় তেনেস্থলত উপায় কি? যেনে খাম্বাজ ৰাগিণীত নি স্বাভাৱিক আৰু বিকৃত দুই ৰকমেই ব্যৱহাৰ হয়। ওপৰত লিখা খাম্বাজ গতটো যদি মুখেৰে মাতিব লগীয়া হয় যে সাঁ নি সাঁ ধ নি পধ. ম প ধ ধ নি নি ধ তেনে অৱস্থাত কোনে বুজে যে ক'ত কোন বিধৰ নি ব্যৱহাৰ হৈছে কিন্তু ইংৰাজীত :do de: pa: re থকা নিমিত্তে যেতিয়া :do হব তেতিয়া :do আৰু যেতিয়া বিকৃত হব তেতিয়া :de কৈ দিলে আৰু কোনো গোলমাল নাথাকে। তেতিয়া ডি Sharp কব কোনো দৰকাৰ নাই। বঙ্গলা দেশতো এনে বিধৰ স্বৰলিপি চলাব খুজিছিল। এক হিচাপে সেইটো ভাল আছিল। কিন্তু সেইটো নচলিল। তাত কোমলৰ আগত "ও"-কাৰ আৰু কড়িৰ আগত "ী" কাৰ দিছিল। যেনে সা, ৰো, ৰ, গো, গ, ম, মী, প, ধো, ধ, নো, ন। ইয়াত সা ৰ গ ম প ধ ন এই সাতোটা স্বাভাৱিক আৰু ৰো গো মী ধো নো এই পাচোটা বিকৃত সুৰ।

এই স্বৰলিপিৰ মতে ওপৰৰ গতটো মাতিব লাগিলে সাঁ নি সাঁ ধ নো পধ প ম ধ ধ নো নো ধ এনেকুৱা হয়। এনেকৈ মাতিলে মানুহে শুনিলেই কব পাৰে কোনটো বিকৃত আৰু কোনটো স্বাভাৱিক। উদাৰা, মুদাৰা গ্ৰাম আদি সুৰতে বুজা যাব, সেই বিষয়ে কোনো চিন্তাই নাই। এইবাৰ ভাল-বেয়া বিচাৰৰ ভাৰ আমাৰ দেশৰ সঙ্গীতৰ চৰ্চ্চাকাৰীসকলৰ হাতত ৰল।

বহুতৰ বিশ্বাস, হিন্দু সঙ্গীতৰ নিৰ্দ্দোষ স্বৰলিপি হব নোৱাৰে। আমাৰ কিন্তু তেনে মনত নধৰে, কাৰণ উপযুক্ত চিনেৰে সুৰৰ সকলো অৱস্থা, সকলো ভাব, ফটফটীয়াকৈ বুজাব পাৰিলেই নিৰ্দ্দোষ স্বৰলিপি হবলৈ বাধ্য।

শ্ৰীনগেন্দ্ৰনাৰায়ণ চৌধুৰী

---



# প্ৰেমিক সন্ন্যাসী

(২৪)

## সমুদ্ৰৰ বুকুত

আকাশ ডাৱৰে ঢাকি পেলাইছে; চাৰিওফালে ধুৰ্বলি-কুৰ্বলী। প্ৰবল ধুমুহা বতাহ আৰম্ভ হৈছে, লগে লগে মেঘৰ হিৰ্ হিৰ্, গিৰ্ গিৰ্, শবদে, চিকমিকি ঢেৰেকণিয়ে, আকাশ পাতাল থৰক লগাইছে। আনকি ইন্দ্ৰ বায়ু বৰুণ প্ৰভৃতি দেৱতাসকলেও যেন ঘোৰ মূৰ্ত্তি ধৰি পৃথিৱী সংহাৰ কৰিব খুজিছে!

ৰোম আৰু নেপোলছৰ মাজৰ সাগৰৰ পাৰত লোকে লোকাৰণ্য। সকলোৱে ব্যস্তভাৱে সতৃষ্ণ নয়নেৰে সাগৰৰ ফালে ঔ কৰি ৰ লাগি চাব লাগিছে। কি চাইছে?—সৌ জাহাজ, এখন প্ৰবল ধুমুহাৰ কোনত সাগৰৰ কৰাল গ্ৰাসত পৰি বিপদগ্ৰস্ত হৈ 'পৰিত্ৰাহি পৰিত্ৰাহি' কৈ উদ্ধাৰ পাম বুলি তয়ামসা যুদ্ধ কৰিব লাগিছে। আৰোহীবিলাকৰ নিজ নিজ জীৱনৰ বাবে টনাটনি হৈছে। কোনোৱে আঠু কাঢ়ি ঈশ্বৰৰ ওচৰত কৰযোৰে প্ৰাৰ্থনা কৰিছে; কোনোৱে বা জীৱন ৰক্ষাৰ্থে জৰী, 'বয়,' নাও প্ৰভৃতিৰ আশ্ৰয় বিচাৰি ফুৰিছে। সকলো ব্যস্ত; কিছুমানে পৰি ইফালৰপৰা সিফালে গৈছে, আকৌ কিছুমানে বা সিফালৰ পৰা ইফালে আহিছে, লৰালৰিৰ কোবত কত উজুতি খাইছে, কতজনৰ কত খুন-জখম হৈছে; কিন্তু কাৰো গাত ক্ষত নাই!

জাহাজখনৰ মাস্তুলৰ গুৰিৰপৰা কেইহাতমান আঁতৰত আমাৰ দুৰ্ভগীয়া জেৰাড আজি বহুদিনৰ মূৰত ঘূৰি ঘূৰি আহি হাতসাৱটি থিয় হৈ একমনে সাগৰৰ পিনে চাই আছে। তেওঁৰপৰা কেইহাতমান আঁতৰত এজন ভীমকায় ফকীৰ অচল-অটলভাৱে দণ্ডায়মান। ওঁঠ দুটি লৰচৰ কৰি তেখেতে কেৱল পৱিত্ৰ বাইবেলৰ মহামন্ত্ৰ জপ কৰিছে। আকৌ কেইহাতমান আঁতৰতে এজনী পূৰ্ণ যৌৱনা, প্ৰায় ১৮ বছৰীয়া ৰোমান তিৰোতা গম্ভীৰভাৱে বহি আছে। তেওঁৰ কোলাত এটি ছয় কি সাতমহীয়া কেচুৱা লৰা; সি হাঁহি হাঁহি মাকৰ পিয়াহ আজুৰিব লাগিছে।

তেতিয়া তেওঁ বুজিলে যে আৰু বেছি পলম নাই; ৫।১০ মিনিটতে জাহাজ অতল পানীত বুৰ মাৰিব। তদুপৰি জাহাজৰ আৰোহীবোৰে সেয়ে শেষ মুহূৰ্ত্ত বুলি ভাবি হাহাকাৰ লগাইছে। তেতিয়া তেওঁ লৰাটোক ভালকৈ কোলাত সুমাই ললে আৰু দুয়ো গালে দুটি চুমা খাই কলে, "সোণ, বাছা মোৰ!" এয়ে শেষ। তেওঁৰ মুখত আৰু কথা নাই; কেৱল চকুৰ পচাৰ নমৰাকৈ সেই অৰ্দ্ধপ্ৰস্ফুটিত কোমল গোলাপ পাহিটি ৰ লাগি চাইছে।

এনে সময়তে জাহাজৰ কেপ্টেইনজনে নামি আহি ক'লে, "এয়ে শেষ। সকলোৱে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰা। সকলোৱে সেই নাও, জৰী 'বয়' আদিৰ আশ্ৰয় লোৱাহঁক; কিজানি সমুখত থকা সৌ গিৰ্জ্জালৈ যাব পাৰা!"

পিছ মুহূৰ্ত্ততে জাহাজ খণ্ড খণ্ড হ'ল; যেয়ে যিপিনে



Numbering
Error

পাছে সেই পিনে জাপ দিলে। কিন্তু সেই অসহায় বিপদগ্ৰস্ত কেচুৱা লৰাটি বুকুত বান্ধি থকা বোমান তিকতাগৰাকীৰ প্ৰতি কাৰো কৃপাদৃষ্টি নপৰিল। জেৰাৰ্ডৰ অন্তৰ কঁপি উঠিল। তেওঁ তিকতাগৰাকীলৈ চাই কবলৈ ধৰিলে, "প্ৰিয়ে, বাৰু মই তোমাক ৰক্ষা কৰিম।" এই বুলি কৈ জেৰাৰ্ডে যতে যি পায় তাকে বিচাৰিবলৈ ধৰিলে। সন্মুখতে ভাঙিল মেৰীৰ কাঠৰ মূৰ্ত্তি এটি পাই তাকে টান মাৰি আনি তিকতাজনীৰ আগতে পেলাই দি কলে, "প্ৰিয়ে, আহা, ইয়াতে উঠাহি।"

তিকতাজনীয়ে সকৰুণ দৃষ্টিৰে জেৰাৰ্ডৰ ফালে চাই কলে, 'তুমি ?' 'মই পুৰুষ মানুহ, আৰু বিশেষতঃ মোৰ লগত কোনো লৰা-ছোৱালী বা আন লেঠা নাই। উঠা, উঠা, সময় নাই।'

জেৰাৰ্ড ব্যস্ত হৈ পৰিল। জেৰাৰ্ডৰ আশ্বাসবাক্য শুনি তিকতাজনীৰ জীৱনৰ আশা হল। তেওঁ জেৰাৰ্ডক প্ৰকাশ্যভাৱে একো কব নোৱাৰিলে, আন্তৰিক কৃতজ্ঞতাৰ ভাবে হেঁচা মাৰি ধৰিলে। কেৱল ঢুলঢুলীয়া চকু দুটিৰে এবাৰ জেৰাৰ্ডৰ ফালে চাই লৰাটি বুকুত সাবটি মাৰি ধৰি লাহেকৈ কাঠডোখৰত বহিল।

জেৰাৰ্ডে কাঠডোখৰ অতি সাৱধানে পানীত নমাই দিলে আৰু পাছৰ ফালে আন এডোখৰ কাঠ বান্ধি দিলে যাতে কাঠডোখৰ লৰচৰ কৰিব বা বাগৰিব নোৱাৰে। তিকতাজনী লৰাটিৰে সৈতে নিশ্চিন্তমনে ওপঙি যাবলৈ ধৰিলে। এনেতে পিছফালৰপৰা এজন জীৱনকাৰ ফকীৰ-জনে জেৰাৰ্ডৰ মূৰত হাত দি কলেহি, 'আহা, বাছা! এতিয়া আমিও জীৱনৰ উপায় কৰো।'

জেৰাৰ্ড উঠি অন্তৰ্দ্ধ আৰ্পৰ সৰে ফকীৰজনৰ পিছে পিছে খোজ ললে। অলপ পাছতে দেখা গল—হুৰ্য়া জাহাজৰ ভগা মাস্তুলটোৰ এখণ্ড খৰি সাঁতুৰি সাঁতুৰি গৈ আছে। বতাহৰ লগে লগে তেওঁলোকেও সাগৰৰ লগত ওঠামৰা যুঁজ পাতিলে। এটা ঢৌৰ কোবত তল যায় আৰু আনটো ঢৌৰ কোবত ওপৰলৈ উঠে।

প্ৰায় এঘণ্টামান পাছত দুয়ো সাগৰৰ পাৰ উঠিলগৈ। ফকীৰজনে জেৰাৰ্ডক কাণে কাণে কিবাকিবি কৈ বোমৰ জালে খোজ ললে। কিন্তু জেৰাৰ্ডে সাগৰৰ পাৰত তিৰ দি সাগৰৰ পিনে ৰ-লাগি চাই থাকিল। তেওঁৰ চকু-যুৰিয়ে কিবা যেন ভৰ ভৰ কৰি বিচাৰিছে, এনেতে জেৰাৰ্ডে পিঠিত কিবাৰ স্পৰ্শ বোধ কৰি উচপ্ খাই উঠিল। পিছফালে চকু দেখে যে সেই বোমান তিকতা গৰাকীয়ে পিছফালে থিয় দি কৃতজ্ঞতাপূৰ্ণ দৃষ্টিৰে জেৰাৰ্ডৰ পিনে চাই আছে। লাহেকৈ জেৰাৰ্ডক সেৱা এটি কৰিলে আৰু হাতখন আনি চুমা খালে। তাৰ পাছত লৰাটোৰ মুখলৈ জেৰাৰ্ডৰ হাতখন টানি আনি চুমা দিয়ালে। জেৰাৰ্ডও লৰাটোক পাৰেমানে চুমা খালে।

বোমান তিকতজনীৰ অন্তৰ কৃতজ্ঞতাৰে পৰিপূৰ্ণ। তেওঁ নিমাত। কেৱল চকুযুৰি ঢুলঢুলীয়া কৰি জেৰাৰ্ডৰ চকুৰফালে চাই ৰল। কৃতজ্ঞতা কথাৰে প্ৰকাশ কৰিব পৰা বস্তু নহয়, ই অন্তৰৰ গভীৰ অনুভূতিৰ ভাষহে।

২৫

## উদ্ধাৰ

টাইবৰ নদীৰ পশ্চিম পাৰে এটা সৰু গাঁৱৰ মাজত জেৰাৰ্ডে আশ্ৰয় ললেগৈ। যিজনী বোমান তিকতাক তেওঁ সাগৰৰ পৰা ৰক্ষা কৰিছিল সেই মহিলাগৰাকীৰ নাম টেৰেছা। তাক থাকোতে টেৰেছাই জেৰাৰ্ডক পাৰেমানে সহায় কৰিছিল, কাৰণ টেৰেছা জেৰাৰ্ডৰ ওচৰত চিৰকৃতজ্ঞ, কৃতজ্ঞতা পাশ-পাশেৰে আবদ্ধ। জেৰাৰ্ড টেৰেছাৰ মনত শিশুস্বৰূপ; তেওঁ টেৰেছাৰ ৰক্ষাকৰ্ত্তা, জীৱনদাতা।

টেৰেছাৰ সহায়ত জেৰাৰ্ডে নিজৰ চিত্ৰ-বিদ্যা আৰম্ভ কৰিলে আৰু অলপ-অচৰপকৈ প্ৰতিষ্ঠা উলিয়াবলৈ ধৰিলে। এদিন দুয়ো ফুৰিবলৈ যাওঁতেই এখন দোকানত থাকি থোৱা ছবিৰ ভিতৰত এখনৰ ওপৰত জেৰাৰ্ডৰ চকু পৰিল। সেই কাকতখন কিনিবৰ বাবে তেওঁৰ একান্ত ইচ্ছা হল, কিন্তু হাতত যে কণা কড়ি এটিও নাই! খৰলৈ আহি টাৰ্গোৰপৰা ইমানদিনে বুকুত বান্ধি অনা দুখন কাকত আগত উলিয়াই লৈ ভাবিবলৈ ধৰিলে, "এইখন প্ৰাণপ্ৰতিমা মাৰ্গেৰেটৰ বিয়াৰ খত—উহু, নহয়! ইয়াক নোৱাৰি।" এই বুলি দুটামান চুমা খাই



আকৌ জেপত সুমাই থলে। দ্বিতীয়খনৰ ফালে চাই কবলৈ ধৰিলে, "এইখন মাৰ্গোৰাইটৰ কথা লোবিন্ ব্ৰাও আৰু তেওঁৰ পুত্ৰেক পিটাৰ ব্ৰাওৰ ওপৰত ঋণ খত। বাৰু, এইখনকে নষ্ট কৰা যাওক। ইয়াৰ আখৰবোৰ তুলি পেলোৱা যাওক। এইখন বিক্ৰিকৰি আনোচা সেই ভেলাম কাকতখন কিনিবই পাৰো।" জেৰাৰ্ডে এইবোৰ নানা কথা ভাবি থাকোতেই পিছফালৰ পৰা টেৰেছাই মাত লগালেহি, "কি হৈ মিষ্টাৰ জেৰাৰ্ড! কি কৰিছা ? কি ভাবিছা ? এয়া চোৱা, তোমাৰ সেই ভেলাম কাকত।"

জেৰাৰ্ড অবাক। জেৰাৰ্ডে যে এই কাকতখনকে কিনিবৰ নিমিত্তে আকাশ-পাতাল ভাবিব ধৰিছে; এনেকি, পিটাৰ ব্ৰাওৰ খতখন কালি পেলাই মাৰ্গেৰেটক সৰ্ব্বস্বান্ত কৰিবলৈ ওলাইছে! এই কথা টেৰেছাই কেনেকৈ জানিলে ? 'তেন্ টেৰেছা, টেৰেছা' বুলি কৈ জেৰাৰ্ডে আনন্দিত আৰু আশ্চৰ্য্যান্বিত হৈ তথা মানিলে। কিছু সময় নিমাত হৈ থাকি আকৌ সুধিলে, "মৰমৰ ডোনা টেৰেছা! তুমি এই কথা কেনেকৈ জানিলা ? মই বৰ আচৰিত মানিছো।"

'মিষ্টাৰ জেৰাৰ্ড। ছবো ফুৰিবলৈ যাওঁতে তুমি এই কাকতখন সতৃষ্ণ নয়নেৰে চোৱা নাছিলা নে ? তোমাৰ মনো সেই কাকত দুটি টেৰেছাৰ প্ৰাণে সয় ?"

জেৰাৰ্ড টেৰেছাৰ ওপৰত বৰ সন্তুষ্ট আৰু কৃতজ্ঞ হল। টেৰেছাৰ পৰামৰ্শ অনুসাৰে পিছদিনা জেৰাৰ্ড ফ্ৰায়াৰ কোলোনাৰ ওচৰলৈ গৈ তেওঁক নমস্কাৰ জনালে। কোলোনাই সুধিলে—'তুমি কোন ?'

'মই এজন চিত্ৰকৰ।'

'তোমাৰ নাম-ধাম—পৰিচয় ?'

'মোৰ নাম জেৰাৰ্ড। মই টাৰ্গোৰপৰা চিত্ৰবিদ্যা শিকিম বুলি অতি কষ্টেৰে এইখিনি পাইছোহি।'

'অ, তুমি এজন চিত্ৰকৰ ? ভাল কথা; তোমাৰ লগত ছবি আছে ?'

'হয়, আছে।' জেৰাৰ্ডে এই সুযোগতে কিছুমান ছবি নমুনা কোলোনাক দেখালে। কোলোনাই জেৰাৰ্ডৰ হাতেৰে লেখা ছবিৰ ধাৰ-বাৰ দেখি আচৰিত মানিলে আৰু তেওঁৰ গুণ বখানিবলৈ ধৰিলে। বৰ সন্তুষ্ট হৈ তেওঁ জেৰাৰ্ডক শত শত ধন্যবাদ দি পিঠিত চপৰিয়াবলৈ ধৰিলে আৰু কলে,—"তুমি ইয়াত থাকিব নালাগে। তুমি ৰমাৰ ফালৈ যোৱাহঁক—মই সকলো সুবিধা কৰি দিম। তাত তোমাৰ নাম দুদিনতে ফাটি যাব।"

জেৰাৰ্ডে তেওঁক কৃতজ্ঞতা জনাই সেৱা কৰি কলে, 'কাদাৰ, মই ইয়াতেই বৰ সুখেৰে আছো।'

'নহয়, জেৰাৰ্ড! তুমি ইয়াত থাকিলে নহব। তুমি ডেকা লৰা; তুমি কত কাম কৰিব পাৰিবা! তুমি সংসাৰত জনা-জনা হবৰ নিমিত্তে চেষ্টা কৰা। তোমাৰ এই ছবি-বোৰৰ কাৰিকৰী দেখি তোমাৰ কামৰ নিমিত্তে তোমাক মই যি দিম, আন ঠাইলৈ গলে তুমি তাৰ তিনি-চাৰিগুণ পাবা। এতেকে তুমি ইয়াত নাথাকি ৰ'ত চিত্ৰশিল্পৰ বেছি আদৰ আছে, য'ত হাতেলিখা পুথিৰ নিমিত্তে লৰ্ড, বেৰণ প্ৰভৃতিয়ে অজস্ৰ টকা খৰচ কৰিবলৈ ধৰিছে, তালৈ যোৱা।'

জেৰাৰ্ডক নিৰুত্তৰ দেখি 'মৌনং সম্মতি লক্ষণম্' বুলি ফ্ৰায়াৰ কলোনাই তেওঁক যথেষ্ট পুৰস্কাৰ দিলে। জেৰাৰ্ডেও তাক আনন্দেৰে গ্ৰহণ কৰি কলোনাক শত শত ধন্যবাদ দি নিজ ঠাইলৈ গুচি গল।

জেৰাৰ্ডৰ নাম দুদিনতে সমগ্ৰ ৰোম ব্যাপি পৰিল। তেওঁ দিনে দিনে যথেষ্ট ধনো ঘটিলে। কিন্তু সেইবাবে তেওঁ ভগা কুটীৰৰ আশ্ৰয় ত্যাগ নকৰিলে। সেই ভগা কুটীৰেই তেওঁৰ মনত ৰাজভৱন যেন লাগিল। তেওঁৰ মনত লাভ-বিলাসৰ ঠাই নাছিল। তেওঁ সৰ্ব্বত্যাগ-ব্ৰত অভ্যাস কৰিছে। কিহৰ নিমিত্তে ?—একমাত্ৰ যথেষ্ট ধন গোটাই সেই চেনেহ-প্ৰতিমা মাৰ্গেৰেটৰ ওচৰলৈ যাবলৈ। মাৰ্গেৰেটক নেদেখি তেওঁ বাউল হৈ উঠিছে। ইমান সুখ-ভোগৰ মাজতো তেওঁৰ মনত সদায় মাৰ্গেৰেটৰ ছবি বৰ্ত্তমান।

এদিন তেওঁ মোৰা এটা কেৰেমা কৰি তেওঁ ওচৰৰ বন্দৰ এটালৈ গল। তাত দিনৰ দিনটো বহি থাকি পথুলি জাহাজ এখন লগ পালে। কেপ্টেইনক সুধি-পুছি জানিব পাৰিলে, সেই জাহাজ ৪ দিনমানৰ ভিতৰতে

আমষ্টাৰ্ডমলৈ যাত্ৰা কৰিব। এই খবৰ জানি জেৰাৰ্ডৰ মন নাচি উঠিল। কেপ্টেইনক টিকেটৰ বাবে কিছু আগ-ধন দি বংমনেৰে নিজ ঘৰলৈ ঘোৰা মেলি দিলে। জেৰাৰ্ডৰ মনত আজি যে কত আনন্দ, কত ফুৰ্ত্তি! প্ৰাণৰ প্ৰিয়তমা মাৰ্গেৰেটৰ সেই সদায়-হাঁহিমুৱা মুখখনি কেইবাৰ যে চকুৰ আগত দেখা দিলেহি কোনে জানে?

জেৰাৰ্ড আহি ঘৰ সোমাওঁ-সোমাওঁ হওঁতেই তেওঁ শুনা খবৰ গৰাকী লেণ্ড লেডী বুঢ়ীজনী ওলাই আহি তেওঁৰ আগতে ধনৰ মোনা এটাই চিঠি এখনে পেলাই দিলেহি।

জেৰাৰ্ডে মোনাটো মেলি দেখে—টকা-কড়িৰে ভৰা! জেৰাৰ্ড যে অবাক্! লেণ্ড্লেডীজনীয়ে মাত দিলে, "কি হে মিষ্টাৰ জেৰাৰ্ড! কত আনন্দ! ইয়াতকৈ আৰু কিবা সুখ আছেনে?"

জেৰাৰ্ড—নহয় মাদাৰ! তাইক নগলে মোৰ ক'তো সুখ নাই। মাৰ্গেৰেট অবিহনে মোৰ সকলো মিছা; দিনতো আন্ধাৰ যেন দেখোঁ, কোনো সুখ নাই।

লেণ্ড্লেডী—বাৰু যেই হওক, চিঠিখন মেলি চোৱাচোন।

জেৰাৰ্ডে চিঠিখন মেলি চোৱাৰ লগে লগে বুঢ়ীজনীক সুধিলে, "মাদাৰ, এই চিঠিখন কোনে আনিছে?"

"এজন অচিনাকী চিত্ৰকৰে। তাৰ নামটো একেবাৰেই কিবা—মনত নাথাকে—বোধহয় এন্-ছিল্-মিন্।"

"অ, হেন্স মেমলিং! তেওঁ মোৰ এজন বন্ধু।" জেৰাৰ্ডে ভাবিছিল যে সেই চিঠি মাৰ্গেৰেটৰপৰা আহিছিল; কিন্তু ক'তা? লুটিয়াই-বগৰাই চায়,—সি মাৰ্গেৰেটৰ আখৰ নহয়!

তেওঁ আকৌ ভাবিলে, "কিজানি মাৰ্গেৰেটৰ চিঠি ভিতৰত আছে! কিয়নো আজিকালিৰ ছোৱালীবোৰ বৰ লাজুকীয়া। সিহঁতে চিঠি-পত্ৰ লেখি নিজে নিদি আনৰ খামৰ ভিতৰতহে সুমাই দিয়ে। জেৰাৰ্ডে গোটেইখন চিঠি মেলি চাই দেখে, মাৰ্গেৰেট ভান্ আইকৰহে নাম লিখা। জেৰাৰ্ডে লৰালৰিকৈ দুটামান চুমা খাই পঢ়িবলৈ ধৰিলে:—

'প্ৰাণৰ জেৰাৰ্ড!

বৰ দুখৰ খবৰ—জনাবলৈ সাহ নহয়, বুকু কঁপি উঠে। কিন্তু কি কৰিম! তোমাৰ প্ৰাণপ্ৰতিমা মাৰ্গেৰেট ব্ৰাণ্ড আৰু ইহজগতত নাই। আজি বৃহস্পতিবাৰে গধূলি ৪ বজাত মাৰ্গেৰেট ঢুকাইছে। মই নিজে আগত থাকি তাইৰ সমাধি কৰাইছোঁ। কি কম? জেৰাৰ্ড! প্ৰাণে নসয়। তাই মৰিবৰ সময়ত কেৱল 'জেৰাৰ্ড জেৰাৰ্ড'কৈ প্ৰাণ এৰিছে। সেইদেখি তুমি উটালীকে তোমাৰ মৃত্যুঠাই বুলি ভাবি জন্মভূমি টাৰ্গো আৰু ছেভেনবাৰ্গেনৰ কথা পাহৰি পেলোৱা; সকলো ভাব, সকলো কথা, অন্তৰৰপৰা মচি পেলোৱা। ইতি

তোমাৰ হিতাকাঙ্ক্ষী
মাৰ্গেৰেট ভান্ আইক"

এয়ে সেই পাপীষ্ঠ মাৰ্গেৰেটৰ গুপ্ত অভিসন্ধি পত্ৰ নহয়নে? লেণ্ড লেডীজনীয়ে চিঠি শুনি চমুনিয়াহ কাঢ়িবলৈ ধৰিলে। জেৰাৰ্ড সেইপিনে অচেতন হৈ বাগৰি পৰিল। কিন্তু পিছ মুহূৰ্ত্তত তেওঁ উঠি বহি গদ্‌গদ্‌কৈ নিজে নিজে কবলৈ ধৰিলে, "ওঁ, তেহেঁই সকলোৰে গৰাকী! তেওঁৰ ইচ্ছাতেই সকলো হব লাগিছে। প্ৰিয় মাৰ্গেৰেট! তুমি আদৰ্শ জীয়াৰী, আদৰ্শ মহিলা; তুমি আদৰ্শ প্ৰেমিকা; তুমি হলেও কিয় সমস্ত পৃথিবীৰ গৌৰৱৰ স্থল।"

কিছু সময় ভাবি থাকি আকৌ কবলৈ ধৰিলে,—"নহয়; ই তেনেই মিছা। সেই পাপীষ্ঠ হেন্ মেমলিং কলৈ গল? ওলাগোৱেই, তাক আজি বিচাৰি উলিয়াইহে ক্ষান্ত হম।" তাতেৰে থাপমাৰি টুপিটো লৈ ভোঁ-ভোঁ-কৰে বলিয়া মানুহৰ দৰে জেৰাৰ্ড বাটে-ঘাটে লৰি ফুৰিবলৈ ধৰিলে।

গধূলি হতাশমনেৰে জেৰাৰ্ড উভতি আহিল, হেন্স মেম্লিঙক বিচাৰি নাপালে। জেৰাৰ্ডৰ অন্তৰ ভাগি গল, সমস্ত পৃথিবী তেওঁৰ মনত শূন্য যেন লাগিল।

পিছ দিনাখন ভয়ানক জৰ আৰম্ভ হল। জ্বৰৰ কোবত প্ৰলাপ বকিবলৈ ধৰিলে। গধূলি তত নোহোৱা হৈ সেইপিনে টোপনি গল। তাকে দেখি কিছুমানে কলে—



"জেৰাৰ্ডৰ এয়ে শেষ!" কিন্তু এগৰাকী বুঢ়ীয়ে কলে, "মানুহ জনৰ মগজু দোষ ঘটিছে। ভাৰ ডেকা কাল; তাৰপৰা অনুমান কৰিব পাৰি—সি ৪৮ ঘণ্টা সম্পূৰ্ণ গভীৰ নিদ্ৰাৰ পাছত চেতনা লাভ কৰিব।"

• • •

৪৮ ঘণ্টা পাৰ হৈ গল, কিন্তু জেৰাৰ্ডৰ সংজ্ঞা উভতি নাহিল। জেৰাৰ্ডে এইবুলি সপোন দেখিলে—তেওঁ এজন ফকীৰ। তেওঁৰ এই সংসাৰত কোনো আপোন নাই। কি মাৰ্গেৰেট, কি এলি, কি কেথেৰিণ্, কি কেট, সকলো অচিনাকী। তেওঁৰ বন্ধু-বান্ধৱ, শত্ৰু-মিত্ৰ কেও নাই; সকলো সমান। তেওঁ যেন গিৰ্জ্জাৰ ভিতৰত থকা বেদীৰ ওপৰত আপোনমনে বহি আছে, আৰু চাৰিওফালে যেন এস্পেৰেম্ কলোনা-জেৰোম আদি মহাত্মা ফ্ৰায়াৰসকলে তেওঁক বেৰি ধৰি আছে। স্বৰগৰপৰা যেন "পেক্স ভবিস্কাম্" অৰ্থাৎ "গিৰ্জ্জাই শান্তি, গিৰ্জ্জাই মুক্তি" বুলি অজস্ৰ ঈশ্বৰৰ বাণী স্বৰূপ পুষ্পবৃষ্টি হব ধৰিছে। তেওঁৰ মনৰপৰা কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎচৰ্য্য ছয় ৰিপু অন্তৰ্হিত হৈছে।

• • •

প্ৰায় ৬০ ঘণ্টাৰ মূৰত জেৰাৰ্ডে চকু মেলিলে। দেখে—ফাদাৰ কলোনা আৰু ফাদাৰ জেৰোম দুয়ো তেওঁৰ মূৰৰ শিতানত বহি পৱিত্ৰ বাইবেল শাস্ত্ৰৰ মন্ত্ৰ জপিব ধৰিছে।

জেৰাৰ্ড অবাক। সেইপিনে তেওঁ আকৌ টোপনি গল।

## ২৬

## আত্ম-হত্যা?

জেৰাৰ্ডে দিনৰ দিনটো টলৌ-টলৌকৈ ঘুৰি ফুৰে; কেৱল ৰাতি হলে পিয়াৰ্টো ভেনেউছি নামেৰে এজন সামান্য দুখীয়া মানুহৰ ঘৰত শোৱেহি। কেতিয়াবা কেতিয়াবা সংসাৰৰ সকলো জ্বালা-যন্ত্ৰণাৰ হাত সাৰিব পাৰিম বুলি মদ খায়, বিহ খায়; তথাপি সেই জ্বালা-যন্ত্ৰণা বৰং দুগুণে বাঢ়িহে উঠে। ৰোমৰ ভগা চিনবোৰৰ মাজে মাজে পৰ্ব্বতে-পাহাৰে, হাবিয়ে-বননিয়ে অকলে অকলে তেওঁ ফুৰি ফুৰিবলৈ ধৰিলে।

এদিন ৰাতি ৭ মান বজাত পিয়াৰ্টো ভেনেউছি আৰু তেওঁৰ পুতেক এন্দ্ৰিয়াই জেৰাৰ্ড উভতি আহিব বুলি বাটচাই আছে। কিন্তু ৮ বাজিল, ৯ বাজিল যাবৰ সময় উপস্থিত হলহি; তথাপি জেৰাৰ্ডৰ দেখা-দেখি নাই। অৱশেষত ভেনেউছিয়ে এন্দ্ৰিয়াক জেৰাৰ্ড তেওঁৰ শোৱা-খোটালীত আছেনে নাই, চাবলৈ পঠালে। সি কেইমিনিটমান পাছতে হাতত এটুকুৰা কাকত লৈ উলটি আহিল। ভেনেউছিয়ে পুতেকৰ হাতৰপৰা কাকত টুকুৰা কাঢ়ি নি পঢ়িবলৈ ধৰিলে, "প্ৰিয় পিয়াৰ্টো, মৰমৰ এন্দ্ৰিয়া, জীৱন এটা বোজা মাথোন।" সেই খিনি পঢ়িয়েই পিয়াৰ্টোৱে নিজে নিজে কলে, "অৱশ্যে বাৰু! কিন্তু সেই বুলি খাবৰ সময়ত ঘুৰি ফুৰা উচিত নহয়। ভোকৰ ভাত, পিয়াহৰ পানীতো বোজা নহয়!" আকৌ পঢ়িলে, "ফাদাৰ পিয়াৰ্টো, তুমি মোৰ কাপোৰ-কানিবোৰ ব্যৱহাৰ কৰিবা। আৰু মৰমৰ এন্দ্ৰিয়া, তোমাক কি দিম? কি আছে? তুমি মোৰ এই আঙঠিটোকে পিন্ধিবা। কিয়নো তোমালোকে এই চিঠি পঢ়াৰ আগত মোৰ দেহা টাইবৰ নদীৰ গভীৰ অতল জলত লীন হব। মিছামিছিকৈ তোমালোকে মোক বিচাৰি হাবা-থুৰি নাপাবা; একো লাভ নাই। উঃ! সেই জন্ম পোৱা দুখৰ দিন! আৰু আজি এই মৰণৰ সুখৰ দি ! বিদায়, বিদায়—চিৰবিদায়! ভগাবুকু—জেৰাৰ্ড।"

জেৰাৰ্ডে এই কাকতটুকুৰা লিখি থৈ লগত যিমান ধন-সোণ আছিল আটাইবোৰ বান্ধি লৈ টাইবৰ নদীৰ পাৰত উপস্থিত। সুন্দৰ জোনাক নিশা। সকলো নীৰল, নীৰৱ, নিস্তব্ধ। জেৰাৰ্ডৰ সোণালী সুযোগ হাততে মিলিল। ইপিনে সিপিনে কোনোবা আছে নে নাই চাই কাকো নেদেখি অ'ভাৰ কোটটো পিন্ধিলে আৰু ধন-সোণ আটাইখিনিকে জেপকেইটাত গুজি গুজি ভৰালে। আকৌ মোনা এটাত কিছুমান শিলগুটি ভৰাই পিঠিৰ ফালে বোকোচাত বান্ধিলে—যাতে মুহূৰ্ত্ততে টাইবৰৰ তলিত ঠাই পায়!

সকলো ঠাক্-ঠিক্ কৰি টাইবৰত জাপ দিয়ে, এনেতে কিছু দূৰৈত এজন মানুহৰ মূৰ্ত্তি দেখা পালে। জেৰাৰ্ড

পৰৱি হল। ইইবিনিষ্টকাল ইকালে সিকালে ঘূৰি ফেৰে যে এনে মানুহ মুৱাকৰ যেন খাপ লৈ তেওঁক চাই আছে। সেবাৰ্জৰ মনত ভয় উপজিল। তৎক্ষণাৎ নিৰ্দ্দিষ্ট ঠাইলৈ লৰি আছি "আৰ্দেৱেষ্ট !" বুলি চিঞৰৰ আগৈই পানীত জাপ দিলে। লগে লগে সেই নৰকাভকবৰেও জাপ দিলে।

(আৰু আছে)

শ্ৰীশান্তিৰাম দাস

---

## স্বৰ্গীয় সত্যনাথ বৰা

জন্ম—১৭৮২ শক; মৃত্যু—২৭ আষাঢ়, ১৮৪৭ শক

সিদিনা যিটি বজ্ৰ অসমীয়াই হেৰুৱালে, নহয় পাৰে তেখেতৰ সৈতে আন আন দেশপ্ৰেমসকলৰ তুলনা, নহয় পাৰে তেখেতৰ অত্যাশ্চৰ্য সমগ্ৰ ভাবৰ অভাৱ, কিন্তু তেখেতৰ অভাৱত অসম আৰু অসমীয়া যে কিমান ক্ষতিগ্ৰস্ত হ'ল তাক সকলো অসমীয়াই জানিছে আৰু বুজিছে।

সেইজন পুৰুষৰ অসমীয়া ভাষাৰ ওপৰত কিমান অধিকাৰ আছিল—অকল অসমীয়া নহয় সংস্কৃত, বঙলা, ইংৰাজী আদি ভাষাৰ ওপৰতো কিমান অধিকাৰ আছিল—সেইটো যেয়ে এবাৰ তেখেতৰ সৈতে কথা পাতিছে বা তেখেতৰ এখনি কিতাপ পঢ়িছে, তেৱেঁই জানে। তেখেতে অসমৰ প্ৰত্যেক জিলাৰ ভাষাৰ ওপৰতো সম্পূৰ্ণ কৰা-য়ত্ব আছিল। মুঠতে কবলৈ গলে অসমীয়া ভাষাৰ এটা প্ৰধান অঙ্গস্বৰূপ আছিল। তেখেতে যি কেইখন কিতাপ লিখি থৈ গৈছে প্ৰায় সকলোবোৰে যিমান দিনলৈকে অসমীয়াৰ অসম থাকিব সিমান দিনলৈকে সেই কেইপদ ভোটা তৰা জিলিকাদি জিলিকি থাকিব।

তেখেত যে কেৱল সাহিত্যিক আছিল এনে নহয়, তেখেত এজন ভাল বক্তা আৰু আইনজ্ঞও আছিল—এনেকি আমাৰ ভিতৰত এজন জাননা আইনব্যৱসায়ী আছিল। স্বভাৱ চৰিত্ৰৰ বিষয়ে আমাৰ কবৰ কোনো অধিকাৰ নাই, তথাপি আমি দেখাৰ ভিতৰত তেখেতৰ স্বভাৱ অতি নিৰ্ম্মল আছিল। স্বদেশহিতৈষণাৰ বিষয়ে আমি কব নোখোজো, কাৰণ সকলো অসমীয়াই জানে যে তেখেতে নিজৰ দুখুনী অসম মাতৃৰ বাবে কিমান খাটিছে। তেখেতৰ উদাৰতা, অমায়িকতা তেখেতৰ বাহিৰৰ চলনফুৰণেই বেচ ফট্‌ফটীয়াকৈ দেখুৱাইছিল।

কিন্তু কালৰ কি কুটিল গতি, দেশৰ দুৰ্ভাগীয়া কপাল—যিটি সন্তানে নিজৰ জননী ওপৰত নিঃস্বাৰ্থ দিলে, আন কেইজনমানক সেই মহত নীতিত কৰিবলৈ নৌ-পাওঁতেই আয়ে তেওঁৰ নিজৰ কোলালৈ টানি লৈ গ'ল। ইমান নিষ্ঠুৰ তুমি আই! অৱশ্যে তোমাৰ সুসন্তান কেইটিক ছবি নিবলৈ দিয়া। তোমাৰ ইচ্ছা পূৰ্ণ হওক!

যোৱা, হে সাধুবৃন্দ! যোৱা সেই পুণ্যধামলৈ; সুখ-দুখ, জৰামৃত্যুবিহীন সেই অমৰাৱতীলৈ—সেই অমৰৰ কোলাত অনন্ত কাললৈ শান্তিৰে বিৰাজকৰাগৈ।

শ্ৰীশৰদিন্দু নাথ

ৰাজখোৱা

---

## ৰাটচৰা

### (১)

### ৺কৃষ্ণ মিশ্ৰ দেৱ গোস্বামী

শ্ৰীযুক্ত 'বাঁহী' সম্পাদক ডাঙৰীয়া,

যোৱা আহিন মাহৰ 'বাঁহী'ত শ্ৰীযুত তাৰিণী ৰঞ্জন গোস্বামীদেৱৰ মহামহোপাধ্যায় ৺কৃষ্ণ মিশ্ৰ দেৱ গোস্বামীৰ জীৱনী দেখি এই চিঠি লিখিবলৈ আগবাঢ়িলো। যেতিয়া উক্ত মহামহোপাধ্যায়ৰ জীৱনী কোনো পুৰণি সঁচিপতীয়া পুথিবোৰ বা কোনো বিশ্বাসযোগ্য চৰিতপুথিৰ সংগ্ৰহ কৰি লিখিছে নে, তাই কেনেকৈ লিখিছে একো দিয়া নাই। অনুগ্ৰহ কৰি গোস্বামীদেৱে এই কাকতৰ যোগে ইয়াৰ সুবিশেষ বিস্তৃতভাৱে জনালে আমি সুখী হম। আমাৰ মহত্ত্বে এই বিষয়ে অলপ গোলমাল হোৱাহেতুকে আপোনাক জনাইছো। ইতি।

শ্ৰীভূপেন্দ্ৰনাথ ফুকন

### (২)

### কুমাৰ ভাস্কৰ বৰ্ম্মা

পূজ্য 'বাঁহী' সম্পাদক ডাঙৰীয়া,

তলত কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বৰ্ম্মাক বামুণ বোলা বিষয়ে এটা টোকা আপোনাৰ কাকতৰ একুকত ঠাই দিবলৈ লিখিলো। উচিত বিবেচনা কৰিলে প্ৰকাশ কৰি বাধিত কৰিব।

১৪শ বছৰৰ 'বাঁহী'ৰ ২১২ পিঠিত পূজনীয় শ্ৰীযুত ৰজনীকুমাৰ পদ্মপতি ডাঙৰীয়াই লিখিছে যে—"ইয়ং চাঙৰ কথাকেইটা সঁচা বুলি ধৰি কুমাৰ ভাস্কৰ বৰ্ম্মাদেৱক নাৰায়ণদেৱৰ বংশৰে বুলিব লাগিব। (স্বৰ্গৰ) নাৰায়ণ দেৱৰ বংশৰ ৰজা একেনে বামুণ বুলি যে চিনাকি দিব, ই অলজলপটপট।"; এই কথাষাৰি ঠিকতৈ কোৱা হৈছে যেন নেলাগে। কুমাৰ ভাস্কৰ বৰ্ম্মাই নিজে বামুণ বুলি ইয়ংচাঙক কেতিয়াও পৰিচয় দিয়া হব নে যাবে। বেমেজালি ঘটাৰ কাৰণ আমাৰ বোধে এইটোহে—ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য এই তিনিও জাতিকে দ্বিজ বুলি স্মৃতি শাস্ত্ৰই কয়। দ্বিজ শব্দ আজিকালি প্ৰায় ক্ষত্ৰিয়-বৈশ্য লোপ হোৱাত বামুণত মাত্ৰ নিয়োগ হৈছেগৈ। ভাস্কৰ বৰ্ম্মায়ো নিজক দ্বিজ বুলিহে চাগৈ ইয়ংচাঙক কৈছিল। সেই দ্বিজ শব্দৰে যি এটা প্ৰতিশব্দ চীন ভাষাত ইয়ংচাঙে দি থৈছিল তাকে ইংৰাজ ভাঙোতে পাই ব্ৰাহ্মণ বুলি লিখিছে। আমাৰ নিপুণসকলে ইংৰাজী অনুবাদকে আশ্ৰয় কৰিহে ইয়ং চাঙৰ কথাবোৰ আমাৰ ভাষাত উলিয়াইছে। মূল চীন ভাষাৰ শব্দটো চীন ভাষাত কিমান অৰ্থত ব্যৱহাৰ হয় তাক নজনাকৈ এপ্ৰকাৰ সিদ্ধান্তলৈ অহা ঠিক নহয়। ইতি

শ্ৰীবাপুৰাম দত্ত বৰুৱা

### (৩)

### কেইটিমান কথা

এই বছৰৰ ৬ষ্ঠ সংখ্যা "বাঁহী"ত শ্ৰীযুত তাৰিণীৰঞ্জন গোস্বামীয়ে মহামহোপাধ্যায় ৺কৃষ্ণ মিশ্ৰ দেৱ গোস্বামীৰ জীৱনীৰ বিষয় যি অলপ লিখিছিল তাৰ বাবে লিখকৰ শলাগ লবলগা। কাৰণ এনে এজন মহাপুৰুষ—যি অনেক শাস্ত্ৰৰণৰা উদ্ধাৰ কৰি আনি ১৮ খন স্মৃতি ৰচনা কৰি থৈ যায় আৰু যি সেই সমস্ত নতুনকৈ অসমত প্ৰচলিত হোৱা স্মাৰ্ত্ত মতৰ আগত প্ৰাচীন মত আঁতৰ হোৱাৰপৰা ৰাখি থৈ যায় তেনে—এজন মহাপুৰুষৰ বিস্তৃত জীৱনী নোহোৱা অতি দুখৰ বিষয়। কিন্তু তেখেতে যি লিখিছে তাৰপৰাই উক্ত মহামহোপাধ্যায়ৰ বিষয় মোটা-মোটিকৈ জানিব পাৰি নপৈ সন্তোষ পাইছোঁহক আৰু ভৱিষ্যৎ উক্ত গোস্বামীদেৱৰপৰা আৰু বেছি কথা পামহঁক বুলি আশা কৰিলো। যদি আৰু কোনো লোকে এই বিষয় কিছু জানে তেনেহলে প্ৰকাশ কৰিলে অতি আনন্দিত হমহঁক।

*　*　*

প্রথম বছৰ ৭ম সংখ্যা 'অৰ্ঘ্য'ত শ্ৰীযুত কেশৱকান্ত বৰুৱাদেৱে ৺কবি যোগেশ্বৰ ঠাকুৰৰ যি দুটি গান প্ৰকাশ কৰিছে তাৰ বাবেও তেওঁতেৰ শলাগ লবলগা। কাৰণ ৺যোগেশ্বৰ ঠাকুৰৰ নাম জনা মানুহ কম। তদুপৰি তেখেত আছিল কাছাৰীৰ কেৰেণী এজন। আৰু এইটো নিশ্চয় যে তেখেতৰ সময়ত সাধাৰণ মানুৰ ভিতৰত সাহিত্য-চৰ্চ্চা অসমত অতি কম আছিল। তেনে অৱস্থাতো যে কেৰাণী কাম কৰা এজন মানুহে ইমান গান লিখিছিল তাৰ দ্বাৰাই বুজিব লগা যে তেখেত এজন প্ৰকৃত সাহিত্য-সেৱী আছিল। উক্ত বৰুৱাদেৱে 'অৰ্ঘ্য'ত লিখা মতে আৰু গান প্ৰকাশ হব লাগিছিল, কিন্তু বৰ্ত্তমানলৈকে ওলোৱা দেখা নগল। অৱশ্যে তেখেতৰ গানবিলাক পোৱা টনো হব পাৰে। ৺ঠাকুৰে অসমীয়া আৰু হিন্দী বহুত গান লিখিছিল বুলি আমিও শুনিছো; কোনো লোকে যদি এই বিষয় কিবা জানে, প্ৰকাশ কৰিলে আমি অতিশয় সুখী হম আৰু এই বিষয় বৰুৱাদেৱকো পুনৰ জনোৱা হল।

*　*　*

এই বছৰৰ 'বাঁহী'ৰ তৃতীয় সংখ্যাত অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা এম,-এ, বি-এল, বিদ্যাবিনোদদেৱে তেখেতৰ সাহিত্য-টোকাত পণ্ডিতপ্ৰবৰ মহামহোপাধ্যায় ৺ধীৰেশ্বৰ ভট্টাচাৰ্য্য কবিৰত্নৰ জীৱনীৰ বিষয়ত যি আক্ষেপ প্ৰকাশ কৰিছিল সেই বিষয় কথোপকথন কৰি থকোতে এজন ছাত্ৰ বন্ধুৰপৰা শুনিলো বোলে গৌৰীপুৰৰ শ্ৰীযুত ৰাধানাথ গোস্বামীদেৱে দুই এজন সাহিত্যিকক উক্ত মহামহোপাধ্যায়ৰ জীৱনী সম্পাদন কৰিবৰ নিমিত্তে বহু সহায় কৰিছিল। কিন্তু তেখেতসকলে গা-এৰা দিয়া বাবে তেখেতে নিজেই এখনি জীৱনী উলিয়াবলৈ যো-যা কৰিছে। যদি কোনো-বাই উক্ত মহামহোপাধ্যায়ৰ জীৱনীসংক্ৰান্ত কোনো কথা জানে তেনেহলে উক্ত গোস্বামীদেৱক সহায় কৰিলে তেখেতৰ বিশেষ সুবিধা হয় আৰু আমিও সন্তোষ পামহঁক।

শ্ৰীউপেন্দ্ৰনাথ শৰ্ম্মা

---

# বিৰহ-মিলন

তোমাৰ আগত　　কবিতা নোলায়,
　মোহিত কেৱল প্ৰাণ;
মৰমৰ কথা　　কৰকে নোৱাৰো,
　তোমাৰ কথালৈ কাণ।

তোমাৰ আগত　　সঙ্গীত নোলায়,
　নীৰৱ বীণাৰ তান;
জগতবিয়পা　　তোমাৰ ৰাগিণী,
　ভাবত বিভোল প্ৰাণ!

কবিতা-লহৰী　　সঙ্গীতৰ ধ্বনি,
　তোমাৰ বিৰহ তান;
বিৰহ-মিলনে　　পাহৰাই দিয়ে,
　আকুল প্ৰাণৰ গান।

হৃদয়ৰ ব্যথা,　　বিৰহৰ কথা,
　কবৰ আহৰি নাই;
প্ৰেম-সাগৰত　　বুৰ দিও মই
　তোমাৰ পৰশ পাই।

শ্ৰীমহিমচন্দ্ৰ সিংহ

---